


সোনাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE
সোনালী
৩৪
সংখ্যক
সোণাৰি মহাবিদ্যালয়ৰ
বাৰ্ষিক আলোচনী, ২০২১-২২ বৰ্ষ
সম্পাদিকা
আকাংক্ষা শইকীয়া

# মহাবিদ্যালয় সপ্তাহৰ স্থানপ্ৰাপ্ত প্ৰাচীৰ পত্ৰিকাসমূহ



পদাৰ্থ বিজ্ঞান বিভাগ (Rainbow)
শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা



গণিত বিভাগ (Infinity)
শ্ৰেষ্ঠ কলাত্মক প্ৰাচীৰ পত্ৰিকা




অসমীয়া বিভাগ (সাহিত্যম)
শ্ৰেষ্ঠ বিষয়

# তুলিকাই কোৱা মনৰ কথা









ৰেখা [illegible]
অম্লানদ্বীপ চাংমাই [illegible]প,
শিখামণি ৰাজখো[illegible] গগৈ

---

# সোণালী

## সোণাৰি মহাবিদ্যালয়ৰ
## বাৰ্ষিক আলোচনী

২০২১-২২ বৰ্ষ

সম্পাদিকা ঃ আকাংক্ষা শইকীয়া

প্ৰতি,

সোণালী ঃ
সোণাৰি মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক আলোচনী।

## 'সোণালী'ৰ সম্পাদনা সমিতি

মুখ্য পৃষ্ঠপোষক
**ড° বিমল চন্দ্ৰ গগৈ**
অধ্যক্ষ

তত্ত্বাৱধায়ক
**ড° ৰঘুনাথ কাগয়ুং**
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ


উপদেষ্টা
**জ্যোতিপ্ৰসাদ ফুকন**
অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ
**ড° পৰানন কোঁৱৰ**
অধ্যাপক, অৰ্থবিজ্ঞান বিভাগ
**যতীন্দ্ৰনাথ শইকীয়া**
অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ

সম্পাদনা
**আকাংক্ষা শইকীয়া**

সদস্য / সদস্যা
**ধনজিৎ গগৈ**
**ইছা তামাং**

প্ৰচ্ছদ পৰিকল্পনা
**আকাংক্ষা শইকীয়া**

প্ৰচ্ছদৰ অলংকৰণ
**মণ্টু হাজৰিকা**



প্ৰকাশক ঃ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০২১-২২ বৰ্ষ
অক্ষৰ বিন্যাস ঃ কাবেং অফছেট্ প্ৰেছ, মৰাণ
মুদ্ৰণ ঃ কাবেং অফছেট্ প্ৰেছ, মৰাণ, ডিব্ৰুগড়
৭০০২৯২৮২৯০, ৯৯৫৪২৯৬২৭১

# শ্ৰদ্ধাঞ্জলি


বিগত বৰ্ষসমূহত আমাৰ মাজৰপৰা দেশ তথা সমাজৰ বিভিন্ন দিশত অৱদান আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট ব্যক্তিসকললৈ চতুৰ্ত্ৰিংশতিতম "সোণালী"ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

□□□

# উচৰ্গা



ৰাজীৱ মহন্ত
জন্ম ঃ ০১-০৭-১৯৭৭
মৃত্যু ঃ ২৪-০৪-২০২২



বসন্ত চাউলকৰা
জন্ম ঃ ৩০-০৩-১৯৮০
মৃত্যু ঃ ০৮-১০-২০২২

সোণাৰি মহাবিদ্যালয়ৰ
গ্ৰন্থাগাৰৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী **প্ৰয়াত ৰাজীৱ মহন্ত**
আৰু
মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী **প্ৰয়াত বসন্ত চাউলকৰা**
লগতে
জ্ঞাতে-অজ্ঞাতে পৰলোকগামী হোৱা
মহাবিদ্যালয়ৰ পৰিয়ালৰ সমূহ সদস্যলৈ
মহাবিদ্যালয়ৰ চতুৰ্স্ত্ৰিংশতিতম বাৰ্ষিক আলোচনী
'সোণালী' উচৰ্গা কৰা হ'ল।

□□□

# মহাবিদ্যালয় সংগীত

ৰচনা আৰু সুৰ ঃ ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছোঁ আমি
হেজাৰ সেনানী
জ্ঞানৰ পূজাৰী হৈ,
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদূৰি
হৰষে উপচাওঁ ধৰা,
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।

সৃষ্টিৰ কঠিয়া আহাঁ গুজি দিওঁ
আমাৰ মনৰ পথাৰতে
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।।

□□□


# কৃতজ্ঞতাৰ শৰাই

- মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ ড° সুনীল দত্ত মহোদয়।
- আলোচনীৰ তত্ত্বাৱধায়ক ড° ৰঘুনাথ কাগ্যুং মহোদয়।
- আলোচনীৰ সকলো লেখক-লেখিকা।
- উপদেষ্টা শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন, ড° পৰানন কোঁৱৰ আৰু শ্ৰীযুত যতীন্দ্ৰনাথ শইকীয়া।
- সম্পাদনা সমিতিৰ সদস্য শ্ৰীধনজিৎ গগৈ আৰু সদস্যা ইছা তামাং।
- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া।
- কাৰেং অফছেট প্ৰিণ্টাৰ্চৰ পৰিয়ালবৰ্গ।

□□□



ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ




শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা
সদ্য অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ (২০২২)



ড° সুনীল দত্ত
নৱ-নিযুক্ত উপাধ্যক্ষ (২০২২)

# সম্পাদনা সমিতি



ড° বিমল চন্দ্ৰ গগৈ
মুখ্য পৃষ্ঠপোষক



ড° ৰঘুনাথ কাগ্যুং
তত্ত্বাৱধায়ক



শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন
উপদেষ্টা




ড° পৰানন কোঁৱৰ
উপদেষ্টা



শ্ৰীযুত যতীন্দ্ৰ নাথ শইকীয়া
উপদেষ্টা



শ্ৰীমতী আকাংক্ষা শইকীয়া
আলোচনী সম্পাদিকা



শ্ৰী ধনজিৎ গগৈ
সদস্য



শ্ৰীমতী ইছা তামাং
সদস্যা


**Topon Kumar Gogoi**
MEMBER OF PARLIAMENT
(LOK SABHA)
12 No. Jorhat, HPC, Assam
Member
Standing Committee on
Petroleum and Natural Gas
Member
Consultative Committee
For Ministry of Power,
New & Renewable Energy

সত্যমেৱ জয়তে

Off. Add. 127-129
South Avenue
New Delhi-110001
Ph. 01123012123
Mob. 9435012570


Ref. শুভেচ্ছাবাণী/০০৫-২০২৩

Date ১১/০১/২০২৩



## শুভেচ্ছা বাণী

ঐতিহাসিক চৰাইদেউ জিলাৰ এক উল্লেখযোগ্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ৩৪ সংখ্যক সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ‘‘সোণালী’’ প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে প্ৰতিষ্ঠা লাভ কৰা এই সোণাৰি মহাবিদ্যালয় খনিয়ে বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ- ছাত্ৰী সকলৰ শৈক্ষিক প্ৰতিভাৰ লগতে ব্যক্তিগত প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবছৰৰ দৰে এইবাৰো ৩৪ সংখ্যক বাৰ্ষিক মুখপত্ৰ ‘‘সোণালী’’ প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাসমূহ বাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হ’ব বুলি আশা কৰিলোঁ। শেষত মুখপত্ৰ খনিত মহাবিদ্যালয়ৰ ইতিহাস আৰু শৈক্ষিক দিশসমূহ সুন্দৰভাৱে উপস্থাপন হোৱাৰ লগতে মুখপত্ৰ খনি মহাবিদ্যালয়খনিৰ ইতিহাসৰ সাক্ষী হৈ ৰ’ব বুলি আশা কৰিলোঁ।

বিনীত

(তপন কুমাৰ গগৈ)
সাংসদ
১২ নং যোৰহাট লোকসভা সমষ্টি

**Paul Barua, ACS,**
Deputy Commissioner,
Charaideo.

**Government of Assam,**
Office of the Deputy Commissioner,
Charaideo, Assam.

## শুভেচ্ছা-বাৰ্তা

মই জানিবলৈ পাই সুখী হৈছোঁ যে ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী "সোণালী"(২০২১-২২ বৰ্ষ) প্ৰকাশৰ দিহা কৰা হৈছে ।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও সমাজৰ বিভিন্ন দিশৰ ওপৰতো আলোকপাত কৰিব পাৰে । মই আশা কৰিছোঁ, সোণাৰি মহাবিদ্যালয়ৰ আলোচনীখনিয়েও গল্প, কবিতা, প্ৰবন্ধ আদি প্ৰকাশ কৰাৰ লগতে সমাজৰ বাস্তৱ পৰিস্থিতিৰ ওপৰতো দৃষ্টিপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীকলক বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব ।

শেষত, মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি "সোণালী"ৰ সোণোৱালী ভৱিষ্যত কামনা কৰিলোঁ ।

(পল বৰুৱা, অ. অ. সে.)
উপায়ুক্ত, চৰাইদেউ
অসম

দিনাংক : ০৭ জুলাই, ২০২২


Phone No: 03772-256567 (Office), E-mail- dc-charaideo@gov.in / dccharaideo@gmail.com

**Dharmeswar Konwar,** MLA
106 No. Sonari LAC
Phone: 8822191621
Email ID: dharmeswarkonwar25@gmail.com

Old MLA Hostel, Block- D(4)
Dispur, Guwahati-781006
Sukafa Nagar, Charaideo (Assam)
Pin- 785689

Ref No: Sonari/MLA/20/SB/2021-22/026

Date: 29th Jun, 2022



## শুভেচ্ছা বাণী

সৰ্বপ্ৰথমে সকলোলৈকে মোৰ সেৱা নিবেদিছোঁ । ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী" প্ৰকাশৰ বাবে লোৱা প্ৰচেষ্টাক শলাগ লৈছো, লগতে আলোচনীখনৰ প্ৰকাশক মণ্ডলীক মই মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

মহাবিদ্যালয় পৰ্যায়ৰ এখন আলোচনীত প্ৰায় সংখ্যকে পৈণত লিখনি থাকে, কিন্তু পৈণত লিখনিৰ লগতে ন-শিকাৰুৰ অপৈণত লিখনি সমূহৰো গুৰুত্ব এনে আলোচনীত কোনো গুণেই কম নহয় । কিয়নো এইটো পৰ্যায়ৰ পৰাই গৈ এদিন বিখ্যাত বিখ্যাত সাহিত্যৰ সৃষ্টি হয় । মহাবিদ্যালয় পৰ্য্যায়ৰ এনে আলোচনী সমূহেই বহু লিখক লেখিকাৰ সৃষ্টিৰ কঠিয়াতলি । তদুপৰি ন-শিকাৰু সকলৰ বাবেও সাহিত্য চৰ্চাৰ এক অনুশীলনস্থলী। শিক্ষা অনুষ্ঠান সমূহৰ এনে আলোচনীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে এক উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগায় । বৃহত্তৰ সোণাৰি অঞ্চলত শিক্ষাৰ পোহৰ বিলাই অহা সোণাৰি মহাবিদ্যালয়ৰ আলোচনী "সোণালী"য়েও ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সাহিত্য সৃষ্টিৰ এক পৰিৱেশ সৃষ্টি কৰি সকলোৰে মাজত সোণোৱালী হৈ থাকক তাৰেই কামনা কৰিলো।

(ধৰ্মেশ্বৰ কোঁৱৰ)
বিধায়ক, ১০৬ নং সোণাৰি বিধানসভা সমষ্টি,
অসম

জয় আই অসম

**সদৌ অসম ছাত্ৰ সন্থা**

**ALL ASSAM STUDENTS' UNION**

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ ০৭/০১/২০২৩

## শুভেচ্ছা বাণী

চৰাইদেউ জিলাৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **"সোণালী"** প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় সন্তোষিত হৈছোঁ।

আলোচনীখনেই হৈছে মহাবিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক, সাহিত্য- সংস্কৃতিৰ চিন্তা- চৰ্চাৰ প্ৰসাৰ আৰু প্ৰতিভা বিকাশৰ প্ৰধান মঞ্চ।

আশা কৰোঁ বাৰ্ষিক আলোচনী **"সোণালী"**ত প্ৰকাশ হ'বলগীয়া লিখনি সমূহেও শৈক্ষিক সমস্যাৱলীৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।


মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু ছাত্ৰ- ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনালোঁ।

শেষত আলোচনীখন সকলোৰে মনোগ্ৰাহী তথা প্ৰতিটো প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হওঁক। তাৰ শুভকামনাৰে........

(উৎপল শৰ্মা)
ভাৰপ্ৰাপ্ত সভাপতি

(শংকৰজ্যোতি বৰুৱা)
সাধাৰণ সম্পাদক

# অধ্যক্ষৰ মেজৰপৰা



ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী'ৰ স্বৰ্ণিল যাত্ৰাত ২০২১-২২ বৰ্ষৰ সংখ্যাটিয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। কিয়নো এই বৰ্ষতে সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। সামৰণি অনুষ্ঠানত আন সকলোৰে লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰায় সকলোবোৰ কাৰ্যসূচীৰ সফল ৰূপায়ণত সহযোগিতা আগবঢ়ালে। আশা কৰোঁ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ সোণসেৰীয়া অভিজ্ঞতাসমূহ ইয়াৰ পাতত জিলিকাই ৰাখিব।

সময় পৰিৱৰ্তনশীল। সময়ৰ লগে লগে প্ৰকৃতিৰ দৰে আমাৰ শিক্ষা পদ্ধতিৰো পৰিৱৰ্তন হৈছে। ২০১১ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কলেজসমূহত Semester System প্ৰৱৰ্তন কৰা হৈছিল। এই পদ্ধতিৰ লগত ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে খাপ-খোৱাই লোৱাৰ পাছতেই ২০১৯ চনত CBCS পদ্ধতি প্ৰৱৰ্তন কৰা হ'ল। বহুত কথা নতুন হ'ল ইয়াত। নম্বৰৰ ঠাইত Cradit, Grade আদি অন্তৰ্ভুক্ত হ'ল। CBCS পদ্ধতিৰ নতুন শিক্ষাৰ ধাৰণাটো লাহে লাহে ছাত্ৰ-ছাত্ৰীসকলে হৃদয়ঙ্গম কৰাৰ সময়তে অহা ২০২৩ চনৰপৰা NEP2020 প্ৰৱৰ্তন কৰা হ'ব বুলি চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নতুন শিক্ষানীতি মতে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত গাঁথনিগত পৰিৱৰ্তন আহিব। তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম চাৰিবছৰীয়া হ'ব। প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ উৎকৃষ্ট গুণসমূহ এই শিক্ষানীতিত অন্তৰ্ভুক্ত হৈছে। গতিকে, সকলো ছাত্ৰ-ছাত্ৰীয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সকলো কথা খৰচি মাৰি জানিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে সময়ৰ লগত খোজ মিলাই আগবাঢ়ি যাব পাৰিব।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইতিমধ্যে online ব্যৱস্থা সম্পৰ্কে ভালদৰে জ্ঞাত হৈছে। oline admission, form fill up, internet banking আদি বিষয়সমূহ আজিকালি বাধ্যতামূলক হৈ পৰিছে। কিন্তু বহুত ছাত্ৰ-ছাত্ৰীয়ে online ব্যৱস্থাটো নিজে নকৰি service centreত আনৰ দ্বাৰা কৰোৱাই লয়। এনে কৰিলে কথাবোৰ শিকিব পৰা নাযায়। তাৰোপৰি ভুল হোৱাৰ সম্ভাৱনা থাকে। Computer বা Mobileৰ যোগেদি নিজে কামবোৰ কৰিবলৈ শিকিব লাগে। অনলাইনৰ বিভিন্ন পাঠ্যক্ৰম swayam আদি portalৰ যোগেদিও গ্ৰহণ কৰিব পাৰি। এনেবোৰ পাঠ্যক্ৰমৰপৰা Certificate, Diploma আদি ল'বলৈ চেষ্টা কৰিব লাগে। অদূৰ ভৱিষ্যতে এই ব্যৱস্থাসমূহ বেছি প্ৰয়োজন হ'ব।

অন্যান্য জীৱৰ তুলনাত মানুহেই শ্ৰেষ্ঠ কাৰণ মানুহে চিন্তা কৰিব পাৰে, ভাল-বেয়াৰ বিচাৰ কৰিব পাৰে, আনৰ লগত ভাষাৰ দ্বাৰা মত বিনিময় কৰিব পাৰে, নিজৰ সভ্যতাৰ বুৰঞ্জী লিপিবদ্ধ কৰি ৰাখিব পাৰে। ডাৰউইনৰ মতে, হাজাৰ হাজাৰ বছৰৰ ক্ৰমবিকাশৰ ফলস্বৰূপে মানুহ বৰ্তমান অৱস্থাত উপনিত হৈছে। আন প্ৰাণীতকৈ উন্নত মগজু লাভ কৰা মানুহে যিকোনো কাম কৰোঁতে ভালদৰে চিন্তা কৰি, যুক্তিৰে সৈতে কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলে Mobile ব্যৱহাৰ কৰোঁতে ভালদৰে যুক্তিপূৰ্ণ কামতহে ব্যৱহাৰ কৰিব লাগে। যুক্তি-যুক্ত চিন্তা আৰু সৃজনীমূলক কৰ্মইহে মানুহক আন জীৱৰপৰা পৃথক কৰিছে। প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ, পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী তথা জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধাশীল হৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত মানুহ হ'বলৈ চেষ্টা কৰিলে আমাৰ সমাজখন সুন্দৰ হৈ পৰিব।

সদৌ শেষত 'সোণালী'ৰ এই সংখ্যাটিৰ প্ৰকাশৰ বাবে অহোপুৰুষাৰ্থ কৰা সম্পাদিকা আকাংক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনী শাখাৰ শিক্ষক উপদেষ্টা ড° ৰঘুনাথ কাগয়ুং ডাঙৰীয়াৰ লগতে ইয়াৰ লগত জড়িত সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো। সময়মতে আলোচনীখন ছপা কৰি উলিয়াই দিয়াৰ বাবে প্ৰেছৰ কৰ্মকৰ্তাসকললৈ ধন্যবাদ জ্ঞাপন কৰি অধ্যক্ষৰ মেজৰপৰা একাষাৰ ইয়াতে সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয় !□

# A WORD OF GOOD WISHES FROM THE VICE PRINCIPAL

**Dr. Sunil Dutta**
Vice Principal



It gladdens me to learn that the 2021-22 issue of Sonari College Annual Magazine will appear shortly under the editorship of Akanksha Saikia. The magazine of an institution, as we all know, works as a vehicle for and repository of the best ideas and experiences gained in it. The sweet smell of success cannot be experienced without bound and determined efforts.

I am happy to extend my warm thanks to the editorial team including the Advisors for the pains they have taken and the sustained and concerted efforts they have made for bringing it out in its present form.

With best wishes.

□□□

তত্ত্বাৱধায়কৰ একাষাৰ ঃ

# সময় গতিশীল

ড° ৰঘুনাথ কাগ্যুং
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ



গতিশীল সময়ৰ প্ৰতিটো মুহূৰ্ত ধৰি ৰাখে কলমে। লেখকে কলমৰ আঁচ টানি ধৰি ৰাখে সময়ক। ‘সোণালী’— সোণাৰি মহাবিদ্যালয়ক ধৰি ৰখাৰ মঞ্চ। ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ জগতখন ধৰি ৰাখে ‘সোণালী’য়ে। জীৱনক চোৱা আৰু পোৱাৰ প্ৰতিবিম্ব হ’ল ‘সোণালী’।

এই বছৰৰ সোণালীও তাৰ ব্যতিক্ৰম নহয়। সৃজনীশীল মানসতাক সোণালীত ধৰি ৰখাত ছাত্ৰ-ছাত্ৰীসকল সফল হ’লে সুখী হ’ম।

□□□




# বিষয়-বিন্যাস

সম্পাদকীয়

আকাংক্ষা শইকীয়া | পৃ.১৭


প্ৰবন্ধ

ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ পটভূমি | বিনোদ ৰাজখনিকৰ | পৃ.১৮
Sports as career, Future Option | Jyoti Prasad Phukon | পৃ.২২
Environmental Development | Pranati Gogoi | পৃ.২৪
সন্তানৰ উত্তৰণৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ভূমিকা | গীতিকা তালুকদাৰ | পৃ.২৬
Happiness is not expesive | Kabyashri Hazarika | পৃ.২৭
মহাবিদ্যালয় আৰু মানৱীয় প্ৰমূল্যবোধ | যতীন্দ্ৰনাথ শইকীয়া | পৃ.২৯
পদাৰ্থ বিজ্ঞান আৰু বিজ্ঞানী পল ডিৰাক | লক্ষী বৰুৱা | পৃ.৩১
তুলসীৰ ঔষধি গুণ | বৰষা গগৈ | পৃ.৩৩
অসমীয়া ভাষা, সাহিত্যৰ সংকট আৰু আমি অসমীয়াসকল | দ্বীপশিখা খামন | পৃ.৩৪
বিহু ঃ অতীত আৰু সাম্প্ৰতিক সময় | সংগীতা কোঁচ | পৃ.৩৬
নাৰীৰ মৰ্যাদা ! চমু অৱলোকন | মনিষা কৰ্মকাৰ | পৃ.৩৭
সমাজৰ প্ৰতি আমাৰ কৰণীয় | প্ৰিঞ্চিপ্ৰিয়া গগৈ | পৃ.৩৮



গল্প

মধ্যবিত্ত | মাচুমা বেগম | পৃ.৩৯
সংস্কাৰী বোৱাৰী | হেপ্পী বাইলুং | পৃ.৪০



কবিতা

কথা নাপাতো মই নিজৰ স'তে | পৰমানন্দ তাঁতী | পৃ.৪২
নতুন যাত্ৰাৰ পথত | লীজা ধাদুমীয়া | পৃ.৪২
কৃষ্ণচূড়া নগৰীত তুমি আৰু মই | সাগৰিকা মহন্ত | পৃ.৪৩
অকলশৰীয়া জোন | মাচুমা বেগম | পৃ.৪৪
ভাটিবেলা | অনুৰাগ বড়া | পৃ.৪৪
গুৰু | অল্পী দাস | পৃ.৪৪
আৰ্তনাদ নিয়ত হৃদয়খন | পাৰ্থপ্ৰতীম আৰন্ধৰা | পৃ.৪৫
গুণ গুণ মৌ-মাখি | নিত্যানন্দ গগৈ | পৃ.৪৫
সময়ৰ সোঁতত বন্ধুত্বৰ স্মৃতি | লুকুমণি চাংমাই | পৃ.৪৬
চকুপানী | চুমন বৰুৱা | পৃ.৪৬
অভিজ্ঞতা | প্ৰতীক্ষিত বৰঠাকুৰ | পৃ.৪৭
মনৰ নহয়, ধনৰ দুখীয়া আমি | ভৃগু হাজৰিকা | পৃ.৪৭
একপক্ষীয় ভালপোৱা | কৃতিকা দাস | পৃ.৪৮
স্বাধীনতা আৰু আমি | তুষাৰ দ্বীপ তামাং | পৃ.৪৮

অনুভৱৰ একলম
শৈশৱ আৰু বাল্যকালৰ ৰোমন্থন | কল্যাণ চেতিয়া | পৃ.৪৯
আপোন মহাবিদ্যালয়খন | অম্লানজ্যোতি শইকীয়া | পৃ.৫০


প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম
অনুভৱৰ কেনভাছত | দীৰ্ঘজ্যোতি দত্ত | পৃ.৫১
বিদ্যুৎ উৎপাদন ঃ এক আলোচনা | বিষ্ণু প্ৰধান | পৃ.৫২
অসমীয়া সংস্কৃতি আৰু আধুনিকতা | নেহা পাৰবিন | পৃ.৫৪
সোণাৰি মহাবিদ্যালয় | পলাশ প্ৰতীম আদিত্য বৰঠাকুৰ | পৃ.৫৫
জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰাসংগিকতা | প্ৰজ্ঞাশ্ৰী দুৱৰী | পৃ.৫৬
নমস্য পুৰুষ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ | অনুপম শইকীয়া | পৃ.৫৭
Economics | Simran Kour | পৃ.৫৯
মনোজগত | দীপাঞ্জলি ডেকা | পৃ.৬০
Tears | Swarupa Tamuli | পৃ.৬১

একাংকিকা নাটক
সূৰ্যাস্তৰ সিপাৰে..... | নৱজ্যোতি খাওঁাধৰা | পৃ.৬২

সাক্ষাৎকাৰ
সাধাৰণ — অসাধাৰণ ঃ পদ্মশ্ৰী ড° যাদৱ পায়েং | পৃ.৭১

অন্যান্য
মহৎ লোকৰ বাণী | মৃণ্ময় ফুকন (সংগ্ৰহ) | পৃ.৭৫
জানো আহক | অম্লানদ্বীপ চাংমাই (সংগ্ৰহ) | পৃ.৭৬
কৌতুক | অঙ্কী দাস (সংগ্ৰহ) | পৃ.৭৯

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন পৃ.৮০





# সম্পাদকীয়



চৰাইদেউ জিলাৰ ভিতৰতে অন্যতম আগশাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হৈছে আমাৰ সোণাৰি মহাবিদ্যালয়। নাগালেণ্ড-অৰুণাচল প্ৰদেশৰ সীমামুৰীয়া অঞ্চলসমূহৰ ক্ষেত্ৰত মহাবিদ্যালয়খন উচ্চ শিক্ষা আৰু উন্নয়নৰ মাইলৰ খুটি স্বৰূপ। প্ৰয়োজনীয় সুবিধা অসুবিধা থকা স্বত্বেও আমাৰ মহাবিদ্যালয়খনিয়ে এক বৃহৎ অঞ্চলৰ সমাজ জীৱনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। এই বছৰতে ২০২১-২২ বৰ্ষত সোণালী জয়ন্তী উদ্‌যাপন হৈ গৈছে। আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ উজ্জ্বল ইতিহাস এই জয়ন্তী উদ্‌যাপনৰ যোগেদি পুনঃস্মৰণেৰে আমাৰ নতুন চামৰ জ্ঞান, অভিজ্ঞতা আৰু বিভিন্ন দিশত আগবাঢ়ি যোৱাত সাহস আৰু প্ৰেৰণা যোগালে বুলি অনুভৱ কৰো। লগতে এই মহান অভিজ্ঞতাই ভৱিষ্যত জীৱনৰ বাটত বুঢ়াৰ লাখুটি স্বৰূপে আমাক সহায় কৰিব বুলি ভাবিছো।

গত বৰ্ষবিলাকৰ দৰে এই বৰ্ষতো আমাৰ সোণাৰি মহাবিদ্যালয়ৰ মুখপত্ৰ 'সোণালী' প্ৰকাশ কৰিবলৈ লোৱা হ'ল। আমি আমাৰ সীমিত জ্ঞান, বুদ্ধি আৰু অভিজ্ঞতাৰে অতি চমুকৈ সম্পাদকীয় শিতানটি লিখিবলৈ প্ৰয়াস কৰিছো।

পৰিৱৰ্তনশীল আৰু অতি ক্ষীপ্ৰ প্ৰতিযোগিতাৰ সন্ধিক্ষণত আমি আগবাঢ়ি যাবলৈ, সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে শিক্ষাক মাধ্যম হিচাপে ল'ব লাগিব। জাতিটোৰ ভাষা, সাহিত্য সংস্কৃতিৰ সংকটৰ সম্বন্ধে বা শিক্ষা সম্পাদকীয় আলোচনাসমূহত বিজ্ঞসকলে প্ৰায়েই আক্ষেপ কৰি ক'ব বিচাৰে যে বৰ্তমান সমাজৰ সকলো স্তৰতে মূল্যবোধৰ অৱক্ষয় ঘটিছে। সঁচাকৈ সমাজ সচেতন সকলো ব্যক্তিৰ ই চিন্তাৰ বিষয়। মহাবিদ্যালয়ৰ নিচিনা শিক্ষা অনুষ্ঠানৰ পৰা সমাজে বহু কিবা কিবি আশা কৰে। ই স্বাভাৱিক। সমাজ পৰিৱৰ্তনত ছাত্ৰ সমাজৰ যথেষ্ট ভূমিকা থাকে। ছাত্ৰ সমাজে জাতিক নেতৃত্ব দি বহু সময়ত বিভিন্ন গুৰুত্বপূৰ্ণ সমস্যা আৰু গভীৰ সংকটৰপৰা ৰক্ষা কৰাৰ দায়িত্বও পালন কৰি আহিছে। তদুপৰি লিখা-মেলাৰ যোগেদি সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ, অন্যায়, দূৰ্নীতি আদিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু ন্যাৰ্য্য প্ৰাপ্য অধিকাৰৰ বাবে ৰাইজক সচেতন কৰি মানৱীয় প্ৰমূল্যবোধ জগাই জাতিটোৰ সৰ্বাঙ্গীন উন্নতি কৰি ভাষা-সাহিত্যক জগত সভালৈ আগবঢ়াই নিয়াৰ প্ৰয়াস কৰে। সম্ভৱত এয়াই মহাবিদ্যালয় এখনৰ মুখপত্ৰ প্ৰকাশ কৰাৰ প্ৰধান লক্ষ্য-উদ্দেশ্য তাৎপৰ্য আৰু গুৰুত্ব নিৰ্হিত হৈ আছে।

বিজ্ঞান প্ৰযুক্তিৰ উন্নতিয়ে মানুহক চৰম শিখৰলৈ নিছে। জীৱনটো সহজ আৰু আৰামদায়ক কৰি তুলিছে। হ'লেও কিন্তু আমি বৈজ্ঞানিক চিন্তাধাৰাৰে আগুৱাব পাৰিছো নে নাই সন্দেহ আৰু প্ৰশ্ন উদয় হ'ব। বৈজ্ঞানিক চিন্তাধাৰাৰ কথা কোৱাৰ বহু ব্যক্তিয়েই অন্ধবিশ্বাসী। তেখেতসকলে গ্ৰহৰ ৰোষৰপৰা পৰিত্ৰাণ পাবলৈ পাথৰ পৰিধান কৰে। আধুনিক উচ্চ শিক্ষাৰে শিক্ষিত অনেক ব্যক্তি আছে যাক সংস্কৃতি সম্পন্ন ব্যক্তি বুলি ক'ব পৰা নাযায়। বৌদ্ধিক চিন্তা চৰ্চা, সুপ্ত প্ৰতিভাসমূহ বিকশাই তোলাবৰ বাবে যত্নপৰ হোৱাৰ পৰিৱৰ্তে প্ৰযুক্তিবিদ্যাৰ সৃষ্ট কিছুমান যন্ত্ৰৰ মাজত সোমাই থাকি জীৱনটোৱেই যান্ত্ৰিক কৰি একান্ত ব্যক্তিকেন্দ্ৰীক ভোগবাদী স্বাৰ্থপৰ হৈ পৰা পৰিলক্ষিত হয়।

যিকি নহওক আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰৰ দ্বাৰা নতুন লেখক-লেখিকা সৃষ্টি কৰি আহিছে বুলি ভাবিছো। 'সোণালী'লৈ বন্ধু-বান্ধৱীসকলে লিখনি দিছে। পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলেও বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় তত্ত্বগধুৰ লিখনিৰে আলোচনীখন সমৃদ্ধ কৰিছে। তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। লিখনি বিচাৰি বহু বিজ্ঞজনৰ কাষ চাপিব নোৱাৰিলো, সেয়া অজ্ঞতা, সময়ৰ অভাৱ বা অসমৰ্থ বুলি অকপটে স্বীকাৰ কৰিছো। কোনো দিনে এনে দায়িত্ব পালন কৰি নোপোৱা অনভিজ্ঞ আৰু অজ্ঞানতাৰ বাবে হাজাৰ ভুল ত্ৰুটি হোৱাটো স্বাভাৱিক। তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। আলোচনীখন প্ৰকাশৰ বাবে মোক প্ৰতি ক্ষেত্ৰতে সহায় কৰি পৰামৰ্শ দিয়া শিক্ষক তত্ত্বাৱধায়ক ড° ৰঘুনাথ কাগয়ুং, অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ, উপাধ্যক্ষ ক্ৰমে দিলীপ ৰঞ্জন বৰুৱা (অৱসৰ প্ৰাপ্ত), ড° সুনীল দত্তকে প্ৰমুখ্য কৰি সম্পাদনা সমিতিৰ উপদেষ্টা শ্ৰদ্ধাৰ জ্যোতিপ্ৰসাদ ফুকন, ড° পৰানন কোঁৱৰ, যতীন্দ্ৰনাথ শইকীয়া, তথা সহপাঠী ধনজিৎ গগৈ, ইছা তামাং, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকল, সকলো সময়তে ছাঁৰ দৰে লাগি থকা ককাইদেউ পল্লৱ কাকতিকে প্ৰমুখ্য কৰি সমূহ বন্ধু-বান্ধৱী শ্ৰদ্ধাৰ শিক্ষাগুৰু, বন্ধু-বান্ধৱী, শুভাকাংক্ষী, ছপাশালৰ কৰ্মকৰ্তা আৰু বেটুপাট শিল্পী আদি সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ভক্তিপূৰ্ণ সেৱা জনালো।□

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**আকাংক্ষা শইকীয়া**
সম্পাদিকা, সোণালী

প্ৰবন্ধ
সাহিত্য

# ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ পটভূমি

## দেশপ্ৰেম-আত্মৰক্ষা-আধিপত্যবাদৰ বুৰবুৰণি


**বিনোদ ৰাজখনিকৰ**
মূৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ


'স্বীকাৰোক্তি' - মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ (সোণালী) সম্পাদিকাই মোৰ এটা লিখনী বিচাৰি চিঠি এখন দিলে আৰু ক'লে - চাৰ যেনেতেনে লিখনী এটা দিব। মোৰ চাকৰি বা ছাত্ৰ জীৱনত কেতিয়াও মহাবিদ্যালয়ৰ আলোচনী বা অন্য মঞ্চত কোনো লেখা প্ৰকাশ হোৱা নাই। ভাবিলো (!) প্ৰতিদিন কাকত আৰু অন্য বহু জনপ্ৰিয় বাতৰি কাকত আৰু আলোচনীত প্ৰকাশিত সমসাময়িক ঘটনা ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ



কাৰণ আৰু পৰিণতিৰ বিশ্লেষণকে মোৰ নিজৰ ভাষাত ৰাজনীতি-বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দাঙি ধৰো বাতৰি কাকতত প্ৰকাশিত এনে বহুমূলীয়া বিশ্লেষণবোৰ প্ৰায়েই হেৰাই যায়। শেষত ফটা কাগজৰ টুকুৰাই চানাৱালাৰ হাততহে পৰেগৈ। সেই বিশিষ্ট চিন্তাবোৰ, তথ্যবোৰ, বিশ্লেষণবোৰ কিতাপত বা আলোচনীত থাকি যাওক বুলিয়েই প্ৰথম প্ৰয়াস। সৃষ্টিকামী সমালোচনা পৰম পাথেয়।



মানৱ সভ্যতা বিকাশৰ আদিছোৱাতেই সংঘাত-যুদ্ধৰ বীজ প্ৰোথিত হৈছিল। সমগ্ৰোত্ৰীয়ৰ প্ৰতি হোৱা সন্দেহ, জীয়াই থকাৰ তাড়না আৰু শৌৰ্য্য-বীৰ্য্য প্ৰদৰ্শনৰ উদ্দেশ্যেৰে পৰস্পৰৰ বিৰুদ্ধে দণ্ডত লিপ্ত হৈছিল। আদিম স্তৰত গছৰ ডাল-পাত, শিলেৰে হোৱা দণ্ডই সীমিত যুদ্ধ আখৰাৰ আভাস দাঙি ধৰে। গতিকে যুদ্ধৰ কোনো নিয়ম বা আইনৰো প্ৰয়োজনীয়তা নাছিল।

ক্ৰমান্বয়ে মানৱ সভ্যতাই বিকাশৰ বিৱৰ্তনৰ সুত্ৰৰ আঁতধৰি মহাকাব্য বৰ্ণিত যুগসমূহত পদাৰ্পণ কৰিলে। পূৰ্বৰ দণ্ডৰ ধাৰণাইও বিৱৰ্তনৰ ধুমখুমীয়াত যুদ্ধৰ ৰূপ পৰিগ্ৰহণ কৰিলে। আমোল পৰিৱৰ্তন ঘটিল অস্ত্ৰ-শস্ত্ৰত আৰু ইয়াৰ প্ৰয়োগ প্ৰণালীত। অনুভৱ হয় মানুহৰ জ্ঞানৰ বিকাশ যুদ্ধাস্ত্ৰৰ বিকাশ আৰু প্ৰয়োগৰ মাধ্যমেদিহে যেন সম্ভৱ। অস্ত্ৰ প্ৰযুক্তিৰ উন্নতিয়ে মানৱ সভ্যতালৈ কঢ়িয়াই আনিলে দেশপ্ৰেম-আত্মৰক্ষা-আধিপত্যবাদৰ দৰে অৱধাৰণাসমূহ। যিবিলাক ধাৰণাৰ আধাৰত বৰ্তমানৰ মানৱ সভ্যতা দ্ৰুত গতিৰে ধাৱমান।

মহাকাব্যিক বৰ্ণনাত ৰাম-ৰাৱনৰ যুদ্ধকে মানৱ সভ্যতাত সংঘতিত হোৱা প্ৰথমখন সীমাত মহাৰণ বা বিশ্বযুদ্ধ। য'ত ৰামৰ দেৱশাৰীলৈ উত্তৰণ ঘটোৱাৰ হাবিয়াস, বাসনা আৰু আধিপত্য বিস্তাৰৰ সু-পৰিকল্পিত আঁচনিৰ সমাহাৰ। দেৱ-অসুৰৰ ধাৰণাই মানৱ সভ্যতাত বিভেদৰ বীজ অংকুৰিত কৰিলে, যি বৰ্তমান শ্বেত-কৃষ্ণ বৰ্ণৰ সংঘাতৰ সমাৰ্থক। যিকোনো কৌশল-কূটনীতিৰ মাধ্যমেৰে ৰাৱন বধৰ যোগেদি নিজকে সৰ্বশক্তিমান (Super Power) ৰূপে প্ৰতিষ্ঠা কৰাৰ বাসনা। সামান্তৰলভাৱে ৰাৱণেও আধিপত্যবাদৰ অগ্ৰসনৰপৰা স্বদেশক ৰক্ষা কৰাৰ ধাৰণাই দেশপ্ৰেম আৰু আত্মৰক্ষাৰ ধাৰণাক জন্ম দিলে। (ধৰ্মগ্ৰন্থৰ আধাৰত নহয় যুদ্ধৰ আইনৰ দৃষ্টিতহে ধাৰণা আগবঢ়োৱা হৈছে) অৱশ্যে ৰাৱণে নিৰবিছিন্নভাৱে কৰি অহা ভুলৰ বাবে শেষ ৰক্ষা নহ'ল যদিও দেশপ্ৰেম-আত্মৰক্ষাৰ বীজ প্ৰথোত কৰিবলৈ সক্ষম হ'ল আৰু বৰ্তমানেও এই দেশপ্ৰেম আৰু আত্মৰক্ষাৰ দৰ্শনৰ ভেজা লৈ বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই পৰস্পৰে পৰস্পৰৰ লগত সৌহাৰ্যপূৰ্ণ সম্পৰ্ক-সহযোগিতা আগবঢ়াই নিয়াত গুৰুত্ব দিছে যদিও ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা নহ'লে বা স্বাৰ্থৰ বিপৰীতে গ'লেই সংঘাত বা সংকট বা যুদ্ধ অৱশ্যম্ভাৱী হৈ পৰিছে। ঠিক একেদৰে মহাভাৰতত দুৰ্য্যোধনৰনো কি দোষ আছিল! স্বয়াম্ভু মনুৱে নিৰ্ণিত কৰা পুৰুষতান্ত্ৰিক নিয়মানুসৰিয়েই পিতৃ ধৃতৰাষ্ট্ৰৰ পিছতে কুৰু ৰাজ্যৰ হস্তিনাপুৰৰ সমগ্ৰ সম্পদৰ গৰাকী হোৱাত কোনো হেঙাৰ নাই। পাণ্ডুৰ টোটেম ব্যৱহাৰ কৰি পালিত পঞ্চ-পাণ্ডৱে কুৰু বংশৰ সম্পদৰ ভাগবটোৱাৰ দাবীৰে মানৱ সভ্যতাত দ্বিতীয়খন মহাৰণৰ ইতিহাস ৰচনা কৰিলে। দুৰ্য্যোধনেও সম্পদৰ প্ৰতি থকা মোহক স্বদেশপ্ৰেমলৈ পৰিণত কৰি বেজীৰ আগত উঠা সুচাগ্ৰ্য মেদিনীও ত্যাগ নগৰা আৰু পাণ্ডৱৰ নায্য (!) দাবীক অগ্ৰাসন বা আধিপত্যবাদ হিচাপে গণ্য কৰি যুদ্ধৰ ধাৰণাক অন্য এক মাত্ৰা প্ৰদান কৰিলে। একে প্ৰতিচ্ছবি ৰাছিয়া-ইউক্ৰেইন যুদ্ধত প্ৰতিবিম্বিত হৈছে। পুটিনৰ আগ্ৰাসন-আধিপত্যপৰ বিপৰীতে জেলন'স্কিৰ স্বদেশ প্ৰেম। পশ্চিমীয়া সংবাদ বা গণ মাধ্যমবিলাকে এই ধাৰণাকে দাঙি ধৰিছে।

মহাকাব্যিক যুগৰ দুই মহাৰণৰ পৰা মানৱ সভ্যতাই একেকোৱে দুখনকৈ মহাযুদ্ধৰ সাক্ষী হ'ল। আৰ্নেষ্ট হেমিংওৱেৰ ভাষাত 'Never think that war, no matter how necessary, nor justified is not a crime' গ্ৰহণ কৰিলেও এই দুইখন বিশ্বযুদ্ধই যুদ্ধক্ষেত্ৰলৈ আইনগত আৰু সম্পৰ্কৰ সেতু ৰচনাত আমোল পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ল। ১৬৪৮ খৃঃত ৩০ বছৰীয়া যুদ্ধ অন্ত পেলাই ৱেষ্টফেলিয়া শান্তি চুক্তি স্বাক্ষৰিত হ'ল। যিয়েই জাতি ৰাষ্ট শুভাৰম্ভণি ঘটালে আৰু সহজাত সাৰ্বভৌমত্ব ধাৰণাই ৰাষ্ট্ৰৰ ৰূপক সাৰ্বভৌমত্ব ৰাষ্ট্ৰ বিকাশৰ মৌলিক উপাদানলৈ পৰিণত হ'ল। বিশেষতঃ সমকালীন শতিকাবিলাকত এই সাৰ্বভৌমত্বক কেন্দ্ৰ কৰিয়েই ৰাষ্ট্ৰসমূহৰ মাজত জাতীয় স্বাৰ্থ, ৰাষ্ট্ৰীয় সুৰক্ষা, ক্ষমতা আদি অৱধাৰণাসমূহ গঢ়লৈ উঠিল আৰু ৰাষ্ট্ৰৰ সম্পৰ্কবৃত্তৰ উপৰিসৌধ নিৰ্মাণ কৰিলে। এই উপৰিসৌধৰ আধাৰতেই স্বাৰ্থ-ক্ষমতা সুৰক্ষিত হ'লে সৌহাৰ্দ্যমূলক সম্পৰ্ক আৰু ইয়াৰ অন্যথাই সম্পৰ্কত সংকট-সংঘাত-যুদ্ধ অনিবাৰ্য। ৰাছিয়া-ইউক্ৰেইনৰ মাজত যুদ্ধত এই বৃত্ত পৰিধিৰ বাহিৰত নহয়।

আন্তৰ্জাতিক আইন অনুসৰি ৰাষ্ট্ৰৰ মাজৰ পাৰস্পৰিক সংকট বা সংঘাতক যুদ্ধ হিচাপে গণ্য কৰা হয় বা সংজ্ঞায়িত কৰা হয় যেতিয়া কোনো সাৰ্বভৌম ৰাষ্ট্ৰই ক্ষমতা বৃদ্ধি, ৰাষ্ট্ৰীয় সুৰক্ষা নতুবা ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰৰ নিয়মীয়া সৈন্যবলৰ সহায়ত অন্য সাৰ্বভৌম ৰাষ্ট্ৰৰ ওপৰত ৰাষ্ট্ৰীয় সীমা অতিক্ৰমি আক্ৰমণ আৰম্ভ কৰে আৰু প্ৰতিপক্ষ ৰাষ্ট্ৰইয়ো নিজৰ নিয়মীয়া সৈন্যবলৰ সহায়ত সুৰক্ষা নিশ্চিতিৰ বাবে প্ৰতিব্যৱস্থা গ্ৰহণ কৰে তেন্তে এনে পৰিঘটনাক যুদ্ধ হিচাপে গণ্য কৰা হয়। যাৰ পৰিসমাপ্তি জয় বা পৰাজয়ৰে নিৰ্ধাৰিত হয়। গতিকে ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত চলোৱা 'নিৰ্দিষ্ট লক্ষ্যৰে পৰিচালিত সামৰিক অভিযান'কো যুদ্ধ বুলিয়েই গণ্য কৰা হৈছে।

১৯৯০ খৃঃলৈকে ইউক্ৰেইন আধুনালুপ্ত চোভিয়েট ইউনিয়নৰ অংশীদাৰ আছিল। তেনে ক্ষেত্ৰত বৰককায়েক ৰাছিয়াৰনো কি এনে চুঁত খৰে খালে যে ২৪ ফেব্ৰুৱাৰী, ২০২২ খৃঃত ৰাষ্ট্ৰপতি ভল্ডিমিৰ পুটিনে ৰাছিয়াৰ নিয়মীয়া সৈন্যক কীভ্ (কিয়েভ) আক্ৰমণৰ সেউজ সংকেত দিলে? বিভিন্ন সময়ত সময়ত দুৰদৰ্শন বা অন্য গণ মাধ্যমবোৰৰ পৰা লাভ কৰা ভাষ্য অনুসৰি ধাৰণা হয় যে চাৰিওফালৰপৰা হেঁচামাৰি ধৰিলে অতি নিৰ্জু প্ৰাণী এঠাইত অস্তিত্ব ৰক্ষাৰ বাবে আক্ৰমণাত্মক হৈ পৰে। অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত কানাই গগৈ আৰু আশিস গুপ্তৰ নিবন্ধৰ আঁতধৰি ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰা হেতু বিচাৰি উলিয়াব পাৰি। মুঠৰ ওপৰত আৰ ছিগা চুলি, তাৰ চিগা চুলি বান্ধি যাওঁ নেঘেৰী খোপা।

প্ৰকৃতাৰ্থত, আমেৰিকাৰ নেতৃত্বাধীন সামৰিক সন্ধি (NATO)ক ৰাছিয়া ইউক্ৰেইন যুদ্ধৰ আওঁতাৰ বাহিৰত ৰাখিব নোৱাৰি। ৰাছিয়াৰ অস্তিত্ব সংকট, সুৰক্ষাৰ প্ৰতি ভাবুকি প্ৰতিনিয়ত সৃষ্টি কৰোৱা হৈছিল। বিশ্ব শান্তি স্থিতিস্থাপকতা ৰক্ষাত ক্ষমতাৰ ভাৰসাম্য এটা মেৰু ৰাছিয়াক পতিয়ন নিওৱা হৈছিল, প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল যে সামৰিক সন্ধি ইউৰোপৰ পূবলৈ কেতিয়াও সম্প্ৰসাৰিত কৰা নহ'ব। এই প্ৰতিশ্ৰুতি লাভ কৰি পূব আৰু পশ্চিম জাৰ্মানীক ৩ অক্টোবৰ, ১৯৯০ খৃঃত একত্ৰিকৰণত সন্মতি প্ৰদান কৰে। বাস্তৱতঃ সামৰিক সন্ধিয়ে কোনো প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে বৰঞ্চ ১৯৯৯ খৃঃত পূৰ্বৰ সমাজবাদী দেশ চেক্ গণৰাজ্য, পোলেণ্ড আৰু হাংগেৰীক সামৰিক সন্ধিৰ আওঁতালৈ অনা হয়। নাটোৰ এই ক্ৰমাগত পূবলৈ কৰা সম্প্ৰসাৰণে ৰাছিয়াৰ সীমান্ত স্পৰ্শ কৰাৰ উপক্ৰম হ'ল, যেতিয়া ইউক্ৰেইনক নাটোৰ সদস্য পদ দিবৰ বাবে যো-জা চলিল; ৰাছিয়াৰ ক্ষেত্ৰত জোঁৰ পুৰি হাত পালেহি।

অৱধাৰিতভাৱে আমেৰিকাৰ নেতৃত্বত নাটো বাহিনী ২০১৪ চনত ইউক্ৰেইনত নব্য-নাৎসী ভাৱধাৰাৰ শাসন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰগণী ভূমিকা পালন কৰিছিল। নব্য-নাৎসী সংগঠন 'আযৱ' গঢ়লৈ উঠিছিল। ইয়াত সাৰ পানী যোগাইছিল আমেৰিকা আৰু নাটো ৰাষ্ট্ৰসমূহে। ইউক্ৰেইনৰ মাৰিউপাল চহৰৰ তীখা প্ৰকল্পৰ ভুতলত 'আযাৱস্তাল' নিৰ্মাণ কৰি নব্য-নাৎসীবাদৰ প্ৰসাৰত মনোনিৱেশ কৰিছিল। ইউক্ৰেইনৰ নব্য-নাৎসীবাদী শাসকসকলে হিটলাৰৰ নাৎসী বাহিনীৰ লগ হৈ হাজাৰ হাজাৰ ৰুছ আৰু ইহুদিলোকৰ লগতে চোভিয়েট ব্যৱস্থাৰ সমৰ্থন কৰা ইউৰোপীয়লোককো হত্যা কৰা নেতা স্তিপান বান্দেৰাক ইউক্ৰেইনৰ নায়কৰ মৰ্য্যাদা দি সমগ্ৰ ইউক্ৰেইনত ২০০ৰো অধিক প্ৰতিমূৰ্তি প্ৰতিষ্ঠা কৰি, হিটলাৰ নাৎসীবাদ বিৰোধী যুদ্ধত প্ৰাণ ত্যাগ কৰা ২ কোটিৰো অধিক চোভিয়েট নাগৰিকৰ ত্যাগ অৰ্থহীন কৰি তুলিলে। জেলন'স্কিৰ শাসনতো এনে কাৰ্য বন্ধ নহ'ল বা এজন ইহুদী হিচাপে ৰোধ কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। মাৰিউপল চহৰৰ নব্য-নাৎসীসকলক উৎখাট কৰাটো ৰাছিয়াৰ আক্ৰমণৰ এটা কাৰণ হ'ব পাৰে। অৱশ্যে বন্দৰ নগৰী মাৰিউপল কুক্ষিপত কৰাৰ অন্য সামৰিক উদ্দেশ্যত থাকিব পাৰে। মুঠতে আমাৰ ভাষাত আইৰো বাৰ্তা, গংগাৰো যাত্ৰা।

তদুপৰি এই নব্য-নাৎসীসকলৰ যোগেদি অৰ্থাৎ সংগঠন 'আযৱ'ৰ মাধ্যমেৰে ৰুছ জাতিক নিঃশেষ কৰিবপৰা বীজানু সৃষ্টিৰ বাবে (জৈৱিক অস্ত্ৰ) ইউক্ৰেইনতে ৩০টাতকৈ অধিক গৱেষণাগাৰ স্থাপন কৰিছিল। আমোদজনক অভিযোগ হ'ল যে পেণ্টাগণৰ এই গৱেষণাৰ কাৰ্যত ৰাষ্ট্ৰপতি জ'বাইদেনৰ পুত্ৰ হাণ্টাৰ বাইদেনে বিনিয়োগ কৰিছিল। অৰ্থাৎ ৰুছসকলক নৃগোষ্ঠীয়ভাৱে নিঃশেষ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল য'ত ইউক্ৰেইনক এক মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল। ৰাছিয়াই আত্মৰক্ষাৰ বাবে ইউক্ৰেইন আক্ৰমণ কৰিবলৈ বাধ্য হৈছিল বা বাধ্য কৰোৱা হৈছিল। খাই কাৰ্শলা ডালত উঠিল, কাঁঠি চেলেকাৰ মৰণ মিলিল।

ইয়াৰোপৰি ইউক্ৰেইনে পাৰমানৱিক শক্তি আহৰণৰ বাবে চেষ্টা অব্যাহত ৰাখিছিল আৰু তেজস্ক্ৰিয় বোমা নিৰ্মাণৰ বাবেও পৰিকল্পনা আগুৱাই নিছিল। ইউক্ৰেইনৰ এই প্ৰচেষ্টাত আমেৰিকাই সাৰ-পানী যোগাই গতি প্ৰদান কৰিছিল। আমেৰিকাই এই ক্ষেত্ৰত NPT বা তেনে পাৰমানৱিক অস্ত্ৰ ৰোধৰ চুক্তিক বাহাল কৰি তেজস্ক্ৰিয় অস্ত্ৰ প্ৰস্তুত কৰিব পৰা প্লুট'নিয়াম প্ৰদান কৰিছিল। ইউক্ৰেনৰ এনে পৰিকল্পনাই ৰাছিয়াৰ ভূখণ্ডৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ বাবে হাত সাৱটি বহি থকাৰ প্ৰশ্ন নুঠিল। যি কাৰণে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ বিৰুদ্ধে আমেৰিকাই ছোভিয়েট ব্যৱস্থাক অন্ধকাৰত ৰাখি হিৰ'ছিমা আৰু নাগাছাকিত আনৱিক আক্ৰমণৰ জৰিয়তে নিশকতীয়া কৰি আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰিছিল। সন্দেহ কৰা হৈছিল জাপানে গোপনে পাৰমানৱিক শক্তি আহৰণৰ চেষ্টা অব্যাহত ৰাখিছিল। গতিকে কলিতে পোখা মাৰি পেলোৱো হৈছিল। পাল হাৰ্বৰৰ কাণ্ড আচিলাহে আছিল। একে দৃষ্টান্ত ইউক্ৰেইনৰ ক্ষেত্ৰতো প্ৰযোজ্য। NATO আৰু আমেৰিকাৰ এনে কাৰ্যকে কোৱা হয় খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ মাৰে।



সুত্ৰ অনুসৰি, প্ৰায় এমাহ ধৰি মাৰিউপোল তীখা প্ৰকল্পৰ ভূতলত 'আযৱস্তান'ত বন্দী হৈ থকা ইউক্ৰেইনৰ সশস্ত্ৰ বাহিনীৰ ২৪৯৩জন সৈনিকে আত্মসমৰ্পণ কৰিছে। ইয়াৰ মাজত ৭৮গৰাকী মহিলা সৈনিকো আছিল। আত্মসমৰ্পনৰ সময়ত 'আযৱহতক' কেৱল অন্তবাসটো ৰাখি বাকী পোচাক খুলিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। তেতিয়াই পোহৰলৈ আহিছিল 'আযৱহত'ৰ হাত-বাহু, ভৰি-উৰু, পিঠি-বুকু সকলোতে হিটলাৰ নাৎসী বাহিনীবোৰৰ স্বস্তিকা, এছ-এছ প্ৰতীক, এছ-এছ ডিভিজনৰ লাওখোলা, হাড়, ঈগল, আদিৰ নাৎসী প্ৰতীকৰ টাটো। NATO সমৰ্থিত ৰাষ্ট্ৰবোৰে বিশ্বৰ অন্য প্ৰান্তৰ ৰাষ্ট্ৰবোৰক পতিয়ন নিয়াব বিচাৰিছিল যে ইউক্ৰেইনৰ গণতন্ত্ৰৰ ওপৰত স্বৈৰতন্ত্ৰী পুটিনে আক্ৰমণ চলাইছে। কিন্তু গণতন্ত্ৰৰ আৰু নাৎসীবাদ বিপৰীত মেৰুত অৱস্থান কৰি থকা দুটা পৃথক ব্যৱস্থা। ইউক্ৰেইনত গণতন্ত্ৰ আছিল যদিও ই তেনেই সীমিত বা বিপদাপন্ন অৱস্থাত আছিল। মিছা কথাৰ ঠেং চুটি।

ইউক্ৰেইনৰ যুদ্ধ আৰু বৰ্তমান সময়ৰ পৰিস্থিতি সন্দৰ্ভত আৰু ৰাছিয়াৰ 'বিশেষ সামৰিক অভিযান' সম্পৰ্কে সমগ্ৰ বিশ্বতে ভুৱা বাতৰি বিয়পাই ৰাছিয়াক খলনায়ক সজাবলৈ চেষ্টা কৰা হৈছিল। এই তথ্য পোহৰলৈ আহে যেতিয়া পেৰুৰ সাংবাদিক ৰিকাদ' ছানবেছ ছেৰাই এক নিবন্ধৰ যোগেদি দাবী কৰিছে যে এই যুদ্ধৰ ভুৱা বাতৰিবোৰ তৈয়াৰ কৰে বৃট্ৰেইনৰ বৃহৎ মাৰ্কেটিং কোম্পানী PR Networkৰ জৰিয়তে। অন্যহাতে কোম্পানীটোত ধনৰ যোগান বা বিনিয়োগ কৰে বিশেষকৈ আমেৰিকা আৰু নাটো ৰাষ্ট্ৰসমূহে। ছেৰাই কেইটামান তেনে ভুৱা বাতৰিৰ উদাহৰণ তুলি ধৰিছে। যিবোৰ অতি নিকৃষ্ট। এটা বাতৰিত ৰুছ সেনাই কিয়েভ (কীভ্) চহৰৰ আবাসিক ভৱন কিছুমান ধ্বংস কৰাৰ দৃশ্য সম্প্ৰচাৰ কৰা হৈছিল, কিন্তু ভৱনবোৰ কিয়েভৰ নাছিল বৰঞ্চ পেলেষ্টাইনৰ গাজা চেক্টৰহে আছিল। ছেৰাই তেওঁৰ নিবন্ধত ইয়াকো উল্লেখ কৰিছে যে ইউক্ৰেইনত চলোৱা তথাকথিত বোমা বৰ্ষণৰ দৃশ্যবোৰ প্ৰকৃত নাছিল বৰঞ্চ সেইবোৰ ভিডিঅ' গেমছৰ দ্বাৰা সৃষ্ট দৃশ্যহে আছিল। আৰু অনেক তেনে উদাহৰণ তেওঁ নিবন্ধত উল্লেখ কৰিছে। পুনৰ নিবন্ধটোৰ শেহৰফালে উল্লেখ কৰিছে যে সাধাৰণ নাগৰিকৰ কথাতো বাদেই সত্য সন্ধানী সাংবাদিকেও পশ্চিমৰ এই ভূৱা প্ৰচাৰবোৰকে সত্য বুলি বিশ্বাস কৰি আছে অথচ পেছাগত দিশৰপৰা এইবোৰক 'বেদৰ বাক্য' বুলি গ্ৰহণ নকৰি নিজৰ অনুসন্ধান চলাই তেওঁলোকে সত্যাসত্য নিৰূপন কৰা উচিত আছিল। ৰাছিয়াৰ সশস্ত্ৰ বাহিনীৰ সন্দৰ্ভত ভুৱা তথা ভাৱমূৰ্তি বিনষ্ট কৰা বাতৰি প্ৰচাৰকসকলক বিৰুদ্ধে পুটিনে ফৌজদাৰী আইনৰ নতুন ধাৰা এটাত অনুমোদন জনোৱাৰ লগে লগে বিবিচি, এন্‌বিচি, চিএন্‌এন আদি বিশ্ববিখ্যাত সংবাদ প্ৰতিষ্ঠানসমূহে ৰাছিয়া ত্যাগ কৰিলে। ইয়ে ছেৰাৰ নিবন্ধত উল্লেখিত তথ্যসমূহক সত্য প্ৰতিপন্ন কৰিলে। ইয়াকে কয় বোলে আপোনাৰ নাক কাটি সতিনী যাত্ৰা ভংগ কৰা।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভল্ডামিৰ পুটিনে আৰম্ভণিতে ইউক্ৰেইন আক্ৰমণক 'নিৰ্দিষ্ট লক্ষ্যৰে পৰিচালিত সামৰিক অভিযান' বুলিহে ঘোষণা কৰিছিল যদিও কাৰ্যতঃ সেই অভিযান ক্ৰমান্বয়ে সৰ্বাত্মক যুদ্ধলৈ পৰ্যবেক্ষিত হোৱা পৰিলক্ষিত হ'ল। আনকি তৃতীয় বিশ্বযুদ্ধৰ ৰেঙনি প্ৰায় ফুটি উঠিছিল। যুদ্ধৰ মাজতে দুয়োপক্ষৰ কেইবালানি আলোচনা অনুষ্ঠিত হৈছিল যদিও আশা কৰা ধৰণেৰে কোনো ফল নধৰিল। ৰাছিয়া ইউক্ৰেইন যুদ্ধৰ ফলস্বৰূপে অৰ্থনৈতিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰিলক্ষিত হৈছে। মানৱতাৰ অৱস্থা থেৰচ। বিশেষজ্ঞসকলে সকিয়াই দিছে যে ৰাছিয়া ইউক্ৰেইন যুদ্ধই ক্ৰমান্বয়ে বিশ্বায়নৰ সমাপ্তি সূচনা কৰিছে। সেয়ে শান্তিকামী ৰাষ্ট্ৰই, মানুহে ৰাছিয়াৰ লগতে আমেৰিকা তথা নাটো ৰাষ্ট্ৰৰ ওপৰত চাপ প্ৰয়োগ কৰিব লাগিব যাতে সংঘাতৰ অতি সোনকালে অন্ত পেলাবলৈ উভয় পক্ষ্য বাধ্য হৈ পৰে।

'মুকং কৰোতি ৱাচালং পঙ্গুং লঙ্ঘয়তে গিৰিম্'।

কিমধিকম্।

□□□

অসীম ঃ তুমি ভগৱানক বিশ্বাস কৰানে?

অনুপ ঃ নকৰো।

অসীম ঃ কিয় নকৰা?

অনুপ ঃ জানো? ভগৱানেহে জানে?

☺😑☹

শিক্ষয়িত্ৰী ঃ ৰুমী ক'চোন সৌৰজগতত কেইটা গ্ৰহ আছে?

ছাত্ৰী ঃ নাজানো বাইদেউ।

শিক্ষয়িত্ৰী ঃ সেইটো যদি নাজানা তুমি কোনখন পৃথিৱীত আছা?

ছাত্ৰী ঃ পৃথিৱী কেইবাখনো আছে নেকি বাইদেউ?

☺😑☹

সংগ্ৰহ ঃ **অল্পী দাস**, স্নাতক, চতুৰ্থ ষাণ্মাসিক

প্ৰবন্ধ সাহিত্য

# Sports as career, Future option

**Jyoti Prasad Phukon**
Assistant Professor
Department of Zoology

**Sport** is an exciting and healthy pastime game to many, but if the sport is really one's passion it can be a very rewarding and satisfying career too. It was traditionally considered as a hobby especially in India but now it is taken as a serious career option.The success of sports people in a recent international sporting event has brought the focus to sports careers. Sports help us to make our body physically fit and keep our mind good. If we choose sports as a career, it also gives lots of fame and money.

A person can make a career in any sports field depending on what sports us take up as our expertise. Various sports fields are Cricket, Badminton, Volleyball, Football, Basketball, Boxing, Gymnastics, Hockey, Table Tennis, Wrestling, Cycling, etc.Sports can be a serious career option for the children of the future especially for children of India. Sports remain a high risk and high reward career for people pursuing it. It requires lot of support from parents to groom their children for a career in sports as it requires identification of the potential at a very early stage. Probably by the age of 4 and 5 the kids should get involved in sports and build up their bodies for sporting activities. A sportsman career span is generally twenty years, between 20-40 years of age, depending on the sporting activity that he is into. The payoff is heavily loaded upfront. He or She can be a star by the time he or she reaches an age of 20-24 years. People have come to realize this and even in traditional country like India where more stress is laid on formal education, parents nowadays are open to having children pursue a career in sports. Much credit should go to Sachin Tendulkar, SouravGanguly, SaniaMirza, Leander Paes and ViswanathanAnand, Merry Com, LovelinaBorgohain, Hima Das etc. for this shift in mindset. They have shown the world that even for countries which are not known for sporting activities, sports can be an avenue for a career.

A sportsman of world stature can earn millions of dollars by way of prize money, endorsement sponsorship, Government grants and corporate endowments. He or She can get admission in colleges by way of scholarships and can even get jobs in Government and Corporate bodies. The corporates are increasingly encouraging the youth to take up sporting activities and on attaining decent standing in their sports are offering them jobs. So, even if you are not a star you can end up making decent money for ourselves. As we are progressing more and more money are being pumped into sports which is encouraging the young people to take up sports as a career option. Academies are being set up by retired professional sports-persons and are becoming the breeding ground for the sportsperson of the future. Training center and Academies are also proving to be a secure source of income for retired professionals.

**What makes a good Sportsperson?**

Any sporting activity takes three things 1) Physical Ability 2)Sporting Skills 3) Mental Ability

**Physical Ability**-Most of it is genetics. A small part of it can be developed by taking up rigorous exercise from an early stage. Depending on the sports he is into, the requirement of physical ability varies in different sports. India particularly fails miserably in this particular ability. India fares well in sports which do not require much physical abilities.

**Sporting Skills**-A skill set can be picked up by practicing. Every game requires a particular skill set. Even a simple sports like running as techniques. It can be picked up by good coaching and practicing. Making of a sportsman is a full time endeavor it requires lot of dedication and passion to be a master in a particular sports. Indian sportsman is particularly good with their sporting skills. Therefore Indians do well in sports like Shooting, Archery, Chess, Snooker and in sports like that which requires less of physical abilities.

**Mental Abilities**-This is the 3rd most important attribute in the making of a sportsman. There is not a single sports were the Mental Abilities are not tested. Mental Abilities can be spruced up by practicing and coaching. A good coach can help in making up the Mental Abilities of a sportsman. It can also be spruced up seeing video recordings of the sporting activities of stalwarts in their field. Mental Abilities is gaining in importance in the highly competitive field as the physical abilities and sporting skills are becoming hard to differentiate. Playing big matches spruces up mental abilities where one is pitted against his opponent and has to completely outwit his opponent during the match. Performing in front of the spectator also brings in that dimension which gives butterfly in stomach syndrome to many.Over the years sports has become increasingly competitive. To fare well in a particular sports one need to pick up the sports at a very early stage.



Parents and family play a very important role in a sportsman s life. A sportsman need to have great liking for the sports as there can be times when he may fail to perform but the sheer joy of performing and playing the game will see him through.

As India progresses and with the commercialization of sports, money is being poured in the sports and it is gaining in popularity as an entertainment option. The prize money in sporting events are getting bigger. Stakes are being raised the risk are getting higher and so are the rewards for the sportsman.

**Sports: A popular career choice :** A sport, which was traditionally considered a hobby especially in India, is now being taken seriously as a career option. With the country's medal performance in wrestling, badminton, boxing , etc. at the 2012 London Olympics and with F1 coming to India, it's just not cricket which is a rage among the youth. Besides games, there are many other areas that are gaining in popularity within the ambit of sports such as medicine, management, physiotherapy, clinics, etc. Schools and colleges are also encouraging sports among students. At the school level, too, sports and fitness are being taken seriously; the Central Board of Secondary Education (CBSE) has introduced a vocational course in sports on fitness and gym operation from the academic session 2012-13. While there are several sports academies, not all universities offer physical education as a discipline, except for Delhi University. The Indira Gandhi Institute of Physical Education & Sports Sciences (IGIPESS), under the department of physical education, Delhi University, offers courses in physical education and sports sciences at undergraduate, postgraduate and PhD levels. The institute conducts a B.Sc. programme in physical education, health education and sports sciences (PEHES). While at the PG level, it offers a Bachelor of physical education (BPED) programme. The institute also conducts BA (disciplinary) and BA (application course) along with other DU colleges. Devinder K Kansal, Principal, Indira Gandhi Institute of Physical Education & Sports Sciences (IGIPESS) and HoD, physical education and sports sciences, DU, says, "Today there are numerous avenues for those wanting to pursue physical education as a discipline in various fields from teaching, sports management, sports nutrition, physiotherapy, fitness experts, etc."KanikaYadav, a national-level volleyball player and a final-year student of BSc, says that studying sports has given her an edge over other sportspersons. "During the course we get specialised knowledge on current game rules, injury application, technical skills, etc," Nilesh Kulkarni, director of a sports management institute adds that there are no 'university affiliated' institutes offering education in courses like sports management because there is not enough awareness about the various opportunities that such a course can offer. Though historically cricket dominated the industry, today the country can boast of an annual sporting calendar comprising other games as well. Therefore, this has increased the employability quotient of sports. Many aspirants prefer to go abroad to pursue a degree in sports, as there are more study options available."Since sports as a field of study is under-developed in India, I decided to go overseas to study the subject. I studied Master's in sport management at the Lough borough University. I am a national-level table tennis player and I always aspired to pursue a career in the field of sport development," says Aman Dhall, who on completing his studies launched a highperformance sports academy in India.Responding to the need to take a multi-disciplinary approach to sports, Chennai-based Ramachandra University has introduced a BSc degree in sports and exercise sciences. "There exists a misconception about the definition of sports medicine in India," says Sivaraman Arumugam, head, department of arthroscopy and sports medicine, "One of the more recent responsibilities that sports medicine has had to undertake is to improve on-field performance ." With the globalization of sport and the entry of several league-based tournaments like the IPL, most teams are involving coaches and sports medicine practitioners. "We as a nation are lacking in an organised and scientific approach to performance assessment. That is where academic expertise in sports and exercise sciences come in handy" he adds.

**Sports management :** If sports are passion and forte, we need not keep it on the inside track. A career that allows us to stay in touch with our favourite activity, yet make a living of it, sports management is one of the most demanded career profile internationally.

Among the many profiles we could opt for are - sports event manager, professional player, physical education instructor, coach and umpire or referee. Internationally, the demand for professional sports managers is increasing, and hence, the career is expected to reach its peak in the years to come. "Various parts of the world are going through dynamic economic changes. Despite slowdown in certain economies, students are seeking quality education in a global environment. Among the many unconventional courses offered, careers in sports management are on the high," shares Sushil Sukhwani, director of an education counseling firm.

Sources- Internet

প্ৰবন্ধ সাহিত্য

# Environmental Development: What we need to prioritize

**Pranati Gogoi**
Asstt. Professor
Dept. of Botany


Trees, the most important component of Nature, have enough potential to protect the environment and hold all other components of the nature firmly together. Trees are serving our planet and protecting it before human being came into existence. It is because of them that we are able to live in this planet. All creatures on this planet are some way or the other dependent on trees. Starting from bacteria to fungus, both associates with plants to form symbiotic relationship and gives rise to some important biologial processes like Nitrogen fixation, Vesicular Arbuscular Mycorrhizae (VAM) respectively, which helps in regulatig the biological system. From food to shelter and medicine to furniture, they are highly valuable and irreplaceable. A single tree can be a home to thousands of insects, a place of shelter to migratory birds and can work like an "ecosystem" in nature. So when a tree is chopped down it is not just number of logs that are wiped off but a whole ecosystem is devastated. So we can simply imagine how many ecosystems are being devastated daily just for the sake of human pleasure. We cut them; destroy them because trees do not express their feelings and emotions when they are hurt as we do. We have become so selfish and carried away by the hues of "modernization" that we have forgotten our main source of livelihood. Although Science and Technology has achieved great advancement but they can never feed us or fulfill all our basic needs. The modern advancement in the name of industrialization and materialization is the creation of super brain and it was not something that existed in nature. Trees, the primary soure of oxygen has enough to provide us but we fail to understand their importance. Deforestation, one of the major environmental issues and the primary cause of global warning has become a matter of higher concern these days. Due to deforestation, the air pollution is increasing at an alarming rate. In the big cities, people are more drawn towards the tall building and motor vehicles and overlook the level of pollution that is emitted by them enormously on daily basis. And they know it well that this pollution is neither good for their health nor for the environment. And this is evident from the change in climate of a place and the extinction of species from the environment. Both developed and developing countries tries to hide the impace of pollution on the environment due to the fear for loss of economic growth and development. Some of the major culprits of the environment like overpopulation, deforestation, industriallization, pesstisides and fertilizers, dam construction, nuclear explosion and many more have become havoc to the environment. Overpopulation, one of the major issues in developing countries like India, is the primary cause of food crises. Large population needs higher food production and for this, large scale cultivation is carried out by clearing trees and forests in order to meet our need. For better production pesticides and fertilizers are sprayed on the crops to kill the pest. These chemicals kill the pest but at the same time reduce the quality of the top layer soil and gradually the fertility of the soild is lost. Once the soil is contaminated, it is not only the soil that gets affected but also affects the soil is lost. Once the soil is contaminated, it is not only the soil that gets affected but also affects the living particles dwelling on soil. Over the years, the hydro-projects have comtributed significantly to the economy of the country but it is not carried out in a responsible manner. Hydroelectric projects make the river water contaminated and hamful to the aquatic organisms to a larger extent. All these factors are the harbingers of environmental degradation. Economic development is good but it should be done without depletion of natural resources. Sustainable development and environmental management strategies has become the need of the hour for the conservation of the remaining natural resources. The present scenario of our world environment is deteriorating like never before and the one that will suffer the most at the end are the humans. Humans, the superior amongst all has crossed the limit of cruelty of morality. We have failed to protect our mother earth being the advanced being and still moving towards a direction which will lead to the destruction of human civilization. The only way to stop this is to protect our natural vegetation and eliminate the things that are harmful to our environment. More awareness programs should be conducted in the public places related to major environmental issues. All these problems can be solved by us if we develop the simple understanding in individual level and make a contribution towards the betterment of our planet. Inclucating some good habits like planting trees, use of paper bags instead of polythenes, proper disposal of plastics and garbages, proper use of water and electricity, can be cultivated in individual level if we really care to protect our environment. Usage of household materials that are eco friendly and discharges less toxic to the surroundings, recycling bio-degradable waste products etc. will really help in making a difference towards protecting our environment from degradation in coming years. Many NGOs have come up in many parts of India which are taking active role in paving young minds in a proper direction. They have proved to be a platform for us to gain an in depth understanding of some of the issues that plague India today. The NGOs conduct internship courses and programs, where they discuss the major environmental issues and its impact on our social life. They not only focus on the environment and development issues but also teach how to deal with the problem in a meaningful way. Many school and colleges have also taken initiatives by introducing environmental sciecne as a compulsory subject and conducting workshops on environment day (5th June) to raise awareness among students. Implementation of these steps will definitely bring a positive outlook amongst us towards our environment. We must realize that environment is not limited to fancy protocols and conventions in Cancun and Copenhagen but is a part of our daily lived experiences.❑

প্ৰবন্ধ সাহিত্য

# সন্তানৰ উত্তৰণৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ভূমিকা

গীতিকা তালুকদাৰ
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ

প্ৰতিগৰাকী পিতৃ-মাতৃৰ বাবে সন্তান বৰ মৰমৰ। প্ৰত্যেকেই নিজৰ সন্তানক লৈ সপোন দেখে, যি সপোন সফলভাৱে বাস্তৱত ৰূপায়িত হোৱাতো বিচাৰে। প্ৰকৃতাৰ্থত, অভিভাৱক হিচাপে সন্তানক লৈ সপোন দেখাতো নিশ্চয় অধিকাৰ আছে, কিন্তু সপোন দেখিবলৈ লৈ সন্তানক মানসিকভাৱে ভীতিগ্ৰস্ত হ'বলৈ বাধ্য কৰোৱাটো জানো যুক্তিসংগত হ'ব পাৰে? বৰ্তমানৰ প্ৰতি যোগিতাৰ যুগত কৰিবলৈ গৈ কিতাপৰ ডাঙৰ কৰিবলৈ বিচাৰে য'ত কিতাপৰ ওজন অধিক হয়। তেওঁলোকৰ জীৱনত নিজৰ সন্তানৰ জৰিয়তে সন্তানৰ সেই বিষয়ক বিষয়ৰ আশ্চৰ্যজনকভাৱে বহুতেই তুলনা কৰিবলৈ লয় যিটো কেতিয়াও গ্ৰহণযোগ্য বৌদ্ধিকভাৱে আন এনেক্ষেত্ৰত সন্তানক তুলনা যথেষ্ট ভাগি পৰে।



অভিভাৱকে সন্তনক অধিক যোগ্য বোজাটোৰ প্ৰতি আকৰ্ষিত শিশুসকলৰ দেহৰ ওজনতকৈ বহুসংখ্যক পিতৃ-মাতৃয়ে অসম্পূৰ্ণ হৈ যোৱা সপোনবোৰ পূৰ্ণ হোৱাটো বিচাৰে যদিও প্ৰতি অকণো আগ্ৰহ নাথাকে। নিজৰ সন্তানক আনৰ সন্তানৰ লগত শিশু মনোবিজ্ঞান অনুসৰি নহয়। কিয়নো, প্ৰতিটো শিশু এগৰাকী শিশুৰপৰা সম্পূৰ্ণ পৃথক। কৰিলে তেনে শিশু মানসিকভাৱে শিশুসকল ফুলৰ দৰেই কোমল; গতিকে শিশুসকলক মানসিকভাৱে আঘাট কৰি কলিতেই মৰহি যাবলৈ দিব নালাগে। প্ৰতিগৰাকী শিশু একক আৰু অনন্য; তেওঁলোকক কেতিয়াও আনৰ লগত তুলনা কৰা উচিত নহয়। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে নিজৰ সপোনবোৰ তেওঁলোকৰ সন্তানৰ জৰিয়তে পূৰণ কৰাৰ পৰিৱৰ্তে তেওঁলোক প্ৰকৃততে কোনটো বিষয়ত অধিক আগ্ৰহী, তাৰ ওপৰত মনোযোগী হোৱাটো প্ৰয়োজন। অন্যথা বহু শিশুৰ নিজস্ব প্ৰতিভা কলিতেই মৰহি যোৱাৰ সম্ভাৱনাই অধিক। ঘৰখনেই শিক্ষাৰ কঠিয়াতলী বুলি কোৱা হয়, সেয়েহে প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানক ঘৰতেই প্ৰাথমিক জ্ঞান যেনেঃ ডাঙৰক সন্মান কৰা, সমনীয়াৰ লগত যিকোনো খেলা সামগ্ৰী, খোৱা বস্তু ভগাই ল'বলৈ শিকা, নৈতিক শিক্ষা প্ৰদান কৰা, আধ্যাত্মিকতা জাগ্ৰত কৰিবলৈ নিতৌ প্ৰাৰ্থনাৰ ব্যৱস্থা কৰা ইত্যাদি উপযক্তভাৱে ব্যৱস্থা কৰা উচিত। বিদ্যায়তনিক দিশৰ লগতে সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীত যথেষ্ট সুযোগ আছে। সেয়েহে, সন্তানৰ আগ্ৰহ, ৰুচি, অভিৰুচিক সন্মান জনাই অভিভাৱকে তেওঁলোকৰ সামগ্ৰিক বিকাশত সহায় কৰিবলৈ দিক্ নিৰ্দেশক হোৱা উচিত। সমাজত কেৱল চোকা, মেধাৱী ল'ৰা-ছোৱালীয়ে নিজৰ লগতে পিতৃ-মাতৃ তথা সমাজৰ গৌৰৱ কঢ়িয়াই আনিছে বুলি ক'লে ভুল কোৱা হ'ব। কিয়নো পঢ়াত মজলীয়া বা অতি বেয়া ল'ৰা-ছোৱালীয়েও খেলা-ধূলা, সংগীত, অভিনয়ৰ জৰিয়তে নিজৰ লগতে পৰিয়াল তথা সমাজলৈ গৌৰৱ কঢ়িয়াই আনিছে। আহক, আমি প্ৰতিগৰাকী অভিভাৱকেই আমাৰ সন্তানৰ উত্তৰণৰ ক্ষেত্ৰত শিশু মনস্বত্ত অধ্যয়ন কৰি তেওঁলোকৰ প্ৰেৰণাৰ উৎস হ'বলৈ প্ৰয়াস কৰো।□



প্ৰবন্ধ সাহিত্য

# HAPPINESS IS NOT EXPENSIVE

**Kabyashri Hazarika**
Asstt. Professor, Dept. of Education

"Hapiness is a state of mind. It's just according to the way you look at things"

- Walt Disney

Hapiness! Isn't this a beautiful feeling? A feeling for whcicheveryone evdeavor, a feeling for which we all do, what we do in life. If is the ground of all human action, reaction, emotions, sentiments and what not.

For instance, a person may sing a song, write a song or listen to it but behind all his actions, he seeks for mental gratification or a zest that will make him happy and delighted. Basically, in any work a person get includged in, the motive is to seek happiness.It may come from the work he does, from the appreciation he receives, or from the wags he earns.

Happiness is th ultimate goal of every human being. We all are very familiar with cestain statements like "He may be rich but isn't happy or he may be poor but is contented". So, how does that realy come off? Primanly the key of happiness is nothing, but 'ACCEPTANCE'. People commonly lag behind this quality as they expect but can't accept. That is why certain traits should be developed by us so that we can lead a life which is happy and purposeful. Some of those qualities are as follows:-

Never Compare yourself with others. Comparision is similar to poison. It can dustroy and constructive thoughts, kill our inner potential and crippled our positivty. It hampers our self image and confidence.

"Simple live high thinking". The phrase never goes out of date. Sophistication is good but for those who can afferd it. Because buying an expensive item and crying everynight thinking about how to pay the debt is never going to keep you happy.

Sometimes, we feel our life to be fearless. In that regard, a 'to-do-list' can work wonders. Write down every signle work your meal, or to complete your math assigment. Put a '✓' mark on the work you have done. This little step may help you feel much better and accomplished in life.

Most of us believe in lord. Has anyone speculated about a spirtual outine? A regimen of 15 minutes of away from any godgets, human or pets and try to connect with the lord or the Universe. When we make an effort to do so, it makes us realize someone is protecting us, redeeming us from all the evils. To be precise, we can say a sense of redemotion can make us feel content, secured and blessed.

People typically say 'Do what makes you happy'. It is indeed one. But we should do what makes us happy without hurting the sentiments of others. We should not always focus one our won happiness instead we should try to bring a smile on others faces. Because attempting to make others happy is an ability, a power, a potential which everyone doesn't have. Thus one must try to acuire it to size a life without regret.

Ergo, we can conclude, "Happiness isn't expensive" we can attain it with patience, kidness, kolerance, empathy, loyality, helpfulness, selflessness simplicity–

"Happiness is not about getting all you want, it is about enjoying all you have".Hapiness! Isn't this a beautiful feeling? A feeling for whcicheveryone evdeavor, a feeling for which we all do, what we do in life. If is the ground of all human action, reaction, emotions, sentiments and what not.

For instance, a person may sing a song, write a song or

listen to it but behind all his actions, he seeks for mental gratification or a zest that will make him happy and delighted. Basically, in any work a person get included in, the motive is to seek happiness.It may come from the work he does, from the appreciation he receives, or from the wags he earns.

Happiness is th ultimate goal of every human being. We all are very familiar with cestain statements like "He may be rich but isn't happy or he may be poor but is contented". So, how does that realycome off? Primanly the key of happiness is nothing, but 'ACCEPTANCE'. People commonly lag behind this quality as they expect but can't accept. That is why certain traits should be developed by us so that we can lead a life which is happy and purposeful. Some of those qualities are as follows:-

Never Compare yourself with others. Comparision is similar to poison. It can dustroy and constructive thoughts, kill our inner potential and crippled our positivty. It harmpers our self image and confidence.

"Simple live high thinking". The phrase never goes out its date. Sophistication is good but for those who can afferd it. Because buying an expensive item and crying everynight thinking about how to pay the debt is never going to keep you happy.

Sometimes, we feel our life to be fearless. In that regard, a 'to-do-list' can work wonders. Write down every signle work your meal, or to complete your math assigment. Put a '✓' mark on the work you have done. This little step may help you feel much better and accomplished in life.

Most of us believe in lord. Has anyone speculated about a spirtual outine? A regimen of 15 minutes of away from any godgets, human or pets and try to connect with the lord or the Universe. When we make an effort to do so, it makes us realize someone is protecting us, redeeming us from all the evils. To be precise, we can say a sense of redemotion can make us feel content, secured and blessed.

People typically say 'Do what makes you happy'. It is indeed one. But we should do what makes us happy without hurting the sentiments of others. We should not always focus one our won happiness instead we should try to bring a smile on others faces. Because attempting to make others happy is an ability, a power, a potential which everyone doesn't have. Thus one must try to acuire it to size a life without regret.

Ergo, we can conclude, "Happiness isn't expensive" we can attain it with patience, kidness, kolerance, empathy, loyality, helpfulness, selflessness simplicity–

"Happiness is not about getting all you want, it is about enjoying all you have".❑

## সাঁথৰ

১। মই ভাত-পানী নাখাওঁ, দৰমহাও নলওঁ, তথাপিও আপোনাৰ ঘৰৰ সম্পূৰ্ণ পহৰা দিওঁ। কওকচোন মই কোন?

২। এক মাতৃৰ গৰ্ভত বহু পুত্ৰ সন্তান মাতৃৰ গালত আঘাত কৰি পুত্ৰই এৰে প্ৰাণ।

৩। এটা নিগনি এশ ধান কোটে, নেজত ধৰিলেই জাঁপ মাৰি উঠে।

৪। ৬টা আখৰ দি এজন বিখ্যাত মানুহৰ নাম, তাৰে আগৰ দুটা দি এপাহ ফুলৰ নাম, মাজৰ দুটা দি এজন ভগৱানৰ নাম, শেষৰ দুটা দি ৰঙৰ নাম।

উত্তৰঃ

১। তলা-চাবি ২। জুইশলা ৩। ঢেঁকী ৪। জৱাহৰলাল


সংগ্ৰহঃ **প্ৰিঞ্চিপ্ৰিয়া গগৈ**, স্নাতক, চতুৰ্থ ষাণ্মাসিক



প্ৰবন্ধ
সাহিত্য

# মহাবিদ্যালয় আৰু মানৱীয় প্ৰমূল্যবোধ

**যতীন্দ্ৰ নাথ শইকীয়া**
সহকাৰী অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ



শিক্ষাজগতত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণত মহাবিদ্যালয়বিলাকে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আমি দেখি আহিছোঁ। আগৰ তুলনাত বৰ্তমানৰ মহাবিদ্যালয়বিলাক আকাৰ দিশত ধুনীয়া হৈছে, ঘৰ-দুৱাৰ বাঢ়িছে, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী বাঢ়িছে, চৰকাৰী অনুদান বাঢ়িছে, শিক্ষকৰ বেতন বাঢ়িছে, পাঠদানৰ সময় বৃদ্ধি কৰা হৈছে। কিন্তু পৰিতাপৰ কথা যে পাঠ গ্ৰহণৰ মনোযোগ কমিছে। ইমানবোৰ সা-সুবিধা বৃদ্ধি হোৱাৰ পিছত শিক্ষাৰ মানদণ্ড যিমান বৃদ্ধি পাব লাগিছিল সেই অনুপাতে বৃদ্ধি হোৱা পৰিলক্ষিত হোৱা নাই। এনেধৰণৰ কথাবোৰে প্ৰকৃততে কিহৰ ইংগিত বহন কৰিছে সেইটো এটা অতি মন কৰিবলগীয়া কথা।

মহাবিদ্যালয় শব্দটোৰ মহান অৰ্থ আছে। শিক্ষাৰ ক্ষেত্ৰত জ্যেষ্ঠ তথা শ্ৰেষ্ঠ বিদ্যালয়, আকাৰত প্ৰকাৰত মহান, ঈশ্বৰ উপাসনা গৃহৰ দৰে অতি পৱিত্ৰ স্থান। মহাবিদ্যালয়ত জ্ঞানৰ উপাসনা কৰা হয়, জ্ঞানৰ সাধনা কৰা হয়। মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক নান্দনিক দৃষ্টি দিব পাৰে, মুখৰ মাত আৰু পেটৰ ভাত দিব পাৰে। মহাবিদ্যালয়ে মহামানৱ হোৱাৰ সেন্দুৰীয়া পথ দেখুৱাব পাৰে। কিন্তু মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীৰ, শিক্ষক-শিক্ষয়িত্ৰীৰ উশৃঙ্খল কাৰ্যকলাপে এনে মহান অনুষ্ঠানৰ পৱিত্ৰতা নষ্ট কৰিব পাৰে। তাৰ মাজতে বহু আদৰ্শৱান ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিয়ে মহাবিদ্যালয়ত পঢ়া ছাত্ৰ-ছাত্ৰীৰ মন মহান হ'ব লাগিব। নীলা আকাশৰ দৰে বিশাল হ'ব লাগিব। পাহাৰৰ দৰে উচ্চ হ'ব লাগিব। শৰতৰ নিয়ৰৰ দৰে শুভ্ৰ হ'ব লাগিব। বহু ছাত্ৰ-ছাত্ৰীয়ে তেনে মহান গুণ আহৰণ কৰি মহান হৈছে। আনহাতে কিন্তু বহুসংখ্যকেই তেনে বিশালতা লাভ কৰিব পৰা নাই। মহাবিদ্যালয়ত পঢ়িও বহু ছাত্ৰ-ছাত্ৰী স্বাৰ্থপৰ আৰু ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। নিজৰ বাহিৰে আনৰ কথা ভাবিব নোৱাৰা হৈছে। সমাজৰ কথা, দেশ আৰু জাতিৰ কথা ভাবিব নোৱাৰা হৈছে। বহু ছাত্ৰ-ছাত্ৰীয়ে আনকি নিজ পিতৃ-মাতৃক শ্ৰদ্ধা ভক্তি কৰিবলৈ নিশিকে। গাঁৱৰ জ্যেষ্ঠ, মান্যজনক সন্মান কৰিব নাজানে, শিক্ষাগুৰুক শ্ৰদ্ধা ভক্তি কৰিব নোৱাৰে তেনেহ'লে ক'ৰবাত শিক্ষাক ক্ষেত্ৰত কেৰোণ লাগিছে নেকি বাৰু?

মহাবিদ্যালয়ৰ শৈক্ষিক উত্তৰণত যথেষ্ট সমস্যা আছে। তাৰ ভিতৰত প্ৰধান সমস্যাবোৰ হ'ল উচ্ছৃঙ্খল ছাত্ৰ-ছাত্ৰী, আদৰ্শহীন শিক্ষক, ত্ৰুটিপূৰ্ণ পাঠ্যক্ৰম, অবাঞ্ছিত ৰাজনৈতিক হস্তক্ষেপ, সচেতনতাহীন অভিভাৱক, প্ৰদূষিত সামাজিক বাতাবৰণ,

নেতৃত্বৰ দুৰ্বলতা ইত্যাদি। ইয়াৰে বহুকেইটা সমস্যা বাহ্যিক আৰু আত্মিক তথা আভ্যন্তৰীণ। বাহ্যিক সমস্যাবোৰ সমাধান কৰিব পাৰি, কিন্তু আত্মিক সমস্যাবোৰ সমাধান কৰিবলৈ সময় লাগে, প্ৰস্তুতি লাগে। কেৱল মাত্ৰ পাঠ্যক্ৰম সলনি কৰি, শিক্ষকক বদলি বা বহিস্কাৰ কৰিলেই সমস্যাবোৰ সমাধান নহয়। এনে সমস্যা সমাধান কৰিবলৈ এটা উপায় হৈছে মূল্যবোধৰ শিক্ষা, মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা। এনে শিক্ষাই মানুহক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পাৰিব। ছাত্ৰ-ছাত্ৰীক আদৰ্শৱান ছাত্ৰ-ছাত্ৰী কৰিব পাৰিব, শিক্ষকসকলো আদৰ্শৱান হ'ব। তেতিয়া মহাবিদ্যালয়ৰ পৰিৱেশ শান্ত সমাহিত হ'ব, "NAAC"ৰ প্ৰতিবেদনত ভাল GRADE পাবলৈও সক্ষম হ'ব।

উচ্চ শিক্ষাৰ বৰ্তমান এক ব্যাধি হৈছে ৰেগিং। একালত ৰেগিং শিক্ষাৰ বাবে সম্পদ আছিল। কিন্তু আজি আপদ হৈ পৰিছে। ৰেগিং জ্যেষ্ঠ আৰু নৱাগত ছাত্ৰ-ছাত্ৰীৰ পৰিচয় বিনিময়, সম্ভাৱ, সম্প্ৰীতিৰ বিনিময় আছিল। আজিৰ ৰেগিঙত সম্ভাৱ-সম্প্ৰীতি, মমতা, স্নেহৰ বান্ধোন নাই। উচ্চতম ন্যায়ালয়ে ৰেগিঙৰ ক্ষেত্ৰত আৰু পাণ-তামোল, ধপাতৰ দোকান ২০০ মিটাৰ পৰ্যন্ত থাকিব নোৱাৰিব আদি কঠোৰ নিৰ্দেশ দিছে। কিন্তু এনে সমস্যা নিৰ্মূল কৰিব পৰা নাই। পূৰ্বৰ তুলনাত বাঢ়িছেহে। সেইকাৰণে বাহ্যিক নিৰ্দেশনাতকৈ ছাত্ৰ-ছাত্ৰীৰ আত্মিক নিৰ্দেশৰ প্ৰয়োজনীয়তা আছে। ছাত্ৰ-ছাত্ৰীয়ে মুল্যবোধৰ জ্ঞান পাব লাগিব। সুস্থ জীৱনবোধৰ কথা উপলব্ধি কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীয়ে ৰেগিঙৰ প্ৰকৃত লক্ষ্য-উদ্দেশ্যৰ সৈতে চিনাকী হৈ বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব পাৰিব।

এইখন দেশৰ প্ৰাচীন শিক্ষা পদ্ধতিৰ নিৰ্দিষ্ট ক্ৰম আছিল ক্ৰমে ধৰ্ম, অৰ্থ কাম আৰু মোক্ষ। ছাত্ৰ-ছাত্ৰীক প্ৰথমতে ধৰ্মৰ শিক্ষা দিছিল। তাৰ পিছত ক্ৰমে অৰ্থ উপাৰ্জন, কামনা-বাসনা পূৰণ আৰু শেষত মোক্ষ প্ৰাপ্তিৰ শিক্ষা। ধৰ্মীয় তথা নৈতিক মূল্যবোধৰ শিক্ষাই অৰ্থ আৰু কামক মাৰ্গ দৰ্শন কৰাইছিল। সৎ পথেৰে অৰ্থ উপাৰ্জন আৰু সু-শৃঙ্খলিতভাৱে কামৰ চৰিতাৰ্থ পাইছিল। কিন্তু আজিৰ শিক্ষা ব্যৱস্থাত সকলোবোৰ খেলিমেলি হৈ গ'ল। প্ৰথমতে অৰ্থ উপাৰ্জনৰ পথত মানৱীয় প্ৰমূল্যবোধ হেৰাই গ'ল। ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত উশৃঙ্খলতা বাঢ়িল। জীৱনৰ লক্ষ্য উদ্দেশ্য পৃথক হ'ল। লক্ষ্য হ'ল ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱা, সকলোতকৈ বিত্তৱান আৰু সম্পদশীল হ'ল। বাইবেলত কৈছে— 'Man can not live by bread alone'. শাৰীৰিক আৰু বৈষয়িক প্ৰয়োজনে মানুহক শান্তি দিব নোৱাৰে। সুখ-শান্তি পাবলৈ হ'লে মূল্যবোধৰ আশ্ৰয় ল'ব লাগিব। মানৱীয় প্ৰমূল্যবোধৰ বিষয়ে জানিব লাগিব। তেতিয়াহে ছাত্ৰ-ছাত্ৰীৰ জীৱন সফল হ'ব।

মহাবিদ্যালয়ৰ শৈক্ষিক উত্তৰণৰ মুখ্য চাবিকাঠি হ'ল শিক্ষক সমাজ। শিক্ষকে ছাত্ৰ-ছাত্ৰীক ব্যাপক জ্ঞানৰ সন্ধান দিব লাগে। নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক মূল্যবোধৰ শিক্ষা দিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ ব্যক্তিত্ব আৰু আদৰ্শক অনুকৰণ কৰে, সেইবাবে প্ৰত্যেকজন শিক্ষক আদৰ্শৱান হ'ব লাগিব। শিক্ষকেই যদি আদৰ্শৱান নহয় তেন্তে ছাত্ৰ-ছাত্ৰীয়ে কাক অনুকৰণ কৰিব? শিক্ষকে নিজে মূল্যবোধত দীক্ষিত নহ'লে আনক শিক্ষা কেনেকৈ দিব। সেইকাৰণে প্ৰমূল্যবোধৰ বহুল চৰ্চা আৰু প্ৰসাৰৰ প্ৰয়োজনীয়তা আহি পৰিছে। শিক্ষকসকল প্ৰমূল্যবোধৰ প্ৰবক্তা হ'ব লাগিব। তেতিয়াহে উচ্চ শিক্ষাৰ উত্তৰণ হ'ব আৰু ছাত্ৰ-ছাত্ৰীৰো উত্তৰণ ঘটিব। প্ৰমূল্যবোধৰ বাবেই মানুহ আন প্ৰাণীতকৈ শ্ৰেষ্ঠ। প্ৰমূল্যবোধে মানুহক জীৱন পদ্ধতি শিকাই, নীতি আদৰ্শ শিকাই, প্ৰমূল্যবোধে ব্যক্তি জীৱন নিয়ন্ত্ৰণত ৰাখে, সমাজ জীৱন নিয়ন্ত্ৰণ কৰে। সেই কাৰণে যুগে যুগে প্ৰমূল্যবোধৰ শিক্ষাই বিশেষ মৰ্যাদা পাই আহিছে। প্ৰতিজন অভিভাৱকে প্ৰমূল্যবোধৰ বিচাৰ কৰিব লাগিব; তেতিয়াহে সন্তানসকলে প্ৰমূল্যবোধৰ শিক্ষা পাব। প্ৰতিজন শিক্ষকে যদি তেনে বিচাৰ লয়, প্ৰতিজন ছাত্ৰ-ছাত্ৰী প্ৰমূল্যবোধৰ অধিকাৰী হ'ব। তেতিয়া ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত সত্য-শিৱ-সুন্দৰে স্থান পাব। ছাত্ৰ-ছাত্ৰীৰ নৈতিক, আধ্যাত্মিক গুণৰ বিকাশ হ'ব। তেওঁলোকৰ আচাৰ-আচৰণ, স্বভাৱ-চৰিত্ৰ শৰতৰ নিয়ৰৰ কণিকাৰ দৰে শুভ্ৰ আৰু পৱিত্ৰ হ'ব। তেতিয়াহে উচ্চ শিক্ষাৰ উচ্চতা ৰক্ষা হ'ব। মহাবিদ্যালয়ৰ মহানতা প্ৰতিপন্ন হ'ব।□



প্ৰবন্ধ
সাহিত্য

# পদাৰ্থ বিজ্ঞান আৰু বিজ্ঞানী পল ডিৰাক

লক্ষ্মী বৰুৱা
স্নাতক, ষষ্ঠ ষাণ্মাসিক

কুৰি শতিকাৰ সবাতোকৈ প্ৰখ্যাত আগশাৰী পদাৰ্থ বিজ্ঞানীসকলৰ ভিতৰত অন্যতম হ'ল বৈজ্ঞানিক পল ডিৰাক। যাৰ সম্পূৰ্ণ নাম পল এড্ৰিয়ান মৰিছ ডিৰাক (Paul Adrien Maurice Dirac)। ডিৰাকক আধুনিক পদাৰ্থ বিজ্ঞানৰ "প'য়েট ল'ৰিয়েট (Poet Laureate)" বুলি অৰ্থাৎ "ৰাজকবি" বুলি কোৱা হয়। যি আধুনিক পদাৰ্থ বিজ্ঞানৰ (Modern Physics) কালেকেইটি বুনিয়াদী সমীকৰণৰ ৰচয়িতা, যিবোৰ সমীকৰণক "বিজ্ঞানৰ কবিতা" হিচাপে আখ্যা দিব পাৰি আৰু সেই কাৰণতে ডিৰাকক পদাৰ্থ বিজ্ঞানৰ ৰাজকবি বুলি কোৱা হয়। ডিৰাকৰ সবাতোকৈ বিখ্যাত সমীকৰণটোৱে প্ৰতি পদাৰ্থৰ (antimatter) অস্তিত্বৰ ভৱিষ্যতবাণী প্ৰদান কৰছিল। ডিৰাকে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে পদাৰ্থ বিজ্ঞানৰ বুনিয়াদী বিধি আৰু সূত্ৰবোৰৰ অপূৰ্ব গাণিতিক সৌন্দৰ্য আছে। ডিৰাক ধাৰ্মিক নাছিল কিন্তু গাণিতিক সৌন্দৰ্যৰ সম্পৰ্কে থকা তেওঁৰ বিশ্বাস প্ৰায় ধৰ্মীয় বিশ্বাসৰ সমপৰ্যায়ৰ আছিল।



মাত্ৰ ২৮ বছৰ বয়সতে লণ্ডনৰ ৰয়েল চ'চাইটিৰ সদস্য আৰু ৩০ বছৰ বয়সতে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ নিউটনে এৰি থৈ যোৱা লিউকেচিয়ান অধ্যাপকৰ পদঅধিষ্ঠিত হৈছিল। ডিৰাকৰ জন্ম হয় ১৯০২ চনৰ ৮ আগষ্টত ইংলেণ্ডৰ ব্ৰিষ্টেলত অৱস্থিত তেওঁৰ নিজগৃহত। ডিৰাকে ১৯২১ চনত ব্ৰিষ্টে বিশ্ববিদ্যালয়ৰপৰা ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰিঙৰ ডিগ্ৰী লাভ কৰে। কিন্তু গণিত বিষয়ৰ প্ৰতি মন ঢাল খোৱাৰ কাৰণে ব্ৰিষ্টেল বিশ্ববিদ্যালয়ত গণিত পঢ়িবলৈ লয়। ১৯২৩ চনত তেওঁ গণিতত অনাৰ্চ ডিগ্ৰী লাভ কৰে। পিছলৈ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা কোৱাণ্টাম মেকানিক্সৰ ওপৰ গৱেষণা কৰি Phd ডিগ্ৰী লাভ কৰে।

ডিৰাকৰ আটাইতকৈ মহত্বপূৰ্ণ আৱিস্কাৰ বুলি ধৰা হয় তেওঁৰ 'ডিৰাক সমীকৰণ' নামৰ প্ৰখ্যাত তত্বটো। এই সমীকৰণৰ দ্বাৰা তেওঁ ফাৰ্মিয়ান (Fermions) নামৰ এক শ্ৰেণীৰ মৌলিক কণিকাৰ (Elementary Particles) চৰিত্ৰ বৈশিষ্ট্য আদি অধ্যয়ন কৰিছিল আৰু ই প্ৰতিকণা (Anti Particle)ৰ অস্তিত্ব আছে বুলি পোনপ্ৰথমবাৰৰ বাবে দাবী কৰিছিল।

ডিৰাকৰ সমীকৰণটো কি তাক বিশ্লেষণ কৰিবলৈ আমি দুটা পদাৰ্থ বিজ্ঞানৰ তত্ব জ্ঞাত হ'ব লাগিব। প্ৰথমটো হ'ল এলবাৰ্ট আইনষ্টাইনৰ সধাৰণ আপেক্ষিকতাবাদ (General theory of Relativity) আৰু দ্বিতীয়টো হ'ল মেক্স প্লেংক, নীলছ বৰ, পল ডিৰাক, বাৰ্ণাৰ হাইজেনবাগ, আৰউইন শ্ৰুদিঞ্জাৰ আদি বিজ্ঞানীৰ

সন্মিলিত প্ৰচেষ্টাত প্ৰাণ পাই উঠা কোৱাণ্টাম বল বিজ্ঞান (Quantum Mechanics)। [illegible] বস্তুবোৰ যেনে নক্ষত্ৰ, তাৰকাৰাজ্য (Galaxy), কৃষ্ণ গহ্বৰ (Black Hole), আদিৰ বিষয়ে [illegible] বলবিজ্ঞানে বিশ্বব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰতম অংশসমূহ যেনে মৌলিক কণিকাসমূহ আৰু [illegible] তত্ত্বই এটাই আনটোৰ সাপেক্ষে বিপৰীত। কিন্তু পল ডিৰাকে এই তত্ত্ব দুটাৰ মাজৰ [illegible] বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্য আৰু ধৰ্মসমূহ ব্যাখ্যা কৰিছিল। কোৱাণ্টাম বলবিজ্ঞানক [illegible] পোৱা সমীকৰণটোকে ডিৰাকৰ সমীকণৰ বুলি আখ্যা দিয়া হয়। ১৯৩১ চনত [illegible] এটা নতুন কণিকাৰ ভৱিষ্যতবাণী কৰিব পাৰে। এই নতুন কণিকাটোৰ [illegible] (ইকেলট্ৰন ঋণাত্মক আধানযুক্ত কণিকা)। এই কণিকাটোৰ নাম হ'লগৈ প্ৰতি [illegible] (Anti electron বা Positron)। এই আৱিস্কাৰৰ বাবেই ১৯৩৩ চনত ৩১ বছৰ বয়সত ডিৰাকে পদাৰ্থ বিজ্ঞান [illegible]।

আধুনিক বিশ্বতত্ত্বৰ মতে বিগ বেং (Big Bang) বা মহানাদৰ [illegible] পদাৰ্থত সিমান পৰিমাণৰেই আছিল। কোনো এক মুহূৰ্তত এই [illegible] প্ৰাধান্য বেছি।

ডিৰাকে তেওঁ নান্দনিক কৌশলেৰে ১৯৩১ চনত আৰু এটা [illegible] সমীকৰণৰ সমাধান কৰি তেওঁ এটা মেৰুৰ চুম্বকত্বৰ (Unipolar magnetism) [illegible] বিজ্ঞানলৈ ডিৰাকে আগবঢ়াই যোৱা অৱদান আৰু তেওঁৰ শৈলী আৰু কৌশলে [illegible] (String theory) [illegible] প্ৰভাৱিত কৰিছে। ৰজ্জু তত্ত্ব অনুসৰি সকলো [illegible] এশ কোটি ভাগৰ এশ কোটি ভাগৰ [illegible] (10⁻³³) [illegible] কণিকাবোৰ কিছুমান স্পন্দিত [illegible]।

ডিৰাকে নান্দনিকতাক তাত্ত্বিক পদাৰ্থ বিজ্ঞানত [illegible] সমাধান কৰাৰ পৰিৱৰ্তে তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ [illegible] কাজৰ বিষয়ে লিখা এটা আলোচনাত লিখিছিল যে "Simply examining quantities that [illegible] and trying to fit them together in an interesting way, regardless of any application the work [illegible]" [illegible] এলবাৰ্ট আইনষ্টাইনে ডিৰাকৰ বিষয়ে এনেদৰে লিখিছিল "This balancing on the [illegible] path between genius and madness is awful". অৰ্থাৎ "অসাধাৰণ আৰু পাগলামিৰ মাজৰ [illegible]"

ডিৰাকে জীৱনৰ অন্তিম কালছোৱা ফ্ল'ৰিডা ষ্টেট ইউনিভাৰছিটিত [illegible] বৰঙণি আগচাই ১৯৮৪ চনত পল ডিৰাকে শেষ নিঃশ্বাস ত্যাগ কৰে। [illegible]

ইতৰ জীৱবোৰৰ ফেচবুক থকা হ'লে সিহঁতে ষ্টেটাছ কেনেকৈ দিলেহেঁতেন [illegible]

পইতাঁচোৰা ঃ আজি অলপৰ বাবেহে বাচিলো। মোক দেখি এজনী ঘৈৰালীয়ে [illegible] ভগৱানে বচালে।

মেকুৰী ঃ কি যে বিপদত পৰিলো। মোৰ সাত নম্বৰ পোৱালিটোৰে [illegible] পোৱা নাই? মই দেখোন নিজেই নাজানো।

মহ ঃ সকলো কুশলে থাকিব। এইটোৱেই হয়তো মোৰ অন্তিম ষ্টেটাছ, [illegible] শুহিবলৈ গৈছিলো। মই আৰু কাকো মুখ দেখুৱাব নোৱাৰিম, মোৰ মৃত্যুৰেই [illegible]।

গাহৰি ঃ কোন হাৰামজাদাই জানো উৰাবাতৰি উৰুৱাই আছে, মই [illegible]

কুকুৰা ঃ কাইলৈ পুৱা যদি মোৰ ষ্টেটাছ নোপোৱা তেনেহ'লে ধৰি ল'বা KFC [illegible]


পৰুৱা ঃ ইছ ৰাম, বৰুৱানী বাইদেউ ইমান কনজুচ, চেনীৰ বটলত [illegible]

[illegible]



# তুলসীৰ ঔষধি গুণ

বৰষা গগৈ
স্নাতক, চতুৰ্থ ষাণ্মাসিক




যাৰ ঘৰত তুলসী থাকে, সেই ঘৰ তীৰ্থৰ দৰে পৱিত্ৰ হয়। তুলসী গছ হাতেৰে স্পৰ্শ কৰিলে সকলো পাপ নাশ হয় বুলি বিশ্বাস কৰা হয়। প্ৰতিঘৰ মানুহৰ চোতালত পূব ফালে তুলসী গছ থাকিলে সৌভাগ্যৱান বুলি কোৱা হয়। সংস্কৃত ভাষাত এষাৰ কথা আছে — "তুলনা নাস্তি অথৈৰ তুলসী'। অৰ্থাৎ যাৰ গুণৰ তুলনা নাই সেয়াই তুলসী। ইয়াক দেৱীজ্ঞান কৰি মানুহে পূজা কৰে। সেয়েহে অসমীয়াৰ প্ৰতিঘৰ মানুহে আহিন কাতিৰ সংক্ৰান্তিত তুলসী ৰোপন কৰি আৰাধনা কৰে। শাস্ত্ৰ অনুসৰি যি ঠাইত তুলসী থাকে, তাত হেনো বিষ্ণুভক্ত বৈষ্ণৱ আৰু শ্ৰীহৰি ভগৱান বিৰাজ কৰে। ভাৰতবৰ্ষত কেইবা প্ৰকাৰৰ তুলসী আছে। ক'লা তুলসী, ৰাম তুলসী, ফুলাল তুলসী, বন তুলসী। তুলসী এবিধ ৰাসায়নিক গুণসম্পন্ন ঔষধি গছ। তুলসীৰ ঔষধি গুণ কিছুমান হ'ল—

১/ ঘুৰণীয়া কৃমি হ'লে তুলসী পাতৰ ৰস খালে কৃমি নাশ হয়।

২/ তুলসীপাত খালে তেজ পৰিস্কাৰ হয়।

৩/ তুলসী পাতৰ চাহ খালে যকৃতৰ ৰোগ নিৰাময় হয়।

৪/ তুলসী ৰসৰ লগত মৌ খালে কাহ, কফ, জ্বৰ কমে।

৫/ তুলসী পাত নিয়মীয়াকৈ খালে ডায়েৰিয়া হ্ৰাস পায়।

৬/ তুলসীৰ পাত খালে মুখৰ দুৰ্গন্ধ নাশ হয়।

৭/ তুলসীৰ পাত ঠাণ্ডা পানীত তিয়াই থৈ পিছদিনা সেই পানীৰে মুখ ধুলে মুখৰ ক'লা দাগ নাইকিয়া হয়।

গুণাগুণ আৰু কাৰিকৰী জ্ঞান ঃ

সৰু সৰু ল'ৰা-ছোৱালীৰ চৰ্দি, কাহত তুলসী অমৃতৰ নিচিনা গুণকাৰক। বিশেষকৈ কফ গলাই বাহিৰ কৰি দিয়াত তুলসী অধিক ফলদায়ক।

কোনো তেজৰ দোষ আৰু কুষ্ঠাদি ৰোগতো তুলসী বৰ উপকাৰী। তুলসীৰ কেঁচা পাত বা শুকান পাত অলপ চুণৰ লগত মিহলাই ঘঁহি দিলে খৰ-খজুৱতী নাইকিয়া হয়।


বিষম জ্বৰ হ'লে তুলসী পাতৰ ৰসৰ লগত জালুক গুৰি কৰি মিহলাই ব্যৱহাৰ কৰিলে জ্বৰ উপশম হয়।□

প্ৰবন্ধ
সাহিত্য

# অসমীয়া ভাষা, সাহিত্যৰ সংকট আৰু আমি অসমীয়াসকল

**দ্বীপশিখা খামন**
স্নাতক, ষষ্ঠ যাণ্মাসিক

অসমীয়া ভাষা সাহিত্য সদায়ে যেন এক কংকটৰ মাজেৰে জীয়াই থাকিবলগীয়া হৈ আছে। অতীজৰেপৰা অসমীয়া ভাষা সাহিত্যই নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সদায়ে কষ্ট কৰিবলগীয়া হৈছিল। এটা সময় আছিল আহোম ৰজা চুকাফাই ক'ব পাৰি। ইয়াণ্ডাবু সন্ধি [illegible] আৰু অসমত ব্ৰিটিছ ৰাজত্ব [illegible] প্ৰথম কেইবছৰমান অসমত অসমীয়া [illegible] যদিও ১৯৩৫ চনত ইংৰাজী ভাষাক [illegible] স্বীকৃতি



ৰে অসম গঢ়াৰ বাবে অসমীয়া ভাষাক এক সুকীয়া মৰ্যাদা প্ৰদান কৰি ৰাজভাষা কৰিছিল। আহোম ৰাজত্ব কালত ৰাজভাষাৰ মৰ্যাদা পোৱা অসমীয়া ভাষা আজি যেন অসমীয়া মানুহ মাজতে এলাগী হৈ পৰিছে। আজি বহুতো অসমীয়া মানুহে নিজৰ ভাষাটো লিখিব পৰাটো দূৰৰে কথা ভালদৰে শুদ্ধকৈ ক'বও নোৱাৰা হৈ আহিছে।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ হাতলৈ যোৱাৰপৰাই অসমীয়া ভাষাৰ সংকট কাল আৰম্ভ হোৱা বুলি দিয়া হ'ল। [illegible] স্থানীয় ভাষাক স্বীকৃতি দিয়া হয় [illegible] কামৰ [illegible] ব্ৰিটিছ [illegible] বঙালী মানুহ [illegible] অসমীয়া [illegible] স্থান [illegible]। [illegible] চৰকাৰী ভাষা হিচাপে স্থান পালে। সেই [illegible] অসমীয়া বুলি কোনো [illegible] বঙালী ভাষাৰে [illegible] নতুন [illegible] কথাত ভোল গৈ অসমত অসমীয়াৰ সলনি বঙালী ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিলে। যদিও তাৰ বহু বছৰ আগতেই আত্মাৰাম শৰ্মাই অসমীয়ালৈ অনুবাদ কৰা বাইবেল প্ৰকাশ হৈছিল। সেই সময়ত অসমত শিক্ষিত মানুহৰ সংখ্যা নিচেই কম আছিল। সহজ-সৰল হোজা অসমীয়া মানুহে এইবৰে চক্ৰান্তৰ কথা একো গ'ম পোৱা নাছিল। সেয়েহে সেই সময়তে অসমীয়া ভাষা বহু পিছপৰি গ'ল। ভাষাৰ এই সংকটৰ সময়তে আমেৰিকান বেপ্তিষ্ট মিছনৰ নেথান ব্ৰাউন, মাইলছ ব্ৰনচন আদি লোকসকল ধৰ্ম প্ৰচাৰৰ বাবে অসমত প্ৰৱেশ কৰে। তেওঁলোকে বুজিছিল যে স্থানীয় ভাষা নাজানিলে তেওঁলোকে অসমীয়া মানুহৰ মাজত সোমাব নোৱাৰিব আৰু তেতিয়া ধৰ্ম প্ৰচাৰ সম্ভৱ নহ'ব। সেয়েহে তেওঁলোকে কষ্ট ৰি অসমীয়া ভাষা শিকি বুজি লয় আৰু তেওঁলোকে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আদি প্ৰণয়নৰ কাম আৰম্ভ কৰে। তেওঁলোকে বহু কষ্ট কৰি বাতৰি কাকত আলোচনী আদি উলিয়াই অসমত ধৰ্ম প্ৰচাৰৰ বাবে চেষ্টা চলায়। মিছনেৰীসকলে শিৱসাগৰত এটা ছপাশাল পাতি লয় আৰু তাৰপৰাই ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰথম অসমীয়া বাতৰি কাকত 'অৰুণোদয়' প্ৰকাশ কৰে। নজনা-নুশুনা ভাষা এটা শিকি সেই ভাষাত ব্যাকৰণ, অভিধান প্ৰণয়ন কৰি বাতৰি কাকত উলিওৱাৰ নিচিনা দুৰহ কাম এটা কৰি অসমীয়া ভাষাক নতুনকৈ প্ৰাণ দিয়ে। ক'ব গ'লে 'অৰুণোদয়' কাকতৰ যোগেদি অসমীয়া ভাষাই পুনৰ স্বীকৃতি পাইছিল।

মিছনেৰীসকলে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আদি ছপা কৰি অসমীয়া ভাষা পুনৰ উদ্ধাৰ কৰাৰ চেষ্টা কৰাৰ সময়তে অসমীয়া ডেকা আনন্দৰাম ঢেকিয়াল ফুকনদেৱে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ 'অসমীয়া ল'ৰাৰ মিত্ৰ' (১৮৪৯) লিখি উলিয়াই আৰু তেওঁ অৰুণোদয় কাকততো লিখা-মেলা কৰিছিল।

সেই সময়ত অসমৰ বহুতো মেধাৱী ছাত্ৰই উচ্চ শিক্ষাৰ বাবেই কলিকতা, বাৰাণসী আদি ঠাইলৈ পঢ়িবলৈ গৈছিল। অসমীয়া ভাষাক কৰা এনে অন্যায় দেখি সেই সময়ত কলিকতাত পঢ়ি থকা অসম সন্তান লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, যতীন্দ্ৰনাথ দুৱৰা, চন্দ্ৰকুমাৰ আগৰৱালা আদিয়ে অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা (অ ভা উ সা স)ৰ জন্ম দিয়ে আৰু তেওঁলোকে তেওঁলোকৰ বিভিন্ন লেখনিৰ যোগেদি অসমীয়া মানুহ মাজত সজাগতাৰ সৃষ্টি কৰি অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাতে অসমীয়া ভাষাই নতুনকৈ প্ৰাণ পাই সজীৱ হৈ উঠিছিল।

১৯১৭ চনত পদ্মনাথ গোহাঞিবৰুৱাক সভাপতি হিচাপে লৈ অসম সাহিত্য সভাৰ জন্ম হয়। অসম সাহিত্য সভাৰ মূল উদ্দেশ্য আছিল অসমীয়া ভাষা সাহিত্যৰ উন্নতি সাধন।

আজিৰপৰা বহুবছৰ আগতেই অৰ্থাৎ ১৯৬০ চনতেই ৰাজ্যভাষা আইন গৃহীত হ'ল যদিও আজি ইমান বছৰে ৰাজ্য চৰকাৰে ৰাজ্য ভাষাৰ প্ৰয়োগ বাধ্যতামূলক নকৰাত চৰকাৰৰ কোনো কাৰ্যালয়তে ৰাজ্য ভাষাৰ প্ৰয়োগ দেখা নাযায়। অসমৰ নিচিনা কোনো ৰাজ্যতে হয়তো নিজৰ ভাষাটোৰ এনেকুৱা দুৰ্গতি হোৱা নাই।

অসম চৰকাৰৰ কোনো ধৰা-বন্ধা শিক্ষানীতি, ভাষানীতি নাই বুলিবই পাৰি। ইয়াৰে সুযোগ লৈ য'তে ত'তে ইংৰাজী মাধ্যমৰ বিদ্যালয়ে গা কৰি উঠিছে। বিবোৰ বিদ্যালয়ত অসমীয়া ভাষা ভালদৰে শিকোৱা হৈছেনে নাই তাৰ খবৰ কৰাটো কোনো নাই। আনহাতে লাখ লাখ অবৈধ বাংলাদেশীৰ প্ৰব্ৰজনৰ ফলত অসমৰ জনগাঁথনিৰ পৰিৱৰ্তন ঘটোৱাৰ লগতে অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা দিনক দিনে কৰি আহিব ধৰিছে। এনেদৰে চলি থাকিবলৈ হ'লে অতি সোনকালে অসমীয়া ভাষা তথা অসমীয়া জাতি পৃথিৱীৰপৰা হেৰাই যাব। সেয়েহে সময় থাকোতেই আমি ইয়াৰ বাবে ব্যৱস্থা ল'ব লাগে। ৰাজ্য ভাষা আইনৰ উপযুক্ত প্ৰয়োগ হ'ব লাগে। এই ক্ষেত্ৰত চৰকাৰৰ উপযুক্ত নীতি নিৰ্দেশনা থাকিব লাগে। চৰকাৰী কাৰ্যালয়ত যাতে ৰাজ্যভাষাৰ ব্যৱহাৰ হয় তাৰ বাবে চকু দিব লাগে। শেষত আমি অসমীয়াসকল নিজেই সচেতন হৈ নিজৰ ভাষাটো মৰ্যাদা সহকাৰে জীয়াই ৰাখিবলৈ সকলো প্ৰকাৰৰ চেষ্টা চলাব লাগিব। তাৰবাবে আমাৰ নতুন প্ৰজন্মক নিজৰ ভাষাটো শুদ্ধ ৰূপত শিকাৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। নহ'লে আমি অসমীয়াসকল নিজৰ মাটিতে এলাগী হ'ব লাগিব।□

প্ৰবন্ধ
সাহিত্য

# বিহু ঃ অতীত আৰু সাম্প্ৰতিক সময়


সংগীতা কোঁচ
স্নাতক, পঞ্চম ষাণ্মাসিক


*“এ বিহু মাথোঁ এটি উৎসৱ নহয়
নহয় ই কেৱল এটি নাচ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাঁচ”*

মানুহ আৰু জীৱন-জন্তুৰ মাজত পাৰ্থক্য এইটোৱেই যে, মানুহে শৰীৰ পুষ্টি সাধনৰ লগতে মানসিক শান্তি বিচাৰে। গীত-নৃত্য, আমোদ-প্ৰমোদ, ৰং-ৰইচ, মনৰ আদান-প্ৰদানৰ মাজেদি মানুহে জীৱন যাপন কৰি ভাল পায়। অতীজৰেপৰা অসমীয়া জাতিয়ে বিহু পালন কৰি আহিছে। ই আমাৰ বাপতি সাহোন। বিহু প্ৰতিজন অসমীয়াৰ প্ৰাণৰ আপোন। গণশিল্পী ড° ভূপেন হাজৰিকাই তেওঁৰ গানৰ মাজেদিয়েই ৰিঙিয়াই থৈ গৈছে অসমীয়া জন-জীৱনৰ বিহুৰ আনন্দ-উল্লাস, আৱদাৰৰ কথা প্ৰতিজন অসমীয়াৰ শিৰাই শিৰাই বিহুৰ কণিকা প্ৰবাহিত হৈ আছে। বিহুৱে অসমীয়া মানুহৰ মনত আনন্দৰ জোৱাৰ তোলে। স্বকীয় গুণ-গৰিমাৰে সমৃদ্ধ অসমীয়া জাতিৰ বিহু এক সুকীয়া প্ৰকাশ। অসমীয়া কৃষিভিত্তিক সমাজৰ লোকসকলৰ বিহুৱেই শ্ৰেষ্ঠ উৎসৱ। যদিও বিহু এক কৃষিভিত্তিক উৎসৱ, তথাপিও অসমীয়া জনসমাজত বিহুৱে এক সুকীয়া স্থান অধিকাৰ কৰে। কৃষিভিত্তিক উৎসৱৰপৰা উন্নত হৈ ই এক সামাজিক নীতি হৈ পৰিল। আধুনিকীকৰণৰ ফলতেই গছৰ তলৰ বিহু গৈ মঞ্চত উঠিলগৈ। বিহুৰ যি সাত্ত্বিক গুণ ক্ৰমান্বয়ে ইয়াৰো অৱনতি ঘটালে। পাশ্চাত্যৰ ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱিত অসমীয়া লোকে যিদৰে ইংৰাজী নৱবৰ্ষৰ এমাহ আগৰপৰাই সামাজিক উপকৰণসমূহত শুভেচ্ছা দিয়াক লৈ ব্যস্ত হৈ পৰে, কিন্তু ঠিক সেইদৰে অসমীয়া মানুহৰ হৃদয়ৰ অতিকৈ আপোন বাপুতি সাহোন ৰঙালী বিহুটিক লৈ সেই ধাৰা প্ৰৱাহিত হোৱা দেখা নাযায়। ইয়াৰ উপৰিও পূৰ্বতে বহাগ বিহুকলৈ মাহেক যোৰা যি প্ৰস্তুতি দেখা গৈছিল তাৰো সম্পূৰ্ণ ওলোটা দৃশ্য পৰিলক্ষিত হৈছে। বৰ্তমান অসমীয়া সমাজত বিহুক লৈ পূৰ্বৰ দৰে উৎসাহ যেন ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। যান্ত্ৰিকতাত ডুব যোৱা জনসমাজে নিজ শিপা হেৰুৱাই আধুনিকতা পিয়াসী হৈ পৰিছে।

যি সময়ত ভাষা, সংস্কৃতিলৈ সংকট আহিব ধৰিছে, এনে সন্ধিক্ষণতো যদিহে অসমীয়া লোকসকলে নিজ সংস্কৃতিক লৈ সতৰ্ক নহয়, তেনেহ'লে কিছুদিনৰ পিছত অসমত যে এনে এক ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ ভঁৰাল আছিল তাৰ উল্লেখ পাবলৈও কঠিন হৈ পৰিব। বিহুকে আদিকৰি অসমীয়া সমাজৰ উৎসৱসমূহৰ সমাদৰ ক্ৰমান্বয়ে কমি আহি বহিৰাগত উৎসৱসমূহৰ পালন নীতি পালিলে ধৰিছে। গছৰ তলৰ বিহু গৈ মঞ্চ পালেগৈ। বৰ্তমান বিহুৰ বাহিৰেও আন দুটা বিহুৰ ক্ষেত্ৰতো ইয়াৰ ৰূপ সলনি হোৱা দেখা যায়। কাতি বিহুৰ সময়ত আগৰ দিনত চুবুৰীয়া সকলে মিলি ভোজালীবোৰে ঘৰে ঘৰে গৈ গৃহস্থৰ কুশলৰ হকে নাম গাইছিল। কিন্তু বৰ্তমান সময়ত আধুনিকতাই এনেদৰে ব্যস্ত কৰি তুলিছে যে এই নীতি নিয়ম পালন কৰিবলৈও অৱকাশ নাই। ইয়াৰ উপৰিও মাঘ মাহত পালন কৰা ভোগালী বিহুৰ ক্ষেত্ৰতো পূৰ্বৰ পৰম্পৰাগত ধাৰাৰ সলনি হ'বলৈ ধৰিছে। এইদৰে বিহুকে ধৰি অন্যান্য উৎসৱসমূহৰ নীতি সলনি হৈ ন-ৰূপ ধাৰণ কৰিবলৈ লৈছে, যাৰ বাবে অসমীয়া সমাজ জীৱনক প্ৰভাৱিত কৰাৰ লগতে পৰম্পৰাগত এই উৎসৱসমূহ প্ৰবাহিত হৈ থাকিবনে নাই সেই ক্ষেত্ৰত সংশয়ৰ উদ্ভৱ হৈছে।

আধুনিকতাৰ অত্যাধিক প্ৰভাৱ বিস্তাৰ হেতু বহুক্ষেত্ৰত উৎসৱসমূহৰ ঐতিহ্যতাৰ লগতে ইয়াক পালন কৰাৰ প্ৰৱণতা হ্ৰাস পাইছে। ইয়াৰ ফলত এই উৎসৱসমূহ ক্ৰমান্বয়ে অসমীয়া সমাজৰ পৰা কমি যাবলৈ ধৰিছে। আমি যদিহে বৰ্তমানেও ইয়াক লৈ সতৰ্কিত নহওঁ তেন্তে সময়ৰ সোঁতত এইবোৰ এদিন নিঃশেষ হৈ যাব। যাৰ ফলত আমাৰ ক্ষেত্ৰত সংকটৰ সৃষ্টি হ'ব।□



# মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকাসকল ঃ

## অসমীয়া বিভাগ


ড° ৰঘুনাথ কাগয়ুং
মুৰব্বী অধ্যাপক


ড° ৰীতা দত্ত
অধ্যাপিকা



ৰেখামণি দত্ত
অধ্যাপিকা


পদ্মাকুমাৰী গগৈ
অধ্যাপিকা

## অৰ্থনীতি বিজ্ঞান বিভাগ


মিণ্টু গগৈ
মুৰব্বী অধ্যাপক


ড° পৰানন কোঁৱৰ
অধ্যাপক


মৃদুস্মিতা পাটোৱাৰী
অধ্যাপিকা

## ইংৰাজী বিভাগ


ড° দীপাঞ্জলী গগৈ
মুৰব্বী অধ্যাপিকা


ড° সুনীল দত্ত
অধ্যাপক


ড° অনিতা কোঁৱৰ
অধ্যাপিকা


অঞ্জুআৰা বেগম
অধ্যাপিকা

# মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকাসকল ঃ

## বুৰঞ্জী বিভাগ



সুশীল কুমাৰ চুড়ী
মুৰব্বী অধ্যাপক



দিব্যজ্যোতি কোঁৱৰ
অধ্যাপক



লিপ্তি গড়উইন
অধ্যাপিকা



মৌচুমী দেউৰী
অধ্যাপিকা

## ৰাজনীতি বিজ্ঞান বিভাগ



বিনোদৰাজ বনিকৰ
মুৰব্বী অধ্যাপক



ড° চক্ৰপাণি পাতিৰ
অধ্যাপক



ড° লাকী চেতিয়া
অধ্যাপিকা



দ্বীপজ্যোতি বড়া
অধ্যাপক



আবিতা গগৈ
অধ্যাপিকা



পল্লৱী ফুকন
অধ্যাপিকা

## শিক্ষাতত্ত্ব বিভাগ



[illegible]



ধনদা কোঁৱৰ
অধ্যাপিকা



কাব্যশ্ৰী হাজৰিকা
অধ্যাপিকা



গীতিকা তালুকদাৰ
অধ্যাপিকা



যতীন্দ্ৰনাথ শইকীয়া
অধ্যাপক


# মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকাসকল ঃ


## উদ্ভিদ বিজ্ঞান বিভাগ



[illegible]



[illegible]



[illegible]

## প্ৰাণী বিজ্ঞান বিভাগ



[illegible]



[illegible]



[illegible]



[illegible]



[illegible]

## গণিত বিভাগ



[illegible]



[illegible]



# মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকাসকল ঃ

## পদাৰ্থ বিজ্ঞান বিভাগ






## ৰসায়ন বিজ্ঞান বিভাগ











প্ৰবন্ধ

সাহিত্য

# নাৰীৰ মৰ্যাদা ! চমু অৱলোকন

মনিষা কৰ্মকাৰ
স্নাতক, তৃতীয় ষাণ্মাসিক

নদী আৰু নাৰী চিৰপ্ৰৱাসমান। নদীৰ যিদৰে কোনো ভৌতিক ধৰ্ম নাই ঠিক তেনেকৈ নাৰীৰ কোনো ধৰ্ম নাই। ঈশ্বৰ প্ৰদত্ত নাৰী পুৰুষতান্ত্ৰিক সমাজৰ বাবে চলন্ত যন্ত্ৰ। অতীজৰেপৰা নাৰী সমাজৰ নানান ৰীতি-নীতিত বান্ধ খাই আছে। ১৮শ শতিকাত নাৰীয়ে সহ্য কৰিছিল সতীদাহ, বাল্যবিবাহ, পৰ্দা প্ৰথা, নাছিল কোনো তেওঁলোকৰ বাবে পুৰুষৰ সমানে অধিকাৰ। জন্মৰ পৰাই তেওঁলোক চাৰিবেৰৰ মাজতে নিজকে আৱদ্ধ ৰাখিছিল। সূৰ্যোদয়ৰপৰা আৰম্ভ কৰি অস্ত যোৱাৰ পাছতো নিথৰ নহৈ নিজকে কৰ্মত নিয়োজিত ৰাখিছিল। সময়ৰ প্ৰতিবিধিত লাহে লাহে কিছু পৰিৱৰ্তন আহিল। বহু নাৰী শিক্ষা জগতত খোজ পেলালে। শিক্ষিত সমাজৰ একোডাল মমবাতি সজাই সমাজত শৈক্ষিক পোহৰ বোলাবলৈ যত্ন কৰিছিল। প্ৰথম অৱস্থাত এই ক্ষেত্ৰতো তেওঁলোক বহু সমস্যাৰ সন্মুখীন হৈছিল। সহজভাৱে ল'ব নোৱাৰিছিল নাৰীৰ শিক্ষাক, তেওঁলোকৰ মতে নাৰী কেৱল পুৰুষৰ তলতীয়া হৈ তেওঁলোকৰ আগত নৃত্য কৰা নৰ্তকী। কিন্তু নাৰীৰ ধৈৰ্য আৰু সাহসৰ বলত সফলতাৰে পুৰুষ প্ৰধান সমাজৰ চিন্তাধাৰাক ধূলিসদৃশ কৰিলে। বৰ্তমান সমাজত ভাৰতীয় সংবিধান অনুসৰি নাৰী আৰু পুৰুষ সমান। লিংগ বৈষম্য নোহোৱা হ'ল। কিন্তু নাৰীৰ মৰ্যাদা অতীততকৈ বেছি অৰ্ধগামী হ'ল। আজিৰ যুগত নাৰী পুৰুষৰ বাবে কামনা-বাসনা ভোগ বিলাসৰ সামগ্ৰী, পদে পদে নাৰী আজি ধৰ্ষিত, লাঞ্চিত। আকৌ বহুতে নাৰীক দেৱী, তুল্য জ্ঞান কৰে। এনে ক্ষেত্ৰত সেই পুৰুষ সমাজৰে আন কোনোৱে আকৌ নাৰীক ধৰ্ষণ কৰি ৰাস্তা-ঘাটে নিৰ্মমভাৱে হত্যা কৰে। চুটি বস্ত্ৰ পৰিধান কৰিলেই যদি নাৰী কামনাৰ বলি হয়, তেন্তে নৱবালিকা আৰু বৃদ্ধা ধৰ্ষণৰ বলি হ'ব লগা হয় কিয় ? বনকৰাৰ নামত শাৰীৰিক মানসিক অত্যাচাৰৰ বলি হ'ব লগা হয় কিয় ? আজিও দেখোন পোৱা নাই নাৰীয়ে উচিত মৰ্যাদা।□



প্ৰবন্ধ
সাহিত্য

# সমাজৰ প্ৰতি আমাৰ কৰণীয়

**প্ৰিঞ্চিপ্ৰিয়া গগৈ**
স্নাতক, চতুৰ্থ ষাণ্মাসিক

কথাতে কোৱা হয় মানৱ জাতি জীৱশ্ৰেষ্ঠ। হয়, আপুনি মই সকলোৱে জীৱশ্ৰেষ্ঠ বুলি গৌৰৱ কৰো। কিন্তু আমি বাৰু জীৱনকালত এনে কি মহৎ কাম কৰি গৈছো যাৰ বাবে আমি নিজকে জীৱশ্ৰেষ্ঠ বুলি গৌৰৱ কৰিব পাৰো। তাৰ ভিতৰত কোনোৱে খুব কম সময়ৰ ভিতৰতে বহু অৰিহণা আগবঢ়াই পৃথিৱীৰপৰা আঁতৰি গৈছে আৰু কোনোৱে হয়টো শতবৰ্ষ গৰকিও জীৱন কালত সমাজৰ বাবে বা দেশ তথা আন দহজনৰ বাবে কিবা কৰি যোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। জীৱশ্ৰেষ্ঠ হিচাপে প্ৰতিগৰাকী মানৱৰ সমাজৰ প্ৰতি, জাতিৰ প্ৰতি দায়বদ্ধতা থকা উচিত। কিন্তু বৰ্তমান কিছুমান শিক্ষিত সমাজৰ মাজত সমাজৰ প্ৰতি দায়বদ্ধতা থকা খুব কম পৰিমাণে দেখিবলৈ পোৱা যায়। তাৰ উদাহৰণ হিচাপে আমি বহুতো কথা উল্লেখ কৰিব পাৰো। বিশেষকৈ নগৰ-মহানগৰত সচৰাচৰ মানি চলিবলগীয়া সৰু সৰু নিয়ম-কানুনখিনিয়ে ভংগ কৰা দেখা যায়। বিশেষকৈ জাবৰ-জোঁথৰ য'তে ত'তে পেলোৱা, ৰাজহুৱা ঠাইত যেনিয়ে তেনিয়ে পিকোৱা, ৰাজহুৱা শৌচাগাৰ, প্ৰশ্ৰাৱগাৰ ব্যৱহাৰ কৰি লেতেৰা কৰি থোৱা আদি বেয়া স্বভাৱসমূহৰ বিষয়ে নিশ্চিতভাৱে সমাজৰ প্ৰতিজন সচেতন ব্যক্তিৰ জ্ঞাত। নিজে বনোৱা বা নিজে বসবাস কৰা ঘৰখন প্ৰত্যেক লোকেই সচেতন হৈ আটোম-টোকাৰিকৈ আৰু পৰিস্কাৰ পৰিছন্নতাৰ প্ৰতি সজাগ হৈ থকা দেখিবলৈ পাওঁ। অথচ বাহিৰলৈ ওলাই আহি আপোনাৰ আৰু মোৰ মাজৰে কোনোবাই এই নীতি-নিয়মসমূহৰ জলাঞ্জলি দি আহে। দামী গাড়ী-মটৰ, মূল্যৱান গহনা-গাঁঠৰি, দামী কাপোৰ পিন্ধি, দামী ৰেস্তোৰাঁত খাই বৈ থকাজনে সমাজৰ প্ৰতি তেওঁৰ দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰাত তেওঁ কি ভূমিকা গ্ৰহণ কৰি আহিছে সেয়া সৰ্বজনবিদিত। আন এফালে অন্য একাংশই পথৰ দাঁতৰ কুকুৰ, মেকুৰীকো খাদ্য খুৱাই, পথ দুৰ্ঘটনাত পতিতজনকো সহায় কৰি অহাৰ উদাহৰণ এইখন সমাজত দেখিবলৈ পোৱা যায়। যিটো সময়ত কোনোবাই নিশাৰ ৰঙীণ পোহৰত সুৰাৰ ৰাগীত নামি দামী বাৰ-ৰেস্তোৰাঁত মত্ত হৈ থকাৰ বিপৰীতে আন একাংশই জীয়াই থকাৰ হেঁপাহত সেই পুৱাৰেপৰা মাজ নিশালৈ জীৱন সংগ্ৰাম চলোৱা দেখা যায়। প্ৰত্যেকৰে নিজৰ জন্ম ঠাইখনৰ প্ৰতি এক বিশেষ দুৰ্বলতা থকাটো স্বাভাৱিক। তৎসত্বেও যিখন ঠাইয়ে উচ্চ শিক্ষাৰে পোহৰাই তোলে, আত্মসংস্থাপন আৰু উপাৰ্জনৰ বাট মুকলি কৰি দিয়ে সেই ঠাইখনৰ প্ৰতি বা সমাজখনৰ প্ৰতি সকলোৱে দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিলে সমাজখন সুন্দৰ হৈ পৰিব আৰু সমাজৰ উন্নতিও সাধন হ'ব। গতিকে সমাজৰ এক অংশ হিচাপে প্ৰতিজন লোক সচেতন হোৱা উচিত। এক সুন্দৰ আদৰ্শ আৰু সুন্দৰ সমাজ আজিৰ প্ৰজন্মই গঢ়ি তুলিলে প্ৰতিটো আহিবলগীয়া প্ৰজন্মৰ বাবে উল্লেখযোগ্য হ'ব। সমাজৰ জ্যেষ্ঠজনক সন্মান কৰা, নাৰীৰ প্ৰতি সহনশীল হোৱা, সৰুক মৰম কৰা, আনৰ ব্যক্তিগত জীৱন হস্তক্ষেপ নকৰা আদি কাৰ্যই ইতিবাচক দিশবোৰ সূচায়। বিদ্যালয়ৰপৰা আৰম্ভ কৰি কৰ্মজীৱন আদি সকলো ক্ষেত্ৰতে সুন্দৰ ব্যৱহাৰৰ পৰিচয় দাঙি ধৰিবপৰাজনে জীৱনৰ বিভিন্ন ক্ষেত্ৰত সুন্দৰকৈ আগবাঢ়ি যায়। আনহাতে ব্যৱহাৰ নজনাজনে সমাজৰ ক্ষতি কৰে। জন্মগতভাৱে কোনোৱে সকলো দিশতে পাৰ্গত হৈ নাহে। অধিক কষ্টৰ ফলত সেই গুণ আয়ত্ত কৰি ল'বলগীয়া হয়। জীৱনৰ আৰম্ভণিতে শিকা বহু কথাই ভৱিষ্যতে সহায় কৰে। নিজৰ ভাষা, সংস্কৃতি, ধৰ্ম, সমাজ আৰু শিক্ষাৰ প্ৰতি সকলোৱে সজাগ হ'লে সকলো অপশক্তি ৰোধ কৰিব পাৰি। নিজৰখিনিক সদাই শ্ৰেষ্ঠ বুলি আদৰ কৰি ল'ব জনালোকেই সমাজলৈ বৰঙণি আগবঢ়াব পাৰে। সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি গ্ৰহণ কৰি প্ৰতিজন সমাজ সচেতন লোকে সমাজলৈ বৰঙণি আগবঢ়াই গ'লে এখন সুন্দৰ আৰু আদৰ্শৱান সমাজত সকলোৱে জীয়াই থাকিব পাৰিব।□



গল্প

# মধ্যবিত্ত

**মাচুমা বেগম**
স্নাতক, ষষ্ঠ ষাণ্মাসিক

পাহিয়ে হঠাৎ সাৰ পাই দেখিছে ৯ বাজিল। যোৱা নিশা বহু দেৰিলৈকে টোপনি যোৱা নাছিল তাই। পিছে কেতিয়া শুই পৰিল গমেই নাপালে। এইবোৰ ভাবি মেলি থাকোতেই হঠাৎ মাকৰ ফোনটো বাজি উঠিল। পাহিৰ ককায়েকে ফোনটো কৰিছে। ফোনটো উঠোৱাৰ লগে লগেই সি তাইৰ Roll No. সুধিলে আৰু ফোনটো থ'লে। পাহিৰ মনটো আকৌ ৰাতিৰ নিচিনাকৈ অশান্ত হৈ পৰিল। কথাটো হ'ল আজি প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল ওলাব। গতিকে তাইৰ গাত ত'ত নাইকিয়া হৈছে। তাই মনতে ভাবিহে ২খনত letter আহিব কিন্তু আচল ভয়টো হৈছে অংকৰ কাৰণে। অংকত তাই অলপ বেয়া।

শেষত বিচনাৰ পৰা উঠি গৈ হাত-মুখ ধুই আহিল। মাকে কিবা এটা খা বুলি কোৱাত তাই পাছত খাম বুলি ক'লে। ইফাল-সিফাল কৰি আছে তাই। একোতে মন বহা নাই, দাদাইও ফোনটো কৰা নাই। এনেতে ফোনটো বাজি উঠিল। এইবাৰ ফোনটো পাহিৰ বান্ধৱী ৰীতাই কৰিছে। ফোনটো তুলিয়েই তাই Result পালে। দুখন নহয় এখনতহে letter পাইছে। ফোনটো থোৱাৰ পাছতহে তাইৰ মনলৈ চেতনা উভতিছে। আজি তাই সুখী লগতে পৰিয়ালৰ সকলো সদস্যও সুখী। ঘৰখন ভৰি পৰিছে মানুহে। ওচৰ-চুবুৰীয়াৰ পৰা আদি কৰি আত্মীয়সকল আহিছে ইজনৰ পিছত সিজন। পাহিৰ দেউতাকে ইতিমধ্যে ঘৰ আহি পাইছে। দেউতাক আজি বৰ সুখী তাইৰ বাবে।

তাই মনতে ভাবিহে এতিয়া তাইয়ো ককায়েকৰ দৰে ফোন এটা ল'ব। কিন্তু দেউতাকক ক'বলৈ সাহস নাই তাইৰ। গোটেই দিনটোৰ সুখ যেন তাই এইকণ সময়ে শেষ কৰি পেলালে। ক্ষন্তেক সময়তে তাইৰ এনে লাগিল যেন সকলো দুখ আহি ভাগি পৰিল। ফোন এটা লাগে যদিও কেনেকৈ খোজে?

তাই জানে দেউতাকে বৰ কষ্টৰে পোহ-পাল দিছে পৰিয়ালটো। সিহঁতক ডাঙৰ দীঘল কৰাৰ লগতে দুয়োটাকে একোখন ভাল স্কুল, কলেজত পঢ়াইছে। যিটো বিচাৰিছে সেইটোকে আনি দিছে। হয়তো দুদিন দেৰি হৈছে কিন্তু নিদিয়াকে থকা নাই।

সঁচাকৈয়ে টকাই যে সকলো, এই কথা বহু সময়ত তাই অনুভৱ কৰে। টকাৰ অভাৱত নিজৰ ইচ্ছাবোৰ ত্যাগ কৰে। উপলব্ধি কৰে জীৱনটো যে বৰ জটিল। এইবোৰ নানান চিন্তা মনলৈ আহিলেও দেউতাকৰ মুখৰ হাঁহি দেখি তাই মনতে এক বুজাব নোৱাৰা সুখ অনুভৱ কৰে। মধ্যবিত্ত ঘৰৰ ছোৱালী ইয়াতকৈ বেছি আৰু কিনো আশা কৰিব পাৰে তাই।

মধ্যবিত্ত হোৱাৰ বাবে টকাৰ অভাৱ হ'ব পাৰে। কিন্তু সৰু সৰু কথাতে সুখী হৈ পৰিয়ালটো ইমানেই যথেষ্ট পাহিৰ বাবে।□

গল্প

# সংস্কাৰী বোৱাৰী

হেম্পী বাইলুং
স্নাতক, ষষ্ঠ ষাণ্মাসিক

.......... May I come in Sir

.......... Yes Come in! (Please sit down)

ঃ সু-প্ৰভাত ছাৰ মই নিবিৰ চলিহা। Last year মই chemistryত Master's complete কৰিছো, বৰ্তমান এটা কৰ্মসংস্থাপনৰ বাবে আপোনাৰ ওচৰলৈ আহিলো।

ঃ Ohh... very good.

ঃ কথা-বতৰা, আচাৰ-আচৰণ, মাত-কথাত তুমি ঠিকেই আছা!! এবাৰ তুমি আমাৰ companyৰ কামবোৰ চাই এটা practical কৰিব লাগিব। যদি practicalটোত success হোৱা তেন্তে তোমাৰ চাকৰিটো হৈ যাব।

ঃ OK Sir, এতিয়া তেন্তে মই আহিছো।

ঃ ভাল বাৰু .......

সময় দুপৰীয়া ২ বাজি ৪৫ মিনিট..

ক্ৰিং... ক্ৰিং... ক্ৰিং... হঠাৎ Mr. Bourahৰ মোবাইলটো বাজি উঠিল,

"Hello কোৱাচোন কিয় call কৰিলা?

ইপিনৰপৰা বৰুৱাৰ পত্নীৰ কণ্ঠস্বৰ ভাঁহি আহিল.. "আপুনি আজি যিমান পাৰে সোনকালে আহিব, কাইলৈ যিহেতু বিয়া পালেহিয়ে, গতিকে কিছুমান কাম আজিয়েই শেষ কৰিব লাগিব"।

ঃ OK OK শ্ৰীদৰী নিশ্চয় সোনকালে যাম।

এনেদৰে কৈ বৰুৱাই ফোনটো কাটি দিলে। বৰুৱা মানে ত্ৰিদ্বীপ বৰুৱা। এখেত গুৱাহাটীৰ এজন নামজ্বলা businessman। তেখেতৰ পত্নী নীহাৰিকা বৰুৱা আৰু তেওঁৰ দুই পুত্ৰ ক্ৰমে অভিজ্ঞান বৰুৱা আৰু অবিনাশ বৰুৱা। ইতিমধ্যে দুই পুত্ৰই পঢ়া complete কৰিছে। ডাঙৰ ল'ৰাজনে দেউতাকৰ underত এটা company আৰম্ভ কৰিছে। সৰু ল'ৰাটোকো কিবা এটা সংস্থাপন দিব পাৰিলে বৰুৱাৰ জীৱন ধন্য হৈ পৰিব।

১৮-০৪-২০২০ (৭ বহাগ) আজি বৰুৱাৰ ডাঙৰ পুত্ৰ অভিজ্ঞানৰ বিয়া। মাক দেউতাকে পছন্দ কৰি দিয়া ময়ূৰী শইকীয়াৰ লগত। ধুমধামেৰে বিয়াখন সম্পূৰ্ণ কৰি সময়ৰ লগে লগে সকলোৱে নিজৰ নিজৰ কৰ্ম জগতত ব্যস্ত হ'বলৈ ধৰিলে।

লাহে লাহে দিনবোৰ বছৰলৈ ৰূপান্তৰিত হ'ল। চাওঁতে চাওঁতে অভিজ্ঞান আৰু ময়ূৰীৰ বিবাহ পাশত আৱদ্ধ হোৱা ৫ বছৰ সম্পূৰ্ণ হ'ল। দুয়োৰে জীৱনলৈ আগমন ঘটিল কণমানি কস্তুৰীৰ। ইমানখিনিলৈ সকলো ঠিকেই আছিল। এদিন হঠাতে অবিনাশে তাৰ কলেজৰ বান্ধৱী অনামিকাক পলোৱাই বিয়া কৰাই লৈ আনিলে। প্ৰথমে অনামিকাক ঘৰৰ মানুহে বোৱাৰী ৰূপত মানি ল'ব পৰা নাছিল যদিও অৱশেষত অবিনাশৰ মুখলৈ চাইয়ে গ্ৰহণ কৰিলে।

অনামিকা এজনী সৎ চিন্তাধাৰাৰ, গাঁৱৰ অতি সাধাৰণ পৰিয়ালৰ জীয়ৰী। অনামিকাৰ পৰিয়াল আৰু অবিনাশৰ পৰিয়ালৰ মাজত আকাশ-পাতাল পাৰ্থক্য, সেই হেতুকে শাহুয়েক আৰু বৌয়েক তথা ময়ূৰীৰপৰা বেচেৰী অনামিকাই সদায় লাঞ্ছনা, গৰিহনা খাই আহিছে। ইমান লাজ অপমান পোৱাৰ পিছতো অনামিকাই মুখত এক মিঠা হাঁহি লৈয়ে দিনবোৰ পাৰ কৰিছে। এক কথাত ক'বলৈ গ'লে অনামিকা এজনী লক্ষ্মী বোৱাৰী। এই অনামিকা-ময়ূৰীৰ লগত সম্পূৰ্ণ অমিল। ময়ূৰীয়ে টকা-পইচা, লাহ-বিলাহ এইবোৰতে নিজকে বিলীন কৰি ৰাখিব খোজে। আনহাতে অনামিকাই ঘৰখনৰ সমস্ত মানুহৰ খোৱা-বোৱাৰ আলপৈচান ধৰা, ঘৰৰ অন্যান্য কাম ইত্যাদিসমূহ সুচাৰুৰূপে নিয়ন্ত্ৰণ কৰে।

এনেবোৰ গুণ দেখিও শাহুয়েকে অনামিকাক ভাল দৃষ্টিৰে চাব নোৱাৰে। কিয়নো অনামিকা এজনী সাধাৰণ ঘৰৰ ছোৱালী! যিহেতু নীহাৰিকা বৰুৱা জীৱন ধাৰণ কৰা কৌশল অনামিকাৰ পৰিয়ালতকৈ যথেষ্ঠ ওপৰত আছিল। ঘৰখনত অবিনাশ আৰু শহুৰেকৰ বাহিৰে অনামিকাই কাৰোৰেই পৰা এষাৰ মৰমৰ মাত নাপায়। তথাপিও তাই এদিনো অভিনাশক আপত্তি, অভিযোগ কৰা নাই। শহুৰেকক নিজৰ দেউতাকৰ দৰে, শাহুৱেকক নিজৰ মাকৰ দৰে, দাদা বৌক নিজৰ দাদা বাইদেউ হিচাপে শ্ৰদ্ধা-ভক্তি কৰি আহিছে, এইবোৰতে যেন অনামিকা সুখী।

অবিনাশৰ যিহেতু নিজাববীয়াকৈ কোনো কৰ্ম সংস্থাপন নাই সেয়ে বৌয়েকে কথাই কথাই অনামিকাক insult কৰি থাকে। 'একো কৰ্ম সংস্থাপন নোহোৱাকে সংসাৰ পাতিছে' ইত্যাদি ইত্যাদি কথা শুনাই থাকে। তথাপিও অনামিকাৰ বৌয়েকলৈ কোনো আক্ষেপ নাই এইবোৰৰ প্ৰতি। এদিন হঠাৎ কস্তুৰীৰ পেটৰ অসুখ হোৱাত ডক্টৰৰ ওচৰৰ পৰা অহাৰ পিছতো ভাল পোৱা নাই। সেয়ে খুড়ীয়েকেই কিছুমান বন দৰৰ প্ৰস্তুত কৰি দিলে। কস্তুৰীক এনেদৰে এইবোৰ খোৱাই দিয়াটো ময়ূৰীয়ে অলপো সহ্য কৰা নাছিল আৰু অনামিকাক এনে কৰাৰ বাবে বহু কথা শুনাইছিল-

"মোৰ ছোৱালীজনীক তুমি এই জংঘলী পাতবোৰ খোৱাই মাৰিব খুজিছা?" বুলি আধা খোৱা বনদৰৰৰ বাতিটো অনামিকাৰ হাতৰপৰা লৈ আনিলে। এনে অপমানত বেচেৰী অনামিকাই মনত বহু আঘাট পাই roomৰপৰা ওলাই আহিল। অৱশ্যে বনদৰৰখিনি খোৱাৰ প্ৰায় ২/৩ ঘণ্টাৰ পিছত কস্তোৰী আগতকৈ অলপ সুস্থ হৈ উঠিল। কস্তোৰী ভাল হোৱা দেখি অনামিকাই দুখবোৰ পাহৰি এটি মিছিকিয়া হাঁহিৰে পাকঘৰলৈ বুলি খোঁজ দিলে।

চাওঁতে চাওঁতে ত্ৰিদ্বীব বৰুৱা retired হোৱা দুবছৰে হ'ল। এই দুই বছৰতে মানুহজন যথেষ্ট বয়সীয়াল হৈ পৰিল। pressure, sugarৰে মানুহজনক জুৰুলা কৰি নিছে। দিনে দিনে আৰু আনফালে নীহাৰিকা বৰুৱাৰ সৰু সৰু কেইবাটাও অসুখ হৈ থাকে, লগতে আজি ৩দিন ধৰি তেখেত ক'ৰোণা বেমাৰত আক্ৰান্ত হৈ আছে। সেয়ে এই কেইদিন একেৰাহে বিচনাত পৰি আছে। আনফালে শাহুয়েক ক'ৰোণা বেমাৰত আক্ৰান্ত হোৱাৰ বাবে ময়ূৰীয়ে এই কেইদিন শাহুয়েকৰ ওচৰলৈ যোৱা নাই, অভিজ্ঞান আৰু কস্তুৰীকো আঁতৰাই ৰাখিছে। শাহুয়েকৰ আলপৈচন ধৰিলে ক'ৰোণাত আক্ৰান্ত হ'ম বুলি ময়ূৰীয়ে অভিজ্ঞান আৰু কস্তুৰীক লৈ মাকৰ ঘৰলৈ বুলি ওলাই গ'ল। পুতেক-বোৱাৰীয়েকৰ এনে আচৰণত নীহাৰিকাৰ দুচকুৰে চকুলো বৈ আহিল যদিও সিহঁতক যাবলৈ বাধা নিদিলে। আনফালে অনামিকাই শাহুয়েকৰ এনে সময়তো শাহুয়েকৰ লগত থাকি ক'ৰোণা প্ৰতিযেধক পিন্ধি পোছাক তেখেতক আলপৈচান ধৰিলে।

এতিয়া নীহাৰিকাই উপলব্ধি কৰিছে যাক ইমান দিনে মৰমৰ বোৱাৰী বুলি মৰম চেনেহ কৰিলো তায়ে আজি মোক এনেদৰে এৰি আঁতৰি গ'ল... আৰু অনামিকা!! যিজনীক মই এদিনো ভাল চকুৰে চোৱা নাছিলো, এষাৰ মৰমৰ মাত নিদিলো.. তথাপিও ইমান আদৰ, ইমান মৰম।

বাহিৰৰপৰা অনামিকাৰ মাত শুনি নীহাৰিকাৰ ভাৱ সাগৰৰ পৰা বাস্তৱ পালেহি।

ঃ মা আপোনাৰ বাবে আদা আৰু তুলসী দি চাহ আনিছো। চাওঁ অলপ আওঁজি দিয়ক।

এনেদৰে কৈ অনামিকাই শাহুৱেকক চাহকাপ ধৰি শাহুয়েকক খোৱাই দিলে। চাহ খাই শেষ হোৱাৰ পিছত নীহাৰিকাই বোৱাৰীয়েক ক'লে—

ঃ অনামিকা, মোৰ বহুত ভুল হৈ গ'ল। তোমাক বহুত কষ্ট দিলো, বহু নক'বলগীয়া কথা ক'লো। তাৰবাবে মোক ক্ষমা কৰি দিবা।

ঃ মা আপুনি মোক ক্ষমা খুজি লাজ নিদিব। কাৰণ মাকে কেতিয়াও নিজৰ ছোৱালীক ক্ষমা নোখোজে। হৈ যোৱা ঘটনাবোৰ মই একো ধৰি থকা নাই। সময় আৰু পৰিস্থিতিত পৰি মানুহৰ কেতিয়াবা ভুল হৈ যায় মা। যি হৈ গ'ল সেইবোৰ ভাবি একো লাভ নাই। একেবোৰ কথাকে ভাবি আপুনি মনটো বেয়া কৰি নাথাকিব। এতিয়াৰপৰা আমি জীৱনটো নতুনকৈ উপভোগ কৰিম। আপুনি অলপো চিন্তা নকৰিব। আপোনাক সুস্থ কৰি তোলাৰ দায়িত্ব মোৰ আৰু অলপ দিন ভালদৰে treatment কৰিলে আপুনি অতি সোনকালে সুস্থ হৈ পৰিব। আপুনি এতিয়া অলপ শুই লওক। মই দেউতা আৰু এখেতক চাহ দিওঁগে।

অনামিকা ওলাই যোৱাৰ পিনে চাই নীহাৰিকাই এটি মিচিকিয়া হাঁহিৰে ভগৱানক ধন্যবাদ দিলে।

ঃ বহুত বহুত ধন্যবাদ ভগৱান... অনামিকাৰ দৰে ছোৱালীক মই বোৱাৰী ৰূপত পাই বহুত বহুত সুখী হৈছো। এনেদৰে ভাবি ভাবি নীহাৰিকাই নিদ্ৰাদেৱীৰ কোলাত শুই পৰিল।□

কবিতা চ'ৰা

## কথা নাপাতো মই নিজৰ স'তে

পৰমানন্দ তাঁতী
স্নাতক, ষষ্ঠ ষাণ্মাসিক

আজিকালি খুব কমইহে সাক্ষাৎ হয় নিজৰ সৈতে
প্ৰায়ে নেদেখো নিজক।
নাজানো ক'ত লুকাওঁ
বিচাৰি খুব কমইহে পাওঁ
ভয় লাগে নিজক বিচাৰিবলৈ
আধাৰুৱাবোৰে খেদি আহে
সপোনবোৰে বিবেক দংশে
আজিকালি খুব কমেইহে নিলো মোৰ সতে,
শুকাই যোৱা সেউজীয়াখিনিয়ে চিঞৰি মাতে,
গাভৰু নদীৰ তৰাং বুকুৰ পাৰে শগুনৰ জাকে হাঁহে
সেয়ে আজিকালি কম কথা হয় নিজৰ সতে
মই প্ৰায়ে পলাওঁ মোৰ পৰা
কেতিয়াবা খামুচি ধৰে আকাশবোৰে তীব্ৰভাৱে
দুখ পাওঁ, এৰাব খোজো
বিচৰণ কৰে প্ৰায়ে
বানে উচন কৰা নদীৰ কাষে কাষে
পলসে ঢাকি থোৱা সেউজীয়াৰ আঁৰে আঁৰে
কতযে মৰা কাহিনী জীয়াই থাকে
আজিকালি
খুব কমেইহে সাক্ষাৎ হয় নিজৰ সতে
স্মৃতিৰ ৰেলখনে বিকট উকি মাৰি প্ৰৱেশ কৰে
অতীত সুৰংগত ....
কেনে ধুনীয়া পোহৰ তাত!
শেৱালী ফুলীয়া হাঁহিবোৰে মলমলায় চৌপাশে
তৰাবোৰে দিনতো জিক্‌মিক কৰে ......
হেপাঁহবোৰ সুখৰ দলিচাত ওমলে .......
স্মৃতিৰ জিৰণি কোঠালি সেয়া
মই পৰি ৰওঁ একাষে নিৰবে-নিজানে
আজি কালি,
কথা নাপাতো মই মোৰ স'তে।

## নতুন যাত্ৰাৰ পথত

লীজা ধাদুমীয়া
স্নাতক, চতুৰ্থ ষাণ্মাসিক

নতুন আশাৰে আহিছো
এই মহাবিদ্যালয়লৈ,
এক নতুন আশা বুকুত বান্ধি
নতুন যাত্ৰাৰ পথত।
আগবাঢ়িছো আমি
এক নতুন বাটে
আন মাজতে যদিও
কাইটে বিচো,
অবিৰত যাম আমি
ঠিকনা নিচিনি।
নিচিনিম সফল হ'বলৈ,
নিচাচলো বিফল হ'বলৈ।
পুৰণি গোলটিয়ে দিয়ে
নতুন দিনৰ চিনাকী,
সন্ধিয়া আকাশৰ তেজুলী কিৰণে
আনে আশাৰ বাণী,
আৰু দিয়ে অলপ জিৰণি
ঘাত-প্ৰতিঘাত নেগুচি,
হাঁহি মুখে যাম আগুৱাই,
তথাপিও নকৰো ভয়,
নাযাওঁ পিছুৱাই।
বুকুত সাহস বান্ধি,
যাম আগুৱাই।



কবিতা চ'ৰা

## কৃষ্ণচূড়া নগৰীত তুমি আৰু মই

সাগৰিকা মহন্ত
স্নাতক, ষষ্ঠ ষাণ্মাসিক



এসাগৰ ভালপোৱাৰে ভৰা
কলিজাখন লৈ
কৃষ্ণচূড়া নগৰীত তুমি মই
সাক্ষী কৰি ভালপোৱাৰ বাটৰ
পথিক হোৱা দিন ধৰি
হৃদয়ৰ দাপোনত তুমি থাকা সদায়
সতেজ ফুল এজোপা হৈ
ঠিক কৃষ্ণচূড়া-ৰাধাচূড়াৰ
ৰঙা গুলপীয়া আবিৰ হৈ
ভালপোৱা নামৰ এক মধুৰ সংগীত
কৃষ্ণচূড়া নগৰীত তোমাৰ ....
আশে-পাশে গুণগুণাই।
তোমাৰ মাজেৰে এখন
মুক্ত আকাশ পালো,
ভালপোৱা আৰু বিশ্বাসৰ
সেইজীয়া নিচান উৰুৱাম
কৃষ্ণচূড়া নগৰীত তুমি মই,
জন্ম-জন্মান্তৰ বাবে।
গভীৰৰ পৰা গভীৰৰ লৈকে
হালধীয়া অনুভৱ কেৱল অনুভৱ ভালপোৱাৰ।
কৃষ্ণচূড়াৰ ৰঙাৰ লগত
মিতিৰালি কৰি মৰা
উমান হাঁহিবোৰে
কলিজাত কাৰেং সাজিলে।

"তই নাহিলে, ময়ো নাযাওঁ" বুলি
কলেজ নোযোৱা বন্ধুবোৰে
বুকুৰ অটল গহ্বৰত যাব সাজিলে।
ডিপাৰ্টমেণ্টৰ লাগবান্ধ নোহোৱা
হাঁহিৰ খোৰাক জগোৱা কথাবোৰৰ
তুমি মই সাক্ষী হ'ম।
সাক্ষী হ'ব প্ৰেমৰ বতৰা
কঢ়িয়াই অনা কৃষ্ণচূড়া নগৰী।

ক্ৰমশঃ এচপা বিষাদ
হাত বাউলি দি মাতিব,
সেয়া, কৃষ্ণচূড়া নগৰী
এৰি যোৱা বিষাদ।

এইকেইদিনৰ দৃষ্টিৰে সময়বোৰ
বৰ নিষ্ঠুৰ হৈ পৰিব,
ৰিক্ততাৰে গধুৰ হৈ পৰিব
প্ৰতিটো দিন, প্ৰতিটো পল।

অচিনাকী পৰা আপোন হৈ
তোমাৰ সতে কটোৱা
প্ৰতিটো দিন, প্ৰতিখন ঠাই
প্ৰতিটো বস্তু, অতীত হৈ পৰিব।

আমাৰ প্ৰেমৰ গুণগুণণিবোৰ
সিঁচি দিবলৈ উথপথপ লগাব
কৃষ্ণচূড়া নগৰীৰ বতাহ জাকে
স্মৃতিৰ তামীঘৰত থাকি যাব
তোমাৰ ... উমাল ক্ষণবোৰ
ভালপোৱা ভালপোৱা লগা।

দিনে ৰাতিয়ে কলিজাৰ কেনভাচত
চটিয়াই দিম ভালপোৱাৰ
নিজৰ সম্পৰ্কৰ আবিৰ,
পৰিধান কৰি মুখ হাঁহিৰ
কৃষ্ণচূড়াৰঙী সাঁজ।

কৃষ্ণচূড়া নগৰীত তুমি মই
হাতত হাত থৈ
ৰঙা-গুলপীয়া আবেলিৰ পৰত।

কবিতা

## ভাটিবেলা

**অনুৰাগ বড়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

যাম যাম বুলি যোৱাই নহ'ল
জীৱনৰ ভাটিবেলাত কাৰেঙলৈ
কৰিম কৰিম বুলি কৰাই নহ'ল
সপোনবোৰ বাস্তৱ কৰাৰ চেষ্টা
আশাৰ সাগৰত অৰ্থৰ টৌ খেদি ফুৰোঁতে
সফলতাৰ 'জাহাজ'খন বিচাৰিকে নাপালো
বহাগবোৰ ধৰি ৰাখিব বিচাৰোঁতে
বসন্তবোৰ কেতিয়া পাৰ হ'ল গমকে নাপালো
অতীত আৰু ভৱিষ্যতত ফাগুন বিচাৰোঁতে
বৰ্তমানৰ পছোৱাজাকে ভাঙি থৈ গ'ল পঁজা
সজাই নহ'ল স্বাভিমান, স্বকীয়তাৰে
ভৰা এখন পাহাৰ সুবিশাল
অতীতবোৰ ৰোমন্থন কৰি
বিচাৰি নাপালো জীৱনৰ ভুলবোৰ
হাতত লাখুটি এডালো বিচাৰি নথ'লো
জীৱনৰ ভাটি বেলালৈ।

## অকলশৰীয়া জোন

**মাচুমা বেগম**
স্নাতক, ষষ্ঠ ষাণ্মাসিক

নিশাত আকাশত তৰাৰ জিকমিকনি
জোনটিয়ে যেন মুখলৈ চাই হাঁহি এটি মাৰিছে।
এখন্তেক চালে এনে লাগে যেন
কি কৰুণ এই দৃশ্য।
অসংখ্য তৰাৰ মাজতো জোনটি
নিচেই অকলশৰীয়া হৈ ৰৈছে।
নিজান দুভাগ নিশাত
যেতিয়া আমনি কৰে মোক তোমাৰ স্মৃতিয়ে
এনে লাগে যেন জোনটিৰ দৰে
মইয়ো অকলশৰীয়া।
ইকাতি-সিকাতি কৰি নীৰৱে শুনিছো
আগলি বাঁহত থকা চৰাইজনীৰ বিননি।
তুমি ছাগে এতিয়া নিতাল মাৰি
শুই আছা সপোন সাৱটি।

## গুৰু

**অল্পী দাস**
স্নাতক, চতুৰ্থ ষাণ্মাসিক

আজি গাম কিহৰ গান?
গুৰু তুমি যে মহান
আজি কৰিম কিহৰ প্ৰতিদান?
মোৰ যিমান প্ৰতিভা আছে
সেয়াতো মাথোঁ তোমাৰেই দান...
অজ্ঞানতাৰ অন্ধকাৰ আকাশত
বিলোৱা তুমি জ্ঞানৰ পোহৰ।
গুৰু তুমি মহান
আজি নাগাওঁ কোনো গান
যাঁচিলো সহৃদয়েৰে তোমাক আজি
শতকোটি প্ৰণাম।



কবিতা

## আৰ্তনাদৰ নিয়ত হৃদয়খন

**পাৰ্থ প্ৰতিম আৰন্ধৰা**
স্নাতক, ষষ্ঠ ষাণ্মাসিক

ভাগৰুৱা দেহৰ
মোৰ বুকুৰে কৰিছে
প্ৰত্যাশিত সমীহ!

বহু দিন হ'ল
উৰলা সপোনৰ গীত শুনা নাই!
তমসা ৰাতিৰ আন্ধাৰত
অজি ভাৱনাৰ উন্মেষ ঘটা নাই!
আউল লগা এটি নিশাৰ অস্বস্তিত...
মোৰ বিৰহ বেদনাৰ আজি জোৱাৰ উঠিছে!

চেতনাৰ শ্মশানত আজি
মোৰ অনিচ্ছাকৃত অপৰাধবোৰ
অনুতপ্ত;
ভগ্ন হৃদয়ৰ নিচাত
মোৰ ভাৱনা আজি
বিষাদগ্ৰস্ত;

নিয়তিৰ বুকুত নিৰ্যাতন
মোৰ ভৱিষ্যতৰ পৰিধি;
সীমনা মাথো মোৰ অস্তিত্ব!
মৌন ভাষাৰ দোহাই দি
আজি এই হৃদয় ৰক্তাক্ত;
কম্পিত হৃদয় ধ্বনিত
মোৰ চেতনা আজি আহত!
ব্যৰ্থতাৰ আন্ধাৰত সময়ৰ সংযম;
সহানুভূতিৰ মায়াত
কামনাৰ আত্মসমৰ্পন!

বিষাদ মলিন মুখত পৰিতিপ্তিৰ সন্ধানহীন হাঁহি;
মনৰ বিদ্বেষত ভাৱনাৰ আত্মনুসন্ধান!
ভাৱনাৰ কোলাহল আজি নীৰৱতাৰ আলোড়নঃ
ভাৱনাৰ কোলাহল আজি নীৰৱতাৰ আলোড়নঃ

## গুণ গুণ মৌমাখি

**নিত্যানন্দ গগৈ**
স্নাতক, চতুৰ্থ ষাণ্মাসিক

তোমাৰ নামেৰে
হৃদয়ত মধুৰ সুৰেৰে আজি প্ৰেমৰ গান,
এয়েতু তুমি যে আছা
মোৰ নতুন ঠিকনাত প্ৰেম!

সেমেকা সপোনবোৰে
থোৰ মেলে
নিজে প্ৰতিটো সময়, প্ৰতিটো পলক
প্ৰিয় হৈ পৰিছে

তুমি আছা বাবেই
বিচাৰি পাইছো তোমাত
এটি দুটি অনেক কবিতাৰ ছন্দ,
কলমৰ চিয়াঁহীৰে ডায়েৰীৰ পাতত
জাকিমাৰি উৰি ফুৰিছে
প্ৰেমৰ গুণগুণ মৌ মাখি....!

অতীতক পাহৰি অলেখ
ভালপোৱা দিছো বৰ্তমানক,
মৰমবোৰো গোপনে
ৰাখি ৰচিছো নতুন নতুন
সপোন অনেক!

তুমি আছা বাবেই
সপোনবোৰ আশা হৈ
ডেউকা মেলি উৰি উৰি....

কবিতা

## সময়ৰ সোঁতত বন্ধুত্বৰ স্মৃতি

লুকুমণি চাংমাই
স্নাতক, চতুৰ্থ ষাণ্মাসিক

বন্ধুত্ব বুলি ক'লে সদায়
মনত পৰে শৈশৱলৈ,
নিঃস্বাৰ্থ ভালপোৱাবোৰে যে
প্ৰেম আনে দুচকুলৈ।
সঁচাকৈ, কি যে মধুৰ আছিল
পৱিত্ৰ সেই ক্ষণবোৰ,
এবাৰলৈ পাহৰিব নোৱাৰা
সুমধুৰ সেই অতীতবোৰ।
স্মৃতি ৰোমন্থনৰ বেলিকাত
সদায়ে মনত পৰে তোমালৈ,
এবাৰলৈয়ো মনত পৰেনে তোমাৰ
দহ বছৰৰ আগৰ সন্ধিক্ষণলৈ।
শিক্ষক দিৱসৰ দিনাই
প্ৰথম চিনাকি তোমাৰ লগত,
অজিও ভাঁহি উঠে সেই দিনটো
মোৰ মানস পটত।
তেতিয়াৰ বন্ধুত্ব আছিল
নিস্বাৰ্থ মৰম,
কিন্তু আজিৰ বন্ধুত্বত যেন
স্বাৰ্থই ধৰম।
সময়ৰ পাকচক্ৰত পৰি
এৰা এৰি হোৱা হাতখন,
আজিও পোৱা হ'লে খামুচিব।
শাঁত পৰিলেহেঁতেন হিয়াখন।
অকলশৰীয়া জীৱন যাত্ৰাত
বৈ যায় মাথো স্মৃতিৰ বালি
নিসংগতাৰে ভৰপূৰ জীৱন নদীত।
থাকে মাথো অন্ধকাৰ আৰু পানী
আজিৰ এই জগত কেৱল যান্ত্ৰিকতাময়
নাই কোনো সদাচাৰ,
তথাপিও জীৱনটো সুখ-দুখ হাঁহি-কান্দোনৰ
অপূৰ্ব সমাহাৰ।



## চকুপানী

চুনম বৰুৱা
স্নাতক, যষ্ঠ যাণ্মাসিক

যিমানেই বিপদ হওক হেৰা চকুপানী
কেতিয়াও নেৰা তুমি কাৰো লগ।
বন্ধু বান্ধৱে যেতিয়া এৰি থৈ,
তেতিয়া তুমি মাথো থাকা বন্ধু হৈ
যেতিয়া প্ৰাণ এৰেচেনেহৰ পুত্ৰই
ব্যাকুলভাৱে কান্দে দুৰ্ভাগীনী মাতৃয়ে বিনাই,
যিমানেই দুখ আৰু যিমানেই সুখ,
সকলোতে তুমি থাকা মানৱৰ মাজত
হায়। যেতিয়া মহাসতী জয়মতীয়ে
কান্দিছিল অকলে কোটকৰা কাঁইটৰ খোচত।
অশোক বনত যেতিয়া জনক জীয়াৰী
আছিল বন্দীনি হৈ নাই তাত কোনো লগৰী
যি কালত হে চকুলো। তুমি লগৰীয়া,
দুৰ্ভাগীনী বৈদহীৰে বনৰ মাজত
বিপদৰ বন্ধু তুমি, কিনো তোমাৰ কোমল অন্তৰ।
এনুৱা বন্ধত্ব হায়। নাই কোনো মহামানৱ।



কবিতা

## অভিজ্ঞতা

প্ৰতিক্ষীত বৰঠাকুৰ
স্নাতক, যষ্ঠ যাণ্মাসিক

ধোদৰ আলিৰ কাষত এখন বাতৰি কাকতৰ দোকান
মইও লওঁ এখনমান
অৰ্থৰ অভাৱত দিব নোৱাৰো এটকামান
এদিন দুদিনকৈ গ'ল তিনি বছৰ
কিন্তু পৰিশোধ কৰিব নোৱাৰিলো এটা দিনৰ
এদিন হঠাৎ দূৰলৈ গ'লোগৈ
অৰ্থৰ সন্ধানত
থাকি গ'ল সেই ধাৰ
বাৰ বছৰৰ পিছত ঘূৰি আহিলো মই
সেই তিনি বছৰৰ ধাৰ পৰিশোধ কৰিবলৈ
সেই আলিৰ কাষত বৈ উলিয়ালো ধনৰ টোপোলাটো
দোকানৰ কাষত বৈ আছিল দাড়ি চুলি পকা এজন বৃদ্ধ
তেওঁৱেই আছিল দুকানৰ স্বত্বাধিকাৰী
ক্ষন্তেক চোৱাৰ পিছত চিনি পালে তেওঁ মোক
আগুৱাই দিলো সেই টোপোলাটো
হাঁহি মুখৰে তেওঁ ক'লে মোক
"কাকত দিছিলো তোমাক তোমাৰ দুখৰ সময়ত
এতিয়া তোমাৰ সুখৰ সময়
আনন্দৰ সময়
নালাগে সেই ধন পৰিশোধ কৰিবলৈ
পাৰিলে সহায় কৰিব অন্যজনক
ভাল লাগিল তোমাৰ বিশ্বাসী মনৰ গুণ দেখি"
এয়া শুনি মই দেখিলো মানৱতাৰ এক শ্ৰেষ্ঠ নিদৰ্শন
পালো এক চিৰকাল নিভাজ অভিজ্ঞতা।

## মনৰ নহয়,
## ধনৰ দুখীয়া আমি

ভৃগু হাজৰিকা
স্নাতক, ষষ্ঠ ষাণ্মাসিক

ঠগ-প্ৰৱঞ্চনা কৰি তোমাক
সুখী কৰিব নোৱাৰিম;
চোৰ-ডকাইটি কৰি তোমাৰ
অভাৱ দূৰ কৰিব নোৱাৰো
তুমি ৰাণী হ'ব বিচাৰিলে
মইটো ৰজা হ'ব নোৱাৰো
মোৰ উৰুখা পজা
খেতি-মাটি আধা
তেজক পানী কৰি
কৰো কাম
কমনো কি মিছা
কৰিমনো কি লাজ?
সহজ আৰু সাধাৰণ
মোৰ স্বভাৱ।
হয় মই পাছ হায়াৰ ছেকণ্ডৰী
তুমি বিচাৰিলেই মই
পামনো ক'ত চৰকাৰী চাকৰি...?
চাকৰিটো নালাগে গছত
আমলখি, শিলিখা লগা দি
বিচাৰিলেই যে পাম
আনৰ ঘৰৰ বাৰীত।
দামী-দামী ধাবাত কি খাবা
ফুট-পাথটো পাৰা (পাবা)
বঢ়িয়া খানা ....
তেতিয়া দেখিবা
তোমাৰ-মোৰ দৰে
মনৰ নহয় আছে আৰু
বহু ধনৰ দুখীয়া....

কবিতা

## একপক্ষীয়া ভালপোৱা

কৃতিকা দাস
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

চিনাকী তোমাৰ সৈতে বহুদিনৰ কিন্তু
হৃদয়ে নতুন চিনাকী বিচাৰে নতুন
ক'ব নোৱাৰো যদিও এবাৰো
তোমাক পোৱাৰ তৃষ্ণা জাগে বাৰে বাৰে
কলেজত তুমি থকা ঠাইত বাৰে বাৰে
ঘূৰি ফুৰা ক্লাচ চলি থকা সময়ত
তোমালৈ পিৰিক-পাৰাককৈ চাই থকা আৰু
তুমি ঘূৰি দিলেই আকাশ পাতাললৈ
মোৰ দৃষ্টি ঘূৰোৱা এইবোৰ চোন
একেবাৰেই নাইকিয়া হৈ গ'ল
ক'তনো হেৰাল এই দিনবোৰ সেই
মিঠা অনুভূতিবোৰ .....
তুমি মোৰ হৃদয়ত ধুনীয়া এটি ঘৰ
সাজিলা কিন্তু তুমি কেৱল
সাজি থৈয়েই গুচি গ'লা তাত থাকো
কেৱল মই আৰু মোৰ
একপক্ষীয়া ভালপোৱা
বহুত মিঠা এই একপক্ষীয়া ভালপোৱা
য'ত নাই তোমাক হেৰুৱাৰ বেদনা।
ফাগুন আহিলেই মোৰ তোমালৈ মনত পৰে
ফাগুনৰ সেই সৰা পাতবোৰে দি যায়
মোক তুমি ঘূৰি অহাৰ বতৰা।
তোমাক ভাল পাওঁ বুলি ক'বলৈ চোন
মোৰ ভয় লাগে কওঁ বুলি ভাবিলেও
বুকু কপি উঠে
থাকক এনেকৈ এনেদৰে ভাল লাগে
কিছুউ মিছা সান্ত্বনা আৰু কিছু মিছা
অনুভূতি লৈ চলি থকা মোৰ
একপক্ষীয়া ভালপোৱা।

## স্বাধীনতা আৰু আমি

তুষাৰ দ্বীপ তামাং
স্নাতক, ষষ্ঠ ষাণ্মাসিক

সৌ সিদিনাৰ ২০০ বছৰৰ ব্ৰিটিছৰ ৰাজত্ব
আজিও বৰ্তি আছে অকল্পনীয় প্ৰভুত্ব
তেওঁলোকৰ শাসনকাল বহুতৰ মতে আছিল ভাল
তৎক্ষণাত বহুতে উত্তৰ দিয়ে
বাগান, ৰে'ল নোহোৱা হ'লে অসমীয়া হ'লহেতেঁন
অসমতে মগনীয়া
ক'ব পাৰো আমি অতিবাহিত কৰো
নিৰক্ষৰ, নিপীড়িত, নিষ্পেষিত জীৱন
কিন্তু স্বাধীনোত্তৰ পাছতো
কাকো কৰা নাই শোষণ
ইয়াৰ আছে জ্বলন্ত নিদৰ্শন
যান্ত্ৰিক যুগত যন্ত্ৰণা
পৰৰ দেশত প্ৰতাৰণা
তাৰ নিখুঁট উদাহৰণ আমি অসমীয়া
অবৈধ বিদেশী আহিছে
আমি ক্ষন্তেকৰ কাৰণে হ'লেও দিছো ঠাই
সেই বুলি মানৱতাক আওকাণ কৰা নাই
অসম শংকৰ, মাধৱ, আজানপীৰৰ দেশ
য'ত সত্য, অহিংস, শান্তিৰ হয় উন্মেষ
আমি অসমৰ অক্লান্ত সংগ্ৰামী
কৰিব বিচাৰো ইতিহাসৰ পাত সলনি
শিক্ষাৰ দীপ্তিৰে হ'ব লাগিব উজ্জীৱিত
অসমৰ স্বাভিমান হ'ব নিদিওঁ লজ্জিত
ওলাই আহ
দৃঢ়ি কৰো একতাৰ এনাজৰী
আগুৱাই যাওঁ নৱ দিগন্তৰ পম খেদি
সকলো উচ্চ-নীচ, ধনী-দুখীয়াৰ প্ৰাচীৰ ভেদি
প্ৰতিষ্ঠিত হওক আমি লাচিতৰ সেনানী বুলি



# মহাবিদ্যালয়ৰ গৌৰৱ

২০২১-২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ বিভিন্ন শিতানত স্থান প্ৰাপ্ত বিজয়ীসকল






২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন শিতানত স্থান প্ৰাপ্ত বিজয়ীসকল


উদীপ্তৰাজ কলিতা
শ্ৰেষ্ঠ অভিনেতা



শ্ৰুতি বৰুৱা
শ্ৰেষ্ঠ অভিনেত্ৰী


আইভি ৰাজকুমাৰী
কৌতুক অভিনেত্ৰী ও
শ্ৰেষ্ঠ পৰিচালিকা


সৌৰভ কোঁৱৰ
কৌতুক অভিনেতা


পল্লৱ কাকতি
শ্ৰেষ্ঠ সহঃ অভিনেতা ও
মিষ্টাৰ সোণাৰি কলেজ


অনামিকা ডেকা
শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী


মানসজ্যোতি দেৱ
শ্ৰেষ্ঠ গায়ক


কুমাৰিকা ৰাজকুমাৰী
মিঃ সোণাৰি কলেজ


ৰঞ্জন য়েন
মিঃ সোণাৰি কলেজ


প্ৰণৱজ্যোতি বসুমতাৰী
শ্ৰেষ্ঠ এথলিট


অনিন্দিতা ৰাজকুমাৰী
শ্ৰেষ্ঠ তাৰ্কিক


লিজা ধাদুমীয়া
শ্ৰেষ্ঠ সমাজ সেৱিকা


বিষ্ণু প্ৰধান
শ্ৰেষ্ঠ সমাজ সেৱক



টুটুমণি বাড়ৈৰি
শ্ৰেষ্ঠ ভাৰ উত্তোলক



আন্তঃ বিশ্ববিদ্যালয়
ক্ৰিকেট প্ৰতিযোগিতাত
ডিব্ৰুগড় বিশ্ববিদ্যালয়ক
প্ৰতিনিধিত্ব কৰা সোণাৰি
মহাবিদ্যালয়ৰ গৌৰৱ

**ৰাজনিক মগৰ**

# মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন আলোকচিত্ৰ













# সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ বিভিন্ন আলোকচিত্ৰ

















অনুভৱৰ
একলম

# শৈশৱ আৰু বাল্যকালৰ ৰোমন্থন


**কল্যাণ চেতিয়া**
স্নাতক, চতুৰ্থ ষাণ্মাসিক




সোণালী শৈশৱৰ কথাই সুকীয়া। মানৱ জীৱনৰ এই সোণালী সময়কণত আমাৰ মনত কোনোধৰণৰ 'কেৰিয়াৰ চিন্তা' বা আন কোনোধৰণৰ চিন্তা নাথাকে। মনবোৰ হৈ থাকে নিষ্পাপ। সেয়ে শৈশৱৰ এই সময়চোৱাক আটাইতকৈ সোণালী সময় বুলি কোৱা হয়।

আন শিশুৰ দৰে আমিও আমাৰ শৈশৱৰ এই সময়কণ গাঁৱৰ সমনীয়াৰ লগত খেলাধূলা কৰি পাৰ কৰিছিলো। গাঁৱৰ বোকা-পানী গচকি, মুকলি পথাৰত গৰু খেদি, পথাৰত চেঁচু খান্দি আমাৰ এই সময়কণ পাৰ কৰিছিলো। কত যে কি স্মৃতি জড়িত হৈ আছে আমাৰ শৈশৱ আৰু বাল্যকালৰ লগত। ভিতৰুৱা গাঁৱত বাস কৰিছিলো বাবেই নে কি নাজানো ৰাস্তাৰে ডাঙৰ গাড়ী গ'লেই চাইছিলো। এতিয়াও মনত আছে আমি প্ৰায় ৮টামান ল'ৰাই মিলি দেওবাৰে কাকবনি চুকৰ নিচাদেউ এজনৰ ঘৰত TV চাইছিলো। কিয়নো আমাৰ গাঁৱত সেইসময়ত কাৰেন্টৰ সুবিধাই নাছিল। মই চতুৰ্থ শ্ৰেণীত পঢ়ি থকা বছৰতে আমাৰ গাঁৱলৈ কাৰেন্টৰ যোগান আহিছিল।

বিদ্যালয়লৈ যোৱাটো আমাৰ বাবে খুব আনন্দৰ কথা আছিল। পৰাপক্ষত আমি আটাইবোৰে বিদ্যালয় খতি নকৰিছিলো। যিহেতু প্ৰাথমিক পৰ্যায়ত আমি আটাইবোৰ খোজেৰেও বিদ্যালয়লৈ গৈছিলো সেয়ে ৰাস্তাত খেলি খেলি গৈছিলো, আম পকাৰ সময়ত পাৰিছিলো। পঢ়াৰ প্ৰতিও মোৰ আগৰেপৰাই আগ্ৰহ আছিল, সেয়ে পঢ়িছিলো।

শৈশৱ আৰু বাল্যকালৰ লগত জড়িত আছে আমাৰ বিহুজোৰা। বিহু বুলিলে আমি সৰুৰেপৰা বলীয়া আছিলো। চ'তৰ প্ৰথমৰপৰাই আমাৰ বিহুৰ আখৰা হৈছিল। বিহু আমি গাঁৱৰ ঘৰে ঘৰে কৰিছিলো। তেতিয়া আমাৰ বিহুখনত আজিৰ বিহুবোৰৰ দৰে পইচাৰ কথাই নাছিল। ভোজভাত খোৱা, বিহু গছৰ তলত উৰুৱাই দিয়া পৰম্পৰাবোৰ আমি পূৰ্বপুৰুষসকলৰপৰাই গ্ৰহণ কৰিছিলো। গাঁৱৰ ভাওনা চোৱাৰপৰা আৰম্ভ কৰি খেলা-ধূলা কৰোতে কৰা কাজিয়াবোৰতো যেন আপোনভাৱ এটা নিহিত হৈ আছিল।

সময়বোৰ পাৰ হৈ যোৱাৰ পাছতহে সময়ৰ মূল্য বুজিব পৰা যায়। সেইদৰে শৈশৱ আৰু বাল্যকাল পাৰ হৈ যোৱাৰ পাছত ইয়াৰ গুৰুত্বতা বুজিব পাৰিছো। অতীত ৰোমন্থন কৰিয়েই ভাল লাগে। এতিয়া সকলোবোৰ বন্ধু-বান্ধৱী, শৈক্ষিক কাৰ্যৰ বাবে, কৰ্মৰ বাবে গাঁৱত নাথাকেই। বছৰত এবাৰমান বিহুৰে, ভাওনাই লগ হওঁ। তেতিয়াই স্মৃতিবোৰ সজীৱ হৈ পৰে। তাঁহি আছে দুচকুত শৈশৱ আৰু বাল্যকালৰ কথাবোৰ।□

অনুভৱৰ একলম

# আপোন মহাবিদ্যালয়খন

**অঙ্গানজ্যোতি শইকীয়া**
স্নাতক, দ্বিতীয় ষাণ্মাসিক

১৯৭০ চনৰ ৫ আগষ্ট দিনটো সোণাৰি অঞ্চলটোৰ বাবে এটি চিৰস্মৰণীয় দিন। কিয়নো সেই দিনাই বৰ্তমান চৰাইদেউ জিলাৰ অন্যতম উচ্চশিক্ষাৰ কেন্দ্ৰ সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। সোণাৰি তথা বৃহত্তৰ চৰাইদেউ জিলাৰ যিসকল মহান মণিষীয়ে এনে এটা পৱিত্ৰ অনুষ্ঠান জন্ম দিয়াৰ কথা চিন্তা কৰি সোণাৰি মহাবিদ্যালয় নামেৰে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে সেইসকল মহান মণিষীৰ লিখনিৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। সেইসকল মহান ব্যক্তিয়ে এনে এটা অনুষ্ঠানৰ কথা হয়তো চিন্তা নকৰা হ'লে আমি আজি এই মহাবিদ্যালয়ত পঢ়িবলৈ নাপালোহেঁতেন। এই ছেগতেই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ চন্দ্ৰ বৰগোহাঁইদেৱলৈও শ্ৰদ্ধা নিবেদন কৰিছো। জানিবপৰা মতে ছাৰে তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰপৰা চাকৰি এৰি সোণাৰি অঞ্চলৰ ৰাইজৰ মৰম-চেনেহ এৰিব নোৱাৰি এখন অপ্ৰাদেশিকৃত মহাবিদ্যালয়ৰ গুৰিবঠা ধৰি নানা ঘাট প্ৰতিঘাটৰ মাজেৰে মহাবিদ্যালয়খন চৰকাৰীকৰণ কৰালৈকে যিখিনি কষ্ট স্বীকাৰ কৰিলে তাৰ বাবে আমি ছাৰৰ ওচৰত চিৰকৃতজ্ঞ।

১৬ আগষ্ট, ২০২২ চন, এই দিনটো আছিল মোৰ জীৱনৰ এটা উল্লেখযোগ্য দিন। বুকুত হাজাৰটা সপোন বান্ধি আৰু উৎফুল্লিত মনেৰে খোজ দিছিলো সোণাৰি মহাবিদ্যালয়ৰ প্ৰাঙ্গণত। শ শ ছাত্ৰ-ছাত্ৰীৰ মাজত নিজকে পাহৰি পেলাইছিলো, মনত অলপ অলপ ভয়ো লাগিছিল কিজানি কোনো দাদা-বাইদেৱে ৰেগিং কৰেই বা। বিভাগীয় শ্ৰেণীলৈ সোমাই নতুন নতুন বন্ধু-বান্ধৱীক লগ পালো আৰু চা-চিনাকী হ'লো, এইদৰে প্ৰথম দিনটো গ'ল। লাহে লাহে ক্লাছসমূহ আৰম্ভ হ'ল আৰু ছাৰ-বাইদেউসকলৰ লগতো এটি মধুৰ সম্পৰ্ক গঢ় লৈ উঠিল। দিন যোৱাৰ লগে লগে মহাবিদ্যালয়খন আপোন হৈ পৰিল, ৰেগিং নামৰ ভয়টো মনৰপৰা আঁতৰ হ'ল আৰু দাদা-বাইদেউসকলৰ লগতো চিনাকী হ'লো। প্ৰথম অৱস্থাত ক্লাছ নথকা সময়খিনি আমনি আমনি অনুভৱ হৈছিল। ভাবিছিলো তিনিটা বছৰ কেনেদৰে কটাম। কিন্তু লগৰীয়াসকলক লগ পাই আমনি অনুভৱ নোহোৱা হৈ থাকিল। লগৰীয়াসকলৰ লগত ক্লাছ নথকা সময়ত লাইব্ৰেৰী অথবা কেণ্টিনত সময় কটাওঁ। লাহে লাহে মহাবিদ্যালয়খন নিজতকৈ আপোন হ'বলৈ ধৰিছে আৰু মহাবিদ্যালয়ৰ হকে কিবা এটা কৰাৰ ইচ্ছা মনত জাগি উঠিছে। নাজানো কিমান দূৰ সফল হ'ব পাৰিম, কিন্তু সঁচা অৰ্থত মহাবিদ্যালয়খনক ভালপাওঁ বাবেই কিবা কৰাৰ ইচ্ছা মনত জাগি উঠিছে।

বৰ্তমান বুৰঞ্জীয়ে গৰকা সোণাৰি মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। আমি অতি ভাগ্যৱান যে সোণালী জয়ন্তী বৰ্ষতেই এই মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ সুযোগ পালো। আশা কৰিছো মহাবিদ্যালয়খনে যোৱা ৫০টা বছৰে যি ধৰণে মানৱ সম্পদ গঢ়ি তুলিলে সেইদৰে অনাগত সময়তো মানৱ সম্পদ গঢ়াত ভূমিকা পালন কৰিব।

সদৌ শেষত মহাবিদ্যালয়খনৰ দীৰ্ঘায়ু কামনা কৰিলো আৰু মহাবিদ্যালয়খন এইদৰে জিলিকি থাকক তাৰে আশা ৰাখিলো। শেষত এটা কথাই ক'ম—

সাৰে আছো আমি
হেজাৰ সেনানী
জ্ঞানৰ পূজাৰি হৈ,
কলা-বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।

□□□



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম

# অনুভৱৰ কেনভাছত

**দীৰ্ঘজ্যোতি দত্ত**

সৰ্বপ্ৰথমে মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো, যিসকলৰ অশেষ শ্ৰম আৰু মহান ত্যাগৰ বিনিময়ত সোণাৰি মহাবিদ্যালয়ৰ দৰে এক জ্ঞানৰ মন্দিৰ গঢ় লৈ উঠিছিল। লগতে আমাৰ সোণাৰি মহাবিদ্যালয়খনিৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলকে প্ৰমুখ্য কৰি সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে মই আজিও যথেষ্ট গৌৰৱ অনুভৱ কৰো। স্মৃতিৰ মানসপটত এতিয়াও সজীৱ হৈ আছে মই শিক্ষা গ্ৰহণ কৰি থকা কালছোৱাত মহাবিদ্যালয়খনৰ সৈতে জড়িত বহুবোৰ ৰঙীণ ছবি। ঋতু আহে ঋতু যায়। বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে সোণাৰি মহাবিদ্যালয়খনে আজি পূৰ্ণাংগ ৰূপত বৰ্ষজোৰা সোণালী জয়ন্তী উৎসৱৰ দুৱাৰদলিত উপনীত হৈছেহি।

আমি পঢ়ি থকা সময়ছোৱাৰেপৰা বৰ্তমানৰ সময়লৈকে মহাবিদ্যালয়খনে দ্ৰুতগতিত উন্নয়ন সাধন কৰিছে। চকুৰ প্ৰচাৰতে দেখি থকা মহাবিদ্যালয়খনিৰ আমূল পৰিৱৰ্তনে সঁচাকৈয়ে উৎসাহিত কৰি তোলে। বিভিন্ন সময়ত ছাৰ-বাইদেউসকলৰ পৰা পাই অহা উৎসাহ উদ্দীপনা, মৰম চেনেহ, তথা শিক্ষাৰ পোহৰে বৰ্তমান আমাৰ জীৱন গঢ়াত যথেষ্ট সহায় কৰিছে। শৈক্ষিক দিশৰ লগতে খেলা-ধূলা, তথা সাংস্কৃতিক দিশতো সোণাৰি মহাবিদ্যালয় যথেষ্ট আগবঢ়া। বৰ্তমান মই নিজেও যিহেতু সাংস্কৃতিক ক্ষেত্ৰখনৰ সৈতে জড়িত।

এই সংস্কৃতিৰ পথাৰত খোজ পেলাবলৈ মহাবিদ্যালয়খনিৰ পৰা মই যথেষ্ট অনুপ্ৰেৰণা পাইছিলো। সংগীতৰ প্ৰতি মোৰ প্ৰৱল হেঁপাহ আছিল। যাক প্ৰতীয়মান কৰাৰ ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰীতা দত্ত বাইদেৱে মোক যথেষ্ট সহায় কৰিছিল। যাৰ বাবে মই তেওঁৰ ওচৰত চিৰকৃতজ্ঞ।

অসমীয়া বিভাগৰ ছাত্ৰ হোৱা হেতুকে সদায়ে লগ পাইছিলো শ্ৰদ্ধাৰ শিক্ষাগুৰু বিনন্দ মহন ছাৰক। যাৰ ব্যক্তিত্বই মোক প্ৰভাৱিত কৰিছিল। শ্ৰদ্ধাৰ ৰঘুনাথ কাগয়ুং ছাৰৰ কবিতা-কবিতা যেন লগা কথা-বতৰাই মন আলোকিত কৰে আৰু বহু স্মৃতি বিজড়িত দুখৰীয়া ছবি, যি আজিও সজীৱ হৈ আছে মনৰ মাজত।

যিকি নহওক মহাবিদ্যালয়খনিৰ পৰা মই শিক্ষা জীৱন সমাপ্ত কৰা আজি ১৪ (চৈধ্য) বছৰেই হ'ল। তথাপি কেতিয়াবা কলেজৰ দিনবোৰ মনত পৰিলে আজিও নষ্টালজিক হৈ পৰো। কেতিয়াবা আৱেগিকো হওঁ। কিয়নো মহাবিদ্যালয়ৰ মনোমোহা পৰিৱেশৰ মাজত বন্ধু মহলেৰে ভৰা সেই ৰসাল দিনবোৰ আৰু কেতিয়াও ঘূৰাই নাপাওঁ।

শেষত ক'ব বিচাৰো যে এই মহাবিদ্যালয়খনিৰ পৰা মই বহু পালো। যিয়ে বৰ্তমান সময়ত সদায়েই মোক পথ দেখুৱাই, জ্ঞানৰ ইন্ধন যোগাই জীৱন যাত্ৰাত জয়ী হ'বলৈ। সোণাৰি মহাবিদ্যালয়খনক লৈ মই যথেষ্ট গৌৰৱ অনুভৱ কৰো। যি আজীৱন অটুত থাকিব। লগতে এই 'সোণালী' আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰিছো আৰু আলোচনীখনত মোৰ অনুভৱ ব্যক্ত কৰিবলৈ সুবিধা দিয়াৰ বাবে মই আলোচনীখনৰ সম্পাদিকা আকাংক্ষা শইকীয়ালৈ আন্তৰিক ধন্যবাদ যাঁচিলো।

আগন্তুক দিনতো যেন সোণাৰি মহাবিদ্যালয়খনে সগৰিমাৰে উজ্বলি থাকক আৰু শিক্ষা তথা জ্ঞানৰ বন্তিৰে পোহৰ বিলাওক। তাৰে কামনাৰে......

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

□□□

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম

# বিদ্যুৎ উৎপাদন ঃ এক আলোচনা

**বিষ্ণু প্ৰধান**

বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাই আৱৰা এই বিশ্বব্ৰহ্মাণ্ডক খনিজ সম্পদৰ যুগ বুলিও কোৱা হয়, কাৰণ এই সময়ছোৱাত খনিজ সম্পদৰ অত্যাধিক ব্যৱহাৰ সমগ্ৰ বিশ্বতে হোৱা পৰিলক্ষিত হয়। আমি সকলোৱে জানো খনিজ সম্পদ এবাৰ ব্যৱহাৰ কৰাৰ পিছত তাক পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি আৰু যিহেতু পৃথিৱীৰ খনিজ সম্পদ



সীমিত সেয়েহে ই এক সময়ত নাইকিয়া হ'ব বা শেষ হৈ যাব। ইয়াৰপৰা আমাৰ মনলৈ প্ৰশ্ন আহে, যদি খনিজ সম্পদ শেষ হৈ যাব তেতিয়া বিশ্বব্ৰহ্মাণ্ডত ইয়াৰ প্ৰভআৱ কেনেদৰে পৰিব? বিশ্বৰ দেশসমূহৰ উন্নয়ন থমকি ৰ'ব নিকি? ভৱিষ্যত গাড়ী মটৰ নাইকিয়া হ'ব নিকি? এইবোৰ প্ৰশ্ন আমাৰ মনলৈ অহাৰ বহুত আগতেই বিশ্বৰ বিজ্ঞানীসকলৰ মনলৈ আহিছিল আৰু যাৰ সমাধানত তেওঁলোকে প্ৰত্যেক দিনাই কষ্ট কৰি আহিছে। তেওঁলোকৰ এই প্ৰচেষ্টাত তেওঁলোক কিমান দূৰ সফল হৈছে সেই কথা আমি উপলব্ধি কৰিব পাৰিছো। কাৰণ বৰ্তমান বিজ্ঞানে খনিজ সম্পদৰ পৰিৱৰ্তে বৈদ্যুতিক শক্তিৰ প্ৰয়োগ কৰিছে য'ত তেওঁলোকৰ সফলতা আমি দেখিবলৈ পাইছো। বৰ্তমান বিশ্বত বহুতো খনিজ সম্পদৰ দ্বাৰা সম্পাদন হোৱা কাৰ্য বৈদ্যুতিক শক্তিৰ দ্বাৰা সম্পাদন হোৱা দেখা গৈছে আৰু এইয়া আমাৰ বিজ্ঞানীসকলৰ কষ্টৰ ফলত সম্ভৱপৰ হৈ পৰিছে।

আমি যদি নিজক প্ৰশ্ন কৰো তেন্তে প্ৰশ্ন হ'ব খনিজ সম্পদৰ পৰিৱৰ্তে বৈদ্যুতিক শক্তিৰ প্ৰয়োগে প্ৰকৃতিত কেনেদৰে প্ৰভাৱ পেলাব? এইবোৰ পৰিৱৰ্তনে মানৱ সমাজলৈ সুফল আনিবলৈ সক্ষম হ'বনে? এইবোৰ প্ৰশ্নৰ উত্তৰত আমি এটা কথা মন কৰিব লাগিব যে যিকোনো বস্তু নিৰ্দিষ্ট পৰিমাণে ব্যৱহাৰ কৰিলে ই উপকাৰী হয় কিন্তু যেতিয়া সেই বস্তুটোৰ অৱপ্যৱহাৰ হয়, অনিৰ্দিষ্ট পৰিমাণে হয় বা প্ৰয়োজনতকৈ বেছি পৰিমাণে হয় তেতিয়া ই অপকাৰী হয়। বৰ্তমান খনিজ সম্পদৰ যুগ এক সময়ত বৈদ্যুতিক শক্তিৰ যুগলৈ সলনি হ'ব। এতিয়াৰ মানুহে খনিজ সম্পদ ব্যৱহাৰ কৰিছে, তেতিয়াৰ মানুহে বিদ্যুৎ শক্তি ব্যৱহাৰ কৰিব কাৰণ ভৱিষ্যত দিনত সম্ভৱতঃ প্ৰায় ৩০-৩৫ বছৰৰ পিছত সকলোবোৰ কাম এতিয়া যিবোৰ খনিজ সম্পদৰ দ্বাৰা সম্ভৱ হৈছে তেতিয়া বিদ্যুতৰ দ্বাৰা সম্ভৱপৰ হ'ব। আমি জানো যিকোনো বস্তুৰ ব্যৱহাৰ বৃদ্ধি হোৱাৰ লগে লগে তাৰ প্ৰয়োজনীয়তাও বৃদ্ধি পায়। এটা সময়ত গড়ী মটৰৰপৰা আদি কৰি ইঞ্জিনৰ প্ৰায় সকলো বস্তু বিদ্যুতৰ দ্বাৰা চলিব। যিহেতু ভৱিষ্যত যুগ বৈদ্যুতিক যুগ হ'বলৈ গৈ আছে সেইবাবে কোৱা হৈছে যে ভৱিষ্যত এতিয়া বিদ্যুতৰ কামনা কৰিছে আৰু এচাম লোকে ইয়াৰ পৰিণাম চিন্তা কৰিছে।

বিদ্যুৎ উৎপাদনৰ কাৰক হৈছে জল বিদ্যুৎ প্ৰকল্প আৰু তাপ বিদ্যুৎ প্ৰকল্প। জল বিদ্যুৎ প্ৰকল্প হৈছে জলৰপৰা উৎপাদন হোৱা বিদ্যুৎ আৰু তাপ বিদ্যুৎ প্ৰকল্প হৈছে উটকট তাপৰ পৰা উৎপাদন হোৱা বিদ্যুৎ। আমি জানো যে বিদ্যুৎ উৎপাদন কৰিবলৈ নদী বান্ধ বনোৱা হয় আৰু এই বান্ধবোৰ বৃহৎ বৃহৎ আকাৰত বনোৱা হয়। যেতিয়া চৰকাৰে নদী বান্ধ প্ৰকল্প আৰম্ভ কৰে তেতিয়া তেওঁলোকক ডাঙৰ ডাঙৰ নদীৰ প্ৰয়োজন হয় যি নদীৰ পানী দ্ৰুত গতিত বয়। নদী বান্ধৰ বাবে তেওঁলোকে এক বৃহৎ এলেকা বাটি লয় আৰু সেই একেলাটোত থকা নানা গছ গছনি কাটি শেষ কৰিবলগীয়া হয়। অৰ্থাৎ জল বিদ্যুৎ উৎপাদন কৰিবলৈ তেওঁলোকক বনাঞ্চল ধ্বংস কৰিবলগীয়া হয়। নদী বান্ধে প্ৰকৃতি বা বনাঞ্চল ধ্বংস কৰাৰ লগতে আন এক সমস্যাৰ সৃষ্টি কৰে। যি ঠাইত বান্ধ বন্ধা হয় সেই ঠাইৰ বাসিন্দাসকলে নিবিচাৰিলেও বেলেগ ঠাইলৈ প্ৰব্ৰজন কৰিবলগীয়া হয়। এই প্ৰব্ৰজনৰ কাৰণে তেওঁলোক নানা সমস্যাৰ যেনে তেওঁলোকৰ ৰীতি-নীতি, সংস্কৃতি, আচাৰ-ব্যৱহাৰ, খাদ্যাভাস আদি সকলোবোৰ সলনি হোৱা দেখা যায়। এতিয়া যদি আমি জলবিদ্যুৎ উৎপাদনৰ পৰিণাম চিন্তা কৰো তেন্তে আমি দেখা পাম যে জলবিদ্যুৎ উৎপাদনে প্ৰথমতে প্ৰকৃতি আৰু দ্বিতীয়তে মানৱ সমাজলৈ সমস্যা কঢ়িয়াই আনিছে। মই ক'ব বিচৰা নাই যে বিদ্যুৎ উৎপাদনে কেৱল সমস্যাৰ সৃষ্টি কৰিছে, ইয়াৰ উৎপাদনে মানৱ সমাজৰ বিভিন্ন সুবিধাও হোৱা দেখা গৈছে। বিভিন্ন সমস্যাৰ সমাধান পোৱা গৈছে বিজুলী উৎপাদনৰ ফলত। আনহাতে তাপ বিদ্যুৎৰ ক্ষেত্ৰত আমি যদি মন কৰো তেন্তে আমি দেখিম যে তাপ বিদ্যুৎ উৎপাদন কৰিবলৈ হ'লেও সৰ্বপ্ৰথমে এটা বৃহৎ ডাঙৰ এলেকাৰ প্ৰয়োজন হয়। এটা ডাঙৰ এলেকাৰ ব্যৱহাৰ মানে সেই এলেকাত থকা গছ-গছনি নাটনি কৰা। তাপ বিদ্যুৎ উটকট তাপৰ পৰা উৎপাদন হয় যাৰ বাবে কয়লাৰ প্ৰয়োজন বিশেষ পৰিমাণে হোৱা দেখা যায়। বহু বেছি পৰিমাণে কয়লা দহন কৰিলে তাৰপৰা অত্যাধিক পৰিমানে তাপ উৎপন্ন হয় আৰু ই তাপ বিদ্যুৎ উৎপাদন কৰে। আমি সকলোৱে জানো যে কয়লা খনিজ সম্পদ আৰু কয়লা দহনৰ ফলত কাৰ্বহাইড্ৰেড, কাৰ্বন-ডাই-অক্সাইড, মিথেন আদি গেছৰ সৃষ্টি হ'ব যিয়ে পৰিৱেশ বিনষ্ট আৰু বায়ু প্ৰদূষণত গুৰুত্বভাৱে প্ৰভাৱ পেলায়। কয়লা যিহেতু খনিজ সম্পদ আৰু কয়লা লাভ কৰিবলৈ হ'লেও খনন কাৰ্য কৰিব লাগিব যাৰ বাবে বিভিন্ন গছ গছনি কাটিব লাগিব আৰু ইয়াৰ প্ৰভাৱ প্ৰকৃতিৰ ওপৰত দেখা দিব। অৰ্থাৎ বিদ্যুৎ উৎপাদন তাপৰপৰাই কৰা হওক বা নদী বান্ধৰ পৰাই কৰা হওক ইয়াৰ কু-প্ৰভাৱ কিন্তু প্ৰকৃতি আৰু মানৱ সমাজতে দেখা দিব। ইয়াৰ পৰাই আমি বুজিব লাগিব যে যদি আমি প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ কৰো, প্ৰয়োজনতকৈ বেছি প্ৰয়োগ কৰো তেন্তে প্ৰকৃতিয়েও ভৱিষ্যতে ভয়াবহ ৰূপ ল'ব আৰু ইয়াৰ পৰিণতি কিন্তু মানৱ সমাজে ভুগিব লাগিব। আমি উন্নয়নৰ দিশে গতি কৰাটো ভাল। কিন্তু প্ৰকৃতিৰ ধ্বংস কৰি উন্নয়নৰ কথা চিন্তা কৰাটো ভুল। উন্নয়নে এটা সমাজক বিশ্ব দৰবাৰত জিলিকাই তুলিব পাৰে কিন্তু সেই উন্নয়নৰ কাৰণে এক সময়ত এই জগতখনেও নিজৰ অস্তিত্ব হেৰুৱাই পেলাব পাৰে। বৰ্তমান সমাজ ব্যৱস্থাত যিদৰে উন্নয়ন দেখা দিছে ঠিক সেইদৰে আমাৰ জলবায়ু পৰিৱৰ্তন হোৱাও দেখা দিছে যিয়ে মানৱ সমাজলৈ কু বাৰ্তা কঢ়িয়াই আনিছে। আমি প্ৰকৃতি ধ্বংস কৰি উন্নয়ন অনাতকৈ প্ৰকৃতি সংৰক্ষণ কৰি জীৱন নিৰ্বাহ কৰাৰ কথা চিন্তা কৰাটো বেছি জৰুৰী।

শেষত এই লেখাৰ দ্বাৰা সকলোকে কাতৰ অনুৰোধ জনাওঁ, আহক আমি সকলোৱে মিলি প্ৰকৃতিৰ সংৰক্ষণ কৰো, সুস্থ পৰিৱেশ গঢ়ো আৰু একেলগে খোঁজত খোঁজ মিলাই আগবাঢ়ি যাওঁ।□

প্ৰাক্তন
ছাত্ৰ-ছাত্ৰীৰ
একলম
০

# অসমীয়া সংস্কৃতি আৰু আধুনিকতা

নেহা পাৰবিন

**"আজিৰ অসমীয়াই নিজক নিচিনিলে**
**অসম ৰসাতলে যাব"**

ভূপেন হাজৰিকাৰ এই গীতটিৰ তাৎপৰ্য বৰ্তমান সময়ত অসমীয়া সমাজত বাৰুকৈ পৰিলক্ষিত হোৱা দেখা গৈছে। অসমৰ সংস্কৃতি বিশ্বৰ ভিতৰতে চহকী সংস্কৃতি। অসমৰ সাজ-পাৰ, গীত-মাত, খাদ্য, পৰিৱেশ সকলো ক্ষেত্ৰতে এক সুকীয়া মৰ্যাদা আছে। কিন্তু আজিৰ সময়ত মানুহে আধুনিকীকৰণৰ নামত নিজ সংস্কৃতি পাহৰিব ধৰিছে। অথবা সংস্কৃতিৰ ৰীতি-নীতি আৰু সাজ-পাৰত পশ্চিমীয়া সংস্কৃতিৰ সানমিলহি ঘটাই এক বিভ্ৰাট সংস্কৃতিৰ জন্ম দিছে। যিয়ে দুয়ো সংস্কৃতিৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। বৰ্তমান যুগ বিশ্বায়ণৰ যুগ যদিও নিজ সংস্কৃতিৰ এক সুকীয়া পৰিচয় দাঙি ধৰা আৰু বাহাল ৰখাটো জনসাধাৰণ আৰু আগন্তুক প্ৰজন্মৰ কৰ্তব্য। এখন দেশৰ উন্নয়ন নিৰ্ভৰ কৰে সেই দেশৰ যুৱ প্ৰজন্মৰ ওপৰত। যুৱ প্ৰজন্মই নিজ সংস্কৃতি সংস্কাৰৰ ৰক্ষা কৰা আৰু আগবঢ়াই নিয়াত সদায় আগ্ৰহী নিজৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ প্ৰয়োজন। বৰ্তমান সময়ত এই ক্ষেত্ৰত বিচাৰ কৰিলে দেখা পোৱা আজিৰ বিশ্বায়নৰ যুগত অসমৰ সমাজ ব্যৱস্থা, খাদ্যাভাস, সাজপাৰ, সংস্কাৰ, সংস্কৃতিৰ ক্ষেত্ৰত পৰিৱৰ্তন হৈছে। বহিৰাগত প্ৰত্যেকটো বস্তুৰ আমদানিয়ে থলুৱা সামগ্ৰী তথা প্ৰতিটো বস্তুৰ ক্ষেত্ৰত পৰিৱৰ্তন পৰিলক্ষিত হোৱা দেখা গৈছে। অসমৰ থলুৱা অনুষ্ঠান বুলিলে পুতলা নাচ, ঢুলীয়া নৃত্য, ওজাপালি, সত্ৰীয়া নৃত্যৰ সলনি বাহিৰাগত নৃত্য, হিপহ'প, আদিৰ পয়োভৰ অধিক হোৱা দেখা যায়। থলুৱা সংগীতৰ সলনি পাশ্চাত্যৰ গীতক উপভোগ কৰা দেখা যায়। নিজ ভাষাৰ পৰিৱৰ্তে বিদেশী ভাষাৰ চাহিদা বৃদ্ধি, নমস্কাৰৰ ঠাইত হাই, হেল্লো। পিঠা, পনা বা অসমীয়া সমাজত প্ৰচলিত জলপান, খাদ্যৰ ঠাইত বহিৰাগত খাদ্যৰ প্ৰভাৱ। বিয়া ঘৰত আয়তীৰ বিয়ানামৰ সলনি ডি জে অনান্য বহিৰাগত গীত। ফেচনৰ নামত জিন্সৰ লগত চাদৰ যোগ কৰি ফিউজন সৃষ্টি কৰা। পাশ্চাত্য অনুকৰণ কৰাটো বেয়া কথা নহয়। কিন্তু কেৱল পাশ্চাত্য অনুকৰণ কৰি নিজ সংস্কৃতিক পিঠি দিয়া এক অত্যন্ত দুখজনক বিষয়।

মানুহ সময়ৰ লগত আগবঢ়াৰ প্ৰয়োজন আধুনিকতাক আকোঁৱালি লোৱা প্ৰয়োজন। কিন্তু এই ক্ষেত্ৰত কৃত্ৰিমতা আকোঁৱালি লৈ নিজৰ সংস্কৃতিৰ ব্যাখ্যাত জন্মালে নিজৰ শিপা পাহৰি যোৱাও যুক্তি সংগত নহয়। আমি আধুনিকতাবাদ মানি লোৱা প্ৰয়োজন বিশ্বায়নত গুৰুত্ব দিয়াৰ প্ৰয়োজন। কিন্তু, আধুনিকতাবাদৰ নামত নিজৰ সাংস্কৃতিক পৰম্পৰাৰ পৰা আঁতৰি যোৱাই এখন সাংস্কৃতিক ক্ষেত্ৰত অন্ধকাৰ নমাই।

সময়ৰ লগত নিজ সংস্কৃতিকো আগবঢ়াই নিবলৈ বিশ্ব দৰবাৰত চিনাকী কৰি দিবলৈ আমি যত্নপৰ হোৱা উচিত। প্ৰত্যেক অসমীয়া নিজ সংস্কৃতিক লৈ গৰ্ববোধ কৰিব লাগে।



প্ৰাক্তন
ছাত্ৰ-ছাত্ৰীৰ
একলম

# সোণাৰি মহাবিদ্যালয়

পলাশ প্ৰতীম আদিত্য বৰঠাকুৰ

হে! ঐতিহ্যমণ্ডিত জ্ঞানৰ মন্দিৰ
তোমাক সহস্ৰ প্ৰণাম।
সোণাৰু কৃষ্ণচূড়াৰ নান্দনিক পৰিৱেশৰ মাজত অৱস্থিতি তোমাৰ
তোমাৰ চৌপাশৰ পৰিৱেশে জীপাল কৰে মন-প্ৰাণ।
সুদীৰ্ঘ ৫০টা বছৰে তুমি গঢ়িলা বহু মানৱ সম্পদ
সৃষ্টি কৰিলা অনেক প্ৰতিভা।
তোমাৰ বুকুতেই জন্ম হ'ল অজস্ৰ সপোন।
বাস্তৱ ৰূপ পালে বহু সপোনে।
হে! পৱিত্ৰ জ্ঞানৰ মন্দিৰ
সোণালী জয়ন্তীৰ শুভক্ষণত তোমালৈ অন্তৰৰ নিভৃত কোণৰপৰা
জনাইছো একাঁজলি শ্ৰদ্ধা
সেই মণিষীসকললৈ সহস্ৰ প্ৰণাম
যাৰ কষ্ট, ত্যাগৰ ফলত মহাবিদ্যালয়খনি প্ৰাণ পাই উঠিল।
হে! ঐতিহ্যমণ্ডিত জ্ঞানৰ মন্দিৰ
তুমি যেন উজ্বলি থাকা চিৰদিন, চিৰকাল।।


□□□



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম

# জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰাসংগিকতা

প্ৰজ্ঞাশ্ৰী দুৱৰী



বিশ্বব্ৰহ্মাণ্ড সৃষ্টিকৰ্তাৰ এক অপূৰ্ব সৃষ্টি। বিচিত্ৰ পশু-পক্ষী, চৰাই-চিৰিকটি, প্ৰৱাহমান নদ-নদী, সাগৰ-মহাসাগৰ, গছ-গছনি আদিৰ সৌন্দৰ্যত আমি সকলোৱেই মন্ত্ৰমুগ্ধ। প্ৰকৃতিৰ বাবেই এই পৃথিৱীখন আমাৰ চকুত বিনন্দীয়া ৰূপে ধৰা দিয়েহি। আমি পৃথিৱীৰ বাসিন্দা আৰু নিৰ্ভৰশীল প্ৰকৃতিৰ ওপৰত। দৈনন্দিন কৰ্ম ব্যস্ততাৰ পৰা আঁতৰি আহি আমি সকলোৱেই প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত বুৰ যাবলৈ সম্প্ৰতি প্ৰায়েই আঁচনি প্ৰস্তুত কৰো।

বৰ্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি সম্পদ, জীৱমণ্ডল আৰু মানৱ জীৱনৰ সুবিধাৰ্থে জৈৱ বৈচিত্ৰ্যৰ লগতে সকলোবোৰ পৰিস্থিতিৰ নীতিগত পৰিচালনা অতিকৈ প্ৰয়োজনীয় প্ৰকৃততে আমি প্ৰত্যেক মানুহেই জীৱ বৈচিত্ৰ্যৰ লগত ওতঃপ্ৰোতভাৱে জড়িত যদিও ইয়াৰ সংৰক্ষণ আৰু উপযুক্ত ব্যৱহাৰ আমি কৰিব নিবিচাৰো। যিখন প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ আমি দিনৰ পাছত দিন পাৰ কৰি আহিছো সেইখন বিনন্দীয়া প্ৰকৃতিকেই আমি ধ্বংসৰ পথলৈ থেলি দিবলৈও কুণ্ঠাবোধ কৰা নাই। আমাৰ অবিচাৰ আৰু মুৰ্খামীৰ বাবেই জৈৱ-বৈচিত্ৰৰ অনেক সম্পদ অপৰিচিত অৱস্থালৈ বিলুপ্তপ্ৰায় হৈ পৰিছে। ইয়াৰ সংৰক্ষণৰ দায়িত্ব কেৱল চৰকাৰী পক্ষৰে নহয়। জীৱশ্ৰেষ্ঠ হিচাপে প্ৰতিজন লোকৰে এয়া দায়িত্ব আৰু কৰ্তব্য। চৌপাশৰ প্ৰাকৃতিক সম্পদসমূহ অক্ষত অৱস্থাত থ'ব পৰাটোও ভৱিষ্যত প্ৰজন্মৰ বাবে এক যোগাত্মক দিশ। এই উপভোগ্য বসুন্দৰাখন কেৱল মানুহৰ বাবেই নহয় ক্ষুদ্ৰাতি-ক্ষুদ্ৰ অনুজীৱটোৰপৰা বৃহৎ প্ৰাণীটোলৈকে সকলোৰে সমাজ অধিকাৰ আছে এই প্ৰকৃতিৰ ওপৰত। জৈৱ বৈচিত্ৰ্যৰ পৰাই মানুহে খাদ্য, পোচাক, ঔষধ, ইন্ধন, উদ্যোগিক সামগ্ৰী আদি সংগ্ৰহ কৰে তথাপি ইয়াৰ সংৰক্ষণৰ পৰিৱৰ্তে ধ্বংস যজ্ঞৰ হৈ সূচনা অবিৰত ৰূপত হ'বলৈ ধৰিছে। প্ৰাকৃতিক ভাৰসাম্যসমূহ ৰক্ষা কৰিবলৈ হ'লে জনসাধাৰণৰ মাজত বনাঞ্চল সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কে সজাগতা বৃদ্ধি কৰিব লাগিব এনেবোৰ ক্ষেত্ৰত উপদেশতকৈ আৰ্হিয়েই হয়তো অধিক ফলপ্ৰসু হ'ব। চিন্তা কৰি সৃষ্টি কৰিব কেৱল মানুহেহে পাৰে। ৰুষ্ট প্ৰকৃতিৰ গতিক ৰুধিব লাগিব মানুহেই। বনাঞ্চল ধ্বংস হৈছে যিদৰে সৃষ্টিও কৰিব লাগিব তেনেদৰে। হাজাৰ হাজাৰ মাইল খোঁজ দিয়াৰ আগতে আমি এখোঁজেৰে যাত্ৰা আৰম্ভ কৰিব লাগিব। তাকে যদি নহয় সময়তকৈ বহু আগতে প্ৰকৃতিয়ে আমাক ধ্বংস কৰি প্ৰতিশোধ লোৱাৰ আৰম্ভ কৰিব।□



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম

# নমস্য পুৰুষ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ

অনুপম শইকীয়া

'কোন দূৰ অতীতৰ ধ্যানমগ্ন যোগী তুমি
তৱ পুণ্য কিৰণেৰে কৰিলা পৱিত্ৰ ভূমি।
বোৱালা ভক্তিৰ সোঁত, দিলা ধৰ্ম দিলা জ্ঞান,
দিলা ভাষা অসমক কৰিলা জীৱন দান।
তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ,
গোটেই অসমভূমি বিস্তৃত জীৱনী যাৰ।'

— যতীন্দ্ৰনাথ দুৱৰা

অসমৰ জন-জীৱনত শংকৰদেৱৰ আৱিৰ্ভাৱে এক নতুন যুগৰ সূচনা কৰিছিল। সেই সময়ক অসমৰ পৰিস্থিতি ভগ্নপ্ৰায় ৰূপত আছিল। ধৰ্মৰ নামত হিংসা, বিদ্বেষ, ৰক্তপাতেৰে সমাজ পংগু হৈ পৰিছিল। তেনে ক্ষণতেই অসম মাতৃক এই বিপদৰ পৰা ৰক্ষা কৰিবলৈ জন্ম হৈছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ।

আহিন মাহৰ শুক্লা দশমী তিথিত নগাঁও জিলাৰ বৰদোৱাৰ আলিপুখুৰী নামে গাঁৱত ১৪৪৯ চনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা। নিচেই কম বয়সতে শঙ্কৰে পিতৃ-মাতৃক হেৰুৱালে। ঘাট মাউৰা শংকৰক তুলি-তালি ডাঙৰ কৰে আইতাক খেৰসুতীয়ে। বাৰ বছৰ বয়সত শঙ্কৰক আইতাকে মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে। অতি কম দিনৰ ভিতৰতে শংকৰে নিজৰ পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰে। 'ক' ফলা শিকিয়েই শংকৰে 'আ' কাৰ 'ই' কাৰ নোহোৱাকৈ এটি সুন্দৰ কবিতা লিখে।

কৰতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ শৰ হত দশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱ ভয় তৰণ।
পৰ পদ লয় কৰ কমলজ নয়ন।।

অফুৰন্ত মেধা আৰু প্ৰজ্ঞাৰ পৰিচয় দিয়া শংকৰক গুৰু মহেন্দ্ৰ কন্দলীয়ে 'দেৱ' উপাধি প্ৰদান কৰি ওজা ছাত্ৰ পাতিলে।

শিক্ষা জীৱনৰ অন্তত শঙ্কৰদেৱ নিজ গৃহলৈ ঘূৰি আহি শিৰোমণি ভূঞাৰ বিষয়বাব ল'বলগা হয়। সেই সময়ত তেওঁৰ বয়স কম হৈ থকাৰ বাবে 'ডেকাগিৰী' নামেৰে জনাজাত হয়। কিন্তু কম দিনৰ ভিতৰতে তেওঁ এই বিষয়বাব ত্যাগ কৰে।

শংকৰে ২১-২২ বছৰ বয়সত প্ৰথম সূৰ্য্যৱতীৰ লগত বিবাহ পাশত আৱদ্ধ হয়। তিনি বছৰৰ পাছত সূৰ্য্যৱতীয়ে মনু নামৰ এটি কন্যা সন্তান জন্ম দি মৃত্যু মুখত পৰে। পুনৰ শংকৰে কালিন্দীৰ লগত দ্বিতীয় বিবাহ পাশত আৱদ্ধ হয়।

প্ৰথমা পত্নীৰ কন্যা মনুক বিয়া দি শংকৰদেৱ তীৰ্থ ভ্ৰমণলৈ ওলাল। বাৰ বছৰ কাল শঙ্কৰদেৱে ভাৰতৰ বিভিন্ন তীৰ্থস্থান দৰ্শন কৰে। এই ভ্ৰমণৰ পৰা আহি বন্ধু-বান্ধৱৰ অনুৰোধত 'চিহ্নযাত্ৰা' নাট ৰচনা কৰি ভাওনা প্ৰদৰ্শন কৰে।

শঙ্কৰদেৱৰ মতে ধৰ্মৰ মূল বিষয়বস্তু ঈশ্বৰৰ নাম। সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ একমাত্ৰ অধিকাৰী এজনেই ভগৱান। মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা ধৰ্মক মহাপুৰুষীয়া ধৰ্ম বা বৈষ্ণৱ ধৰ্ম বুলিও জনা যায়। 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' এয়ে বৈষ্ণৱ ধৰ্মৰ সাৰমৰ্ম।

শঙ্কৰদেৱৰ পূৰ্বে অসমত সাম্য, সৌম্য, মমতা, সভ্যতা সংস্কৃতিপূৰ্ণ কোনো প্ৰগতিশীল সমাজৰ প্ৰমাণ পোৱা নাযায়। গণতান্ত্ৰিক সমাজবাদৰ ভেঁটি নিৰ্মাণ কৰাত বিশ্বৰ ভিতৰত সৰ্বপ্ৰথম, সৰ্বশ্ৰেষ্ঠ আদৰ্শ শংকৰদেৱ। তেওঁ গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, নগাৰ নৰোত্তম আৰু আহোমৰ নৰহৰি ইত্যাদি বিভিন্ন জাতি, বৰ্ণ, গোষ্ঠী নিৰ্বিশেষে সকলোকে শিষ্যত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে —

কুকুৰ শৃগাল, গৰ্দ্দভৰো আত্মাৰাম,
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।

শ্ৰীমন্ত শঙ্কৰদেৱে গীত আৰু নাট এই দুটি মাধ্যমৰ জৰিয়তে ধৰ্ম প্ৰচাৰত মন দিছিল। বৰগীত আৰু অংকীয়া নাট গুৰুজনাৰ আপুৰুগীয়া অৱদান। তীৰ্থ ভ্ৰমণৰ সময়ত শঙ্কৰদেৱে 'মন মেৰি কাম চকগেহি লাও, তত্ৰিঃ দেখনা অন্তক আও বুলি

সংসাৰৰ প্ৰতি বৈৰাগ্য আৰু ৰাম ভক্তিৰ মহিমাৰে গীত ৰচনা কৰে। মহাপুৰুষজনে ছকুৰি সুমধুৰ বৰগীত ৰচনা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত অংকীয়া নাটসমূহৰ ভিতৰত আছে - চিহ্নযাত্ৰা, কালীয় দমন, কেলিগোপাল, ৰাম বিজয়, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, পত্নীপ্ৰসাদ ইত্যাদি।

শঙ্কৰদেৱ অসমীয়া ভাষা সাহিত্যৰ জনক। মহাপুৰুষজনাক সাহিত্যৰ স্তম্ভ হ'ল কীৰ্তন পুথি। ভাগৱতৰ ১ম, ২য়, ৩য় স্কন্ধ, ৬ষ্ঠ স্কন্ধক প্ৰথমছোৱা, ৮ম স্কন্ধক কিছু অধ্যায়, দশমক প্ৰথম অংশ, একাদশ আৰু দ্বাদশ স্কন্ধ গুৰুজনাই অসমীয়ালৈ ভাঙনি কৰে। ভাগৱতৰ কাহিনীক লৈ হৰিশ্চন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান, বলিছলন ইত্যাদি আৰু অন্যান্য গ্ৰন্থৰ ভিতৰত ভক্তি প্ৰদীপ, অনাদিপতন, ভক্তি ৰত্নাকৰ, গুণমালা, নিমিনৱ সিদ্ধ সংবাদ, ৰামায়ণৰ উত্তৰাকাণ্ড ইত্যাদি বহুমূলীয়া গ্ৰন্থ সম্ভাৰেৰে সাহিত্যৰ জগতখনক উভৈনদী কৰি গৈছে।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ<br>
জানা যেন কল্পতৰু<br>
তাহান্ত বিনাই নাহি নাহি নাহি<br>
আমাৰ পৰম গুৰু।

শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতীয় জীৱনৰ পিতৃ। ১৫৫৮ চনত মহাপুৰুষজনাই ছকুৰি বছৰীয়া মানৱ জীৱনৰ অৱসান ঘটায়। অসমীয়া জাতি আজি স্বকীয় ৰূপত বিশ্বৰ দৰবাৰত এক সুকীয়া আসনত বহিব পাৰিছে, ইয়াৰ মূলতে আছে শঙ্কৰদেৱৰ সমৃদ্ধিশালী অৱদান। গীত-বাদ্য, নাট্য-চিত্ৰ-সাহিত্য প্ৰতিটো দিশ সামৰি ধৰ্মৰ মাজেদি গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠা কৰা শংকৰদেৱৰ দৰে ব্যক্তিত্ব পৃথিৱীৰ বুকুত বিৰল। অসমৰ পবিত্ৰ ভূমি ভক্তি ৰস সোঁতেৰে টৌৱাই মানৱতাৰ ভেঁটি বন্ধা শ্ৰীমন্ত শঙ্কৰদেৱ যুগ-যুগান্তৰৰ বাবে নমস্য পুৰুষ।□

নগেনে ৰাতি ১২ বজাত ওৱাইন চ'প দোকানীৰ মালিকক ফোন লগালে ...

নগেন ঃ আপোনাৰ দোকান কেইই বজাত খুলিব?<br>
দোকানী ঃ দুপৰীয়া ২ বজাত।

অলপ পিছত আকৌ...

নগেন ঃ আপোনাৰ দোকান কেইই বজাত খুলিব?<br>
দোকানী ঃ কাইলৈ দুপৰীয়া ২ বজাত।

৫ মিনিট পিছত আকৌ...

নগেন ঃ আপোনাৰ দোকান কেইই বজাত খুলিব?<br>
দোকানী ঃ (খঙেৰে) আৰে ধুমকলা কাইলৈ দুপৰীয়া ২ বজাত। কিমানবাৰ ক'ব লাগে?<br>
নগেন ঃ আচলতে মই আপোনাৰ দোকানৰ ভিতৰতপৰা কৈ আছো।

লগে লগে দোকানী দৌৰি আহি দোকানৰ তলা খুলি ভিতৰলৈ চাই দেখে ভিতৰত কোনো নাই। এনেতে পিছফালৰপৰা নগেনে মাত লগাতে....

ঃ দোকান খুলিলেই যেতিয়া কুৰাটাৰ এটা দিয়ক। 'ৰয়েল ষ্টেগ'হে দিব দেই।

☺😐☹

সংগ্ৰহ ঃ **অল্পী দাস**, স্নাতক, চতুৰ্থ যাণ্মাসিক



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একলম

# ECONOMICS

**Simran Kour**

***Why is it important to study economics?***

Economics plays a role in our everyday life. Studying economics enables us to understand past, future and current models, and apply them to societies, governments, businesses and individuals.

***What is economics?***

To understand why the study of economics is important, we first need to understand what economics is.

Collins English Dictionary defines economics as a "The study of the way in which money, industry, and trade are organized in society".

Considered a social science, economics provides scientific methods to understand how scarce resources are exchange within society. Economists study theories and techniques useful for developing policies in government as they have a deep understanding of how to create efficiency in today's world.

American economist Thomas Sowell provides another useful definition "Economics is the study of cause and effect relationships in the economy".

***So, why is economics important?***

This inquiry into cause-and-effect relationships is the key to influencing economic growth. Economists will look at risks and benefits on people, the job market and society as a whole when advising how to allocate resources.

**Economic theories :** There are many different areas of economics we can study, we can look at these or macroeconomic (large scale) or microeconomics (individual) levels.

There are four types of economic systems:

1. Traditional Economic System
2. Command Economic System
3. Market Economic System
4. Mixed Economic System

**Economics in Real Life:** Applied economics is the term used to describe how economic theories can be applied to real world situations. This looks at everything from costs and benefits to predated human behavior to make an informed division.

**Importance of studying economics:** So, why do we study economics? Here are five reasons why studying economics is important.

**i. Informs decisions**

Economists provide information and forecasting to inform decisions within companies and government. This knowledge of economic or economic intelligence is based on data and modeling.

**ii. Influences Everything**

Economic issues influence our daily lives. This indeed issues such a tax and inflation, interest rates and wealth, inequality and emerging markets and energy and the environment. A broad subject, economics provides answers to a range of health, social and political issuer that impact householder and wider communities.

**iii. Impacts industries**

Firms of all sizes and industries have to retry on economics, whether that's for producer research and development, pricing. Strategies or how to advertise. This wide influences means studying economics can open up a verity a career options across all sectors of the economy, from agriculture to manufacturing to banking and consultancy.

**iv. Inspires business success**

Understanding how consumers behave is vital for a business to succeed. Economists use theories and models to predicts behavior and inform business strategies. For example how to analyze 'big data'.

***Should I study economics?***

An economics course will give an in-depth understanding of core economic theory and how to apply it to the real business world.

We will also develop a range of transferable skills, such as :

1. Communication
2. Problem Solving
3. Research
4. Numeracy
5. Time management

Economics is a widely respected field to study and provides an alternative to an accounting and finance degree as it offers similar career opportunities for graduates. We could work in job within a range of industries, such as:

1. Banking
2. Finance
3. Accountancy
4. Business
5. Government
6. Consultancy

□□□

# মনোজগত

দীপাঞ্জলি ডেকা

মন স্বাধীনমনা। যাৰ পৰিসীমা নাই, শিকলিৰে যাক বান্ধিব নোৱাৰি, য'ত দেৱাল দিব নোৱাৰি উচ্চ-নীচ-ধৰ্ম বৰ্ণৰ। নিজেই নিজক প্ৰাধান্য দি মনৰ মাজত এখন ধুনীয়া জগত সাজি, সাতোৰঙী ৰামধেনুৰ ৰং বুলাই য'ত দিব পাৰি সেয়াই মনোজগত। এখন আমাৰ ভাললগা পৃথিৱী, যাক আমি কঢ়িয়াই লৈ ফুৰো সংগোপনে। যিখন পৃথিৱীত বিনাদ্বিধাই সপোন দেখিব পাৰি হেঁপাহ পলুৱাই।

মনোজগতৰ এক সুকীয়াই বৈশিষ্ট। কল্পনাৰ ৰহণ সানি যাক ৰঙীণ কৰিব পাৰি, যি দৃশ্যমান চকুৰে নহয় যদিও আমাৰ পঞ্চইন্দ্ৰিয়ই অনুভৱ কৰিব পাৰি। এই যে ফুলপাহ ফুলিলে মনটি ৰঙীণ হৈ পৰে, সূৰুযে ৰাঙলী হৈ ধৰা দিলে সজীৱ অনুভৱ হয় জোনৰ, মধুৰ হাঁহিত শান্তিৰে টোপনি যোৱাৰ হেঁপাহকণ জাগে, চৰাইৰ কাকলিত মনটি নাচি উঠে এই সকলোবোৰ মনোজগতৰ পৰিঘটনা! ঋতুৱে বাগৰ সলালে হোৱা প্ৰকৃতিৰ পৰিৱৰ্তন, পৃথিৱীৰ আহ্নিক-বাৰ্ষিক গতিৰ লগে লগে সময় বাগৰি গৈ আছে, বয়স ৰৈ থকা নাই ... এই কাৰকৰ উপলব্ধিৰ আঁৰত আছে মনোজগত। কেৱল মানৱ জীৱন নহয় ... পৃথিৱীত জীয়াই থকা প্ৰতিটো প্ৰাণীয়ে উপলব্ধি কৰিব পৰা পৰিৱৰ্তনবোৰ সামৰি মনোজগতক বহল পৰিসৰত অন্তৰ্ভুক্ত কৰিব পাৰি।

সপ্তসুৰ ৰাগ-ৰাগিনীৰ সৃষ্টিৰ মুলতঃ মনোজগত। মনোজগততেই ৰহণ সানি সৃষ্টি কৰিব পাৰি মনপৰশা গীত। যি গীতে বাস্তৱ জীৱনৰ সাময়িক দুখ বেদনাৰ পৰা কিছুপৰ হ'লেও সকাহ দিয়ে, মনলৈ আনে প্ৰশান্তিৰ বন্যা! প্ৰাচীন কালৰেপৰা এই সপ্তসুৰৰ চৰ্চাত গুৰুত্ব দিয়া দেখা যায়, অৰ্থাৎ মনোজগতক প্ৰাধান্য দিয়া এটা নতুন বিষয় নহয়। ৰং-তুলিকাৰ ছবি অংকন কৰাও সম্ভৱ এই মনোজগতৰ বাবেই। আদিম কালতে আদিম মানৱে গুহাত চিত্ৰ অংকন কৰা এয়াই প্ৰমাণ কৰে যে মানুহ সৃষ্টিৰ পৰাই চলিত মনোজগত।

মনোজগতৰ শক্তি এক অদৃশ্য শক্তি। মানুহৰ ইচ্ছা শক্তিয়ে যিকোনো অসম্ভৱ কামেই কৰিব পাৰে। প্ৰযুক্তিবিদ্যায়ো এয়া সুন্দৰভাৱে উপস্থাপন কৰিছে যে মানুহৰ শাৰীৰিক সুস্থতা আৰু সুস্থ মন এটা আনটোৰ পৰিপূৰক। মহান ব্যক্তি ষ্টিফেন হকিং শাৰীৰিকভাৱে অক্ষম হ'লেও কেৱল মনৰ জোৰতেই অলেখ গ্ৰন্থ ৰচনা আৰু বিজ্ঞান জগতলৈ অমূল্য অৱদান আগবঢ়াই গৈছে। চিকিৎসা শাস্ত্ৰত মানুহৰ অধ্যয়ন আৰু প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰা বিভাগক চাইক'লজি (Psychology) বুলি কোৱা হয়। অৰ্থাৎ মানসিকভাৱে অক্ষম হ'লেও এজন ব্যক্তিৰ স্বাভাৱিক জীৱন-যাপন স্তব্ধ হ'ব পাৰে। আধ্যাত্মিক দিশতো ইয়াৰ যথেষ্ট গুৰুত্ব আছে। মন-প্ৰাণ একত্ৰিত কৰি কেৱল এটি অদৃশ্য শক্তিক উৎস হিচাপে লৈ অধ্যয়ন কৰাই হৈছে আধ্যাত্মিক। অন্তৰাত্মাক উপলব্ধি কৰিব পাৰিলে মানসিক শান্তি পাব পাৰি, যিয়ে দুখ-কষ্ট লাঘৱ কৰিব পাৰে। মনৰ উচ্চকাংক্ষাই বহুতো দুঃসাহসিক কাম সাধন কৰিছে, অভাৱবোৰ পূৰণ কৰিছে। মনোজগত এক কম পৰিসৰত সামৰিক পৰা বিষয় নহয় আৰু ইয়াৰ কাৰকবোৰেই ইয়াক এখন সুকীয়া আসন দিছে।□

## সাঁথৰ


সংগ্ৰহকাৰী ঃ **প্ৰিঙ্কিপ্ৰিয়া গগৈ**
স্নাতক, চতুৰ্থ ষাণ্মাসিক

১। বাঘ নহয় মানুহ খাই, পক্ষী নহয় উৰি যায়, হাতী নহয় শুঁৰ আছে, জন্তু নহয় ঠেং আছে।
২। এখন গাড়ীৰ এশ চকা, চুই দিলে হয় বেঁকা।
৩। এশজনী গোপিনীৰ এখনেই পিঠা, গাইজনী গাভিনী গাখীৰ দিয়ে মিঠা।
৪। খোৱাত এটা, কোৱাত এটা, কামত এটাও নাই। সেইটো কি বস্তু কোৱাচোন ভাই।

উত্তৰ ঃ
১। মহ ২। কেৰেলুৱা ৩। মৌ জোল ৪। 'ৱ' আখৰটো







## Tears

Swarupa Tamuli

In those sparking eyes
That seem to be the prettiest one
Brown in color
Quite dazzling
Under the bright sunlight
Tears seemed to form
The cherry coloured lips
As soft as cotton
Trembling but curving
Into a sweet smile
Through the tears
Making the face red in colour
The smile fades away gradually
Covering the face with sadness
All the hidden broken pieces
Now can be seen clearly
As they are reflected in those tears

একাংকিকা
নাট

# সূৰ্যাস্তৰ সিপাৰে.....

নৰজ্যোতি খাণ্ডাধৰা



চৰিত্ৰসমূহ ঃ
১। হৰিপ্ৰিয়া
২। নিৰ্মলা
৩। মনালিছা
৪। ৰামকৃষ্ণ শৰ্মা
৫। নৈঋত
৬। কংকণ

(নিৰ্দেশনা আঁৰ কাপোৰ উঠাৰ লগে লগে মঞ্চত দেখা যাব ৰেলৰে ষ্টেচনৰ কাষৰীয়া বস্তিৰ এটা জৰাজীৰ্ণ ঘৰ। মঞ্চত ক্ষীণ পোহৰ পৰিব; মঞ্চৰ মাজভাগত এজনী ছোৱালীয়ে বিধ্বস্ত অৱস্থাত শুই থাকি আৰু অন্য এটা চুকত এজনী ছোৱালী শুই থাকিব। ক্ৰমাৎ পোহৰ অলপ বাঢ়ি আহিব আৰু ক'ৰবাৰপৰা এটি গীত ভাঁহি আহিব, নিৰ্মলাই সাৰ পাই উঠি গীতৰ তালে তালে নাচিবলৈ প্ৰয়াস কৰিব। পিছ মুহূৰ্ততে নিৰ্মলা বাগৰি পৰে, সেই সময়তে ৰেল তীব্ৰ বেগেৰে পাৰ হৈ যোৱা শব্দ ভাঁহি আহিব।)

নিৰ্মলা ঃ (উচ্চস্বৰে) ঐ কাকা, তই ক'ত গ'লি? (সপোন দেখাৰ দৰে আচৰণ কৰে) উভতি আহ, তই আমাক এনেকৈ এৰি থৈ নাযাবি। (হৰিপ্ৰিয়াই নিৰ্মলাক গাত ধৰি জোকাৰি দিয়ে)। (Direction)

হৰিপ্ৰিয়া ঃ (হঠাতে সাৰ পাই উঠে) ঐ ক'লৈ গ'লি? ইয়াতেতো শুই আছিল! (চাৰিওদিশে বিচাৰি দেখা পায়) ভণ্টি তোৰ কি হৈছে? এনেকুৱা কিয় কৰিছ?

হৰিপ্ৰিয়া ঃ ঐ ভণ্টি, তই পাগল হৈছ নেকি? সি আৰু কেতিয়াও ঘূৰি নাহে। তই পাহৰি গৈছ নেকি যে, আমাৰ বাবে এতিয়া সি মৃত।

নিৰ্মলা ঃ বাই, মোৰ কেতিয়াবা কিয় এনে হয় নাজানো। সেই উজনিমুৱা দীঘল ৰেলখনৰ উকিটো শুনিলে এনে লাগে যেন, কণটি কাকা পুনৰ আমাৰ কাষলৈ উভতি আহিছে।

হৰিপ্ৰিয়া ঃ (খঙেৰে) চুপ, আকৌ এবাৰ যদি তোৰ মুখত তাৰ নাম শুনিবলৈ পাওঁ, তেন্তে তই জানি ল'বি যে তোৰ এই বায়েৰে আজিৰপৰা তোৰ লগত নাই।

নিৰ্মলা ঃ কিন্তু, মোৰ মনটোৱে কৈছে, সি ক'ৰবাত নহয় ক'ৰবাত বহুত সুখেৰে আছে অ'। হয়তো কেতিয়াবা আমালৈ তাৰ বৰকৈ মনত পৰিছে।

হৰিপ্ৰিয়া ঃ এতিয়া তই এনেকৈ কথাৰ মহলা মাৰি থাকিব নে খাবলৈ কিবা এটি বিচাৰি যাবি।



নিৰ্মলা ঃ আৰে, তই কিয় ইমান চিন্তা কৰিছ; সৌখিনিত দেখোন আমাৰ কাৰেণ কোনোবাই খোৱা-বস্তু থৈয়েই যায়। কিন্তু কোনে আমাক এনেদৰে দি যায়, সেই মানুহজনক লগ পালে আৰু ভাল লাগিলহেঁতেন।

হৰিপ্ৰিয়া ঃ তই ঠিকেই কৈছ। নামনিমুৱা পেচেঞ্জাৰখন পাৰ হৈ যোৱাৰ পিছতেই সেই ঠাইখিনিত কোনে জানো আমাৰ বাবে খোৱা-বস্তু দি যায়।

নিৰ্মলা ঃ বাই, কেতিয়াবা ভাবো এতিয়াও ইয়াত এনেকুৱা মানুহ আছেনে? (ৰেল এখন আহি ৰখোৱাৰ শব্দ শুনা যায়)

হৰিপ্ৰিয়া ঃ ঐ বেঙী, তই সোনকালে ওলাই যাচোন, কিজানি মানুহজনক দেখা পাৱয়েই। কিনো ভেবা লাগি ৰৈ আছ' অ' যা।

নিৰ্মলা ঃ গৈছো অ' (নিৰ্মলাৰ প্ৰস্থান)

হৰিপ্ৰিয়া ঃ (বাহিৰলৈ চাই) ঐ ঘূৰি আহোতে মোৰ বস্তটো আনিবলৈ নাপাহৰিবি দেই।

নেপথ্যত ঃ হ'ব দে আনিম বাৰু।

হৰিপ্ৰিয়া ঃ (কিবা এটা ভাবি) কথাটো বিশ্বাস কৰিবলৈ যেন মোৰ বাবে টান হৈ পৰিছে। কোনোবা বেয়া মানুহে আমাক এনেদৰে টোপ দিছে নেকি? হয়তো কাকাও আমাৰ দুখ সহ্য কৰিব নোৱাৰি এনেদৰে থৈ যাব পাৰে। নাই, সি কেতিয়াও হ'ব নোৱাৰে, নহ'লে সি আমাক নজনোৱাকৈয়ে আঁতৰি নগ'লহেঁতেন। তেনেহ'লে কোন হ'ব পাৰে? তেওঁক যদি কেনেবাকৈ তাই লগ পাইও তেখেত জানো আমাৰ এই জুপুৰীটোলৈ আহিব? (ভিতৰলৈ যাবলৈ লয়)

নেপথ্যত ঃ বাই ঐ বাই, প্ৰিয়া বাই... (নিৰ্মলা)

হৰিপ্ৰিয়া ঃ অ' এইটো দেখোন ভণ্টিৰ মাত, তাই দেখোন আহি পালেহিয়েই। সৰ্বনাশ! (হৰিপ্ৰিয়াই খৰখেদাকৈ চাফ-চিকুণ কৰিবলৈ লয়)

নিৰ্মলা ঃ (উধাতু খাই সোমাই আহে) বাই, অ' বাই ...

হৰিপ্ৰিয়া ঃ কি হ'ল তোৰ? ইমান ফোফাই আহিছ' যে। কেনেবাকৈ ক'ৰবাত কিবা বেয়া কাম কৰি আহিলি নেকি? যদি ক'ৰবাত কিবা জগৰ লগাই আহিছ, তেতিয়া তোক কি কৰো চাই থাক।

নিৰ্মলা ঃ তই আগতে মোৰ কথাটো শুনি ল'চোন। মই ক'তো একো জগৰ লগোৱা নাই অ'।

হৰিপ্ৰিয়া ঃ অ' তেতিয়াহ'লে কাৰোবাৰ লগত কাজিয়া লাগিলি।

নিৰ্মলা ঃ হে ভগৱান, মই সেইবোৰ একো কৰা নাই।

হৰিপ্ৰিয়া ঃ তেন্তে কি হ'ল তই নকৰ কিয়?

নিৰ্মলা ঃ তই জানো মোক কথাষাৰ ক'বলৈ সুবিধাকণ দিছ?

হৰিপ্ৰিয়া ঃ আচলতে কথাটো কি? ক'চোন।

নিৰ্মলা ঃ ষ্টেচনৰ কাষত থকা আমাৰ ঘৰবোৰ বোলে অহা এসপ্তাহৰ ভিতৰত ভাঙি বেলেগলৈ যাবৰ বাবে ৰেলৰেৰ মানুহে নিৰ্দেশ দিছে।

হৰিপ্ৰিয়া ঃ কি?? কি ক'লি তই? ক'ত শুনিলি এইবোৰ?

নিৰ্মলা ঃ আৰু আমি যদি এসপ্তাহৰ ভিতৰত ঘৰবোৰ খালী নকৰো, তেনেহ'লে সিহঁতে বোলে কিবা বেলেগ ব্যৱস্থা ল'ব।

হৰিপ্ৰিয়া ঃ ইস্ সিহঁতে ক'লেই হ'বনে? আমি কিমান দিনৰপৰা ইয়াতেই আছো। কোনেও একো কোৱা নাই, এতিয়া আকৌ কিহৰ নতুন নিয়ম উলিয়ালে অ'।

নিৰ্মলা ঃ মোৰ কিন্তু বৰ ভয় লাগিছে অ' বাই। আজি মোৰ মা, বাবা আৰু কণটি কাকালৈ বৰলৈ মনত পৰিছে অ'।

হৰিপ্ৰিয়া ঃ তই অলপো ভয় নকৰিবি, মই আছো নহয় তোৰ লগত। (বাহিৰত গাড়ী ৰখোৱাৰ শব্দ শুনা যায়)

নিৰ্মলা ঃ অ' বাই কোনোবা আহিছে; মোৰ কিন্তু বৰ ভয় লাগিছে। কেনেবাকৈ....

হৰিপ্ৰিয়া ঃ চুপ...

নেপথ্যত ঃ ঘৰত কোনোবা আছেনে?

হৰিপ্ৰিয়া ঃ (ভয়ৰ সুৰেৰে) কোন? সোমাই আহক।

(এগৰাকী মহিলা ৰেলৱে বিষয়া আৰু এজন পুৰুষ কোবাকোবিকৈ সোমাই আহে)

মনালিছা ঃ ইয়াত বাৰু ঘনশ্যাম চহৰীয়া নামৰ মানুহ এজন থাকে নেকি?

হৰিপ্ৰিয়া ঃ হয়। কিন্তু তেখেত এতিয়া এই পৃথিৱীত নাই।

মনালিছা ঃ অ' বুজিছো।

হৰিপ্ৰিয়া ঃ আজিৰপৰা প্ৰায় ১২/১৩ বছৰৰ আগতেই দেউতাৰ মৃত্যু হৈছে আৰু মা ঢুকোৱাও প্ৰায় ২ বছৰেই হ'ল।

মনালিছা ঃ অহা চাৰিদিনৰ ভিতৰত আপোনালোকে এই ঠাই এৰি দিব লাগিব।

শৰ্মা ঃ হয়, এয়া কিন্তু একেবাৰে ৰেল বিভাগৰ ওপৰৱালাৰ অৰ্ডাৰ।

নিৰ্মলা ঃ কিন্তু মইতো অলপ আগতে শুনি আহিছিলো এসপ্তাহ সময় দিছে বুলি।

শৰ্মা ঃ তোমালোকে যদি ইচ্ছা কৰা তেন্তে আমাৰ ঘৰতো থাকিব পাৰা। বুইছে মেডাম, এনেও আমাৰ শ্ৰীমতীয়ে বনকৰা ছোৱালী এজনী প্ৰয়োজন হোৱাৰ কথা কৈয়েই আছিল, ভালেই হ'ব Buy 1 get 1 free.

মনালিছা ঃ (অধৈৰ্য হৈ) শৰ্মা, কি আবোল-তাবোলবোৰ বকি আছে।

হৰিপ্ৰিয়া ঃ চাওক বাইদেউ, আমি সৰুৰেপৰা ইয়াতেই ডাঙৰ দীঘল হৈছো। মায়ে কোৱা মতে মা-দেউতাৰ আশাৰ ঘৰখন বানপানীয়ে তচনচ কৰি পেলোৱাৰ পিছত তেওঁলোক উপায়বিহীন হৈ ইয়াতে থাকিবলৈ লয়।

নিৰ্মলা ঃ বাইদেউ, বেয়া নাপায় যদি আপোনাক এটা কথা সুধিব পাৰোনে?

শৰ্মা ঃ সোধা, সোধা, আমাক মেডামে এনেও প্ৰশ্ন উত্তৰ দি খুব ভাল পায়, নহয়নে মেডাম?

মনালিছা ঃ (খঙেৰে) শৰ্মা, নিশ্চয় সুধিব পাৰা।

নিৰ্মলা ঃ আমাৰ এই ঘৰবোৰ কিয় ভাঙি দিবলৈ কৈছে?

মনালিছা ঃ আচলতে এয়া আমি কোৱা কথা নহয়। তোমালোকক এনেদৰে ইয়াৰপৰা আঁতৰি যাবলৈ ক'বলৈ মোৰো মন নাছিল, কিন্তু আমি যে নিৰুপায়। আমাৰ ওপৰৰ বিষয়াৰ অৰ্ডাৰ মানিবই লাগিব, কাৰণ আমি যে তেওঁলোকৰ গোলাম।

হৰিপ্ৰিয়া ঃ ইয়াৰ বিৰুদ্ধে আপোনালোকে মাত মাতিব নোৱাৰেনে?

শৰ্মা ঃ পাৰি, কিন্তু আমাৰ চাকৰিটো গৈ যে যমপুৰী পাবগৈ সেয়া খাটাং।

মনালিছা ঃ বাৰু সেইবোৰ বাদ দিয়া, মুঠৰ ওপৰত মোৰ শেষ কথা যে অতি সোনকালে এই ঘৰ খালী কৰি দিব লাগিব। ব'লক শৰ্মা (দুয়োৰে প্ৰস্থান, শৰ্মা পুনৰ উভতি আহে)।

শৰ্মা ঃ চিন্তা কৰিব নালাগে। মোৰ ঘৰৰ দুটা ৰুম এতিয়া এনেয়ে পৰি আছে, মন গ'লে....

নেপথ্যত ঃ শৰ্মা আপুনি নাহে কিয় (মনালিছা)?

শৰ্মা ঃ অ' গৈছো মেডাম। আহোঁ, আহিবা (প্ৰস্থান)

নিৰ্মলা ঃ অ' বাই, এই বাইদেউগৰাকীয়ে কি ক'লে মই হ'লে ভালদৰে বুজা নাই দেই। তই কিবা বুজি পালি?

হৰিপ্ৰিয়া ঃ ধেৎ আকৰীজনী, তই যেতিয়া ডাঙৰ হ'বি তেতিয়া সকলো বুজি পাবি।

নিৰ্মলা ঃ ঐ, তই যে এইকেইদিন কামলৈ যোৱা নাই, তোক কোনোবাই কিবা ক'লে নেকি?

হৰিপ্ৰিয়া ঃ (থেৰোগেৰো কৰি) নাই, এনেয়ে যোৱা নাই অ'। কিমাননো সদায় একেবোৰ কামকে কৰি থাকিবি অ'। (Direction) কি যে কথাবোৰ তোৰ লগত পাতি আছো নহয়। ঐ ভণ্টি, চৌকাটোত জুই জ্বলাবলৈ খৰি এডালো নাই অ'। কেনেবাকৈ পাৰ নেকি বিচাৰি যাচোন, মইয়ো এইফালে বিচাৰি চাওঁ।

নিৰ্মলা ঃ ঠিক আছে (যাবলৈ লয়)

হৰিপ্ৰিয়া ঃ বৰ বেছি দূৰলৈ নাযাবি, মানুহবোৰৰ কথা জানই নহয়।

নিৰ্মলা ঃ নাযাওঁ বাৰু দে। (প্ৰস্থান)

হৰিপ্ৰিয়া ঃ (কিবা এটা ভাবি) (ক্ষীণ পোহৰ পৰিব) আচলতে ভণ্টি, মই যে নিৰুপায় অ'। সকলো কথা তোক খুলি ক'লেও কিন্তু এই কথা ক'ব নোৱাৰো। মানুহবোৰৰ বাবেই যে ষ্টেচনৰ ঝাৰু দিয়া কামটো এৰি দিলো। আমাৰ দৰে মানুহবোৰৰ



জীৱনতহে কিয় এনে হয় নাজানো। হে, ভগৱান, তুমিতো কৰোঁ বুলি ক'লে সকলো কৰিব পাৰা, তেনেহ'লে কিয় আমাৰ জীৱনলৈ অলপমান সুখ আনি নিদিয়া কিয়...? (হৰিপ্ৰিয়া ভিতৰলৈ যায় আৰু বাহিৰৰ পৰা কিবা জোখ-মাপ লোৱাৰ উদ্দেশ্যে দুজন ব্যক্তি আহে)

শৰ্মা ঃ (Direction) ছাৰ, এইখিনিৰপৰাই ভাল হ'ব। Departmentৰ মাটিখিনি সেইখিনিলৈকে নাই জানো?

কংকণ ঃ শৰ্মা, আপুনি ইমান বছৰে এইটো ষ্টেচনতে কাম কৰি আছে অথচ সেই কথাটোকেই নাজানে। মই ইয়াত থকা হ'লে আপোনাৰ দৰে মানুহক চাকৰিৰপৰা কেতিয়াবাই অব্যাহতি দিলোহেঁতেন।

শৰ্মা ঃ ক্ষমাহে ছাৰ, তেনেকুৱা নকৰিব। মোৰ পৰিয়ালটো ভৰণ-পোষণৰ একমাত্ৰ সাৰথি এই চাকৰিটো, সেইটোও নোহোৱা হ'লে মোৰ দিনতে আন্ধাৰ হ'ব।

কংকণ ঃ তেন্তে Duty ভালদৰে নকৰে কিয়? মইতো মনালিচাকো কেতিয়াবাই ষ্টেচনৰ সীমাটোৰ বিষয়ে কৈছিল, তেওঁ আপোনাক জনোৱা নাই নেকি?

শৰ্মা ঃ (থেৰোগেৰো কৰি) কৈছিল ছাৰ, কিন্তু আমাৰ সেই IV Gradeৰ মানুহকেইটাই মোৰ কথা শুনিলেহে।

কংকণ ঃ বাৰু সেইবোৰ বাদ দিয়ক, মাটিখিনি জোখ-মাখ লোৱাৰ ব্যৱস্থা কৰক। অবৈধভাৱে বাস কৰি থকা এই মানুহখিনিক ইমিডিয়েট আঁতৰাই পঠাব লাগে।

শৰ্মা ঃ আপুনি চিন্তাই নকৰিব ছাৰ, সকলোবোৰ আপুনি কোৱামতেই হৈ যাব।

কংকণ ঃ আৰু এটা কথা শুনি লওক...

শৰ্মা ঃ কি কথা ছাৰ?

কংকণ ঃ মই যে ইয়ালৈ sudden visitত আহিছো, সেই কথা যাতে আপোনাৰ আৰু মোৰ বাহিৰে কোনেও নাজানে। আপুনি মোৰ খুবেই বিশ্বাসী, সেয়ে কেৱল আপোনাক ফোন কৰিয়েই আহিছো।

শৰ্মা ঃ ওহোঁ, কোনোপধ্যেই কাকোৱেই জানিব নিদিওঁ। মই ৰামকৃষ্ণ শৰ্মাৰ কথা শিলৰ ৰেখা।

কংকণ ঃ কাৰণ আপুনিতো জানেই যে কিমান কষ্টৰ বলত মই আজি এগৰাকী উচ্চ পদস্থ বিষয়া হিচাপে প্ৰমোচন পাবলৈ সক্ষম হৈছো আৰু ইয়াততো মোক কোনেও চিনি নাপায়।

শৰ্মা ঃ (বাহিৰলৈ চাই) ঐ তঁহতে সেইফালৰপৰা জোখ লৈ আহিবি। মনত ৰাখিবি, কামত যদি কিবা গাফিলতি কৰ; মুঝছে জাদা বুৰা কই নহী হোগা।

নেপথ্যত ঃ ঐ, বাবু কি ক'লে শুনিলি ন', লাগি যা কামত। (বনুৱাসকল)

কংকণ ঃ Very good শৰ্মা, I am proud of you (পকেটৰপৰা টকাৰ টোপোলা এটা উলিয়াই) এয়া লওক আপোনাৰ advance বোনাচ। (Direction)

শৰ্মা ঃ এতিয়া ব'লক ছাৰ; আপুনি গেষ্ট হাউচতে অলপ জিৰণি ল'ব, মই এই কামখিনি কৰাই গৈ আছো।

কংকণ ঃ না না শৰ্মা, আপুনি এতিয়াই মোৰ লগত যাব লাগিব। আপোনাৰ সৈতে মোৰ কেইটামান জটিল অংক solution কৰিবলৈ আছে।

শৰ্মা ঃ কিন্তু, মই মানুহটো ইয়াত নাথাকিলে ইহঁতে কামবোৰ...

কংকণ ঃ আপুনি এওঁলোকক কৈ দিয়ক যে আজি ৰাতিটোৰ ভিতৰতে এই বেদখলকাৰীসকলক ইয়াৰপৰা আঁতৰাই পঠিয়াই আৰু যদি নহয়, তেন্তে আটাইকেইজনকে অব্যাহতি দিয়া হ'ব। It's my order। ব'লক এতিয়া। (কংকণৰ প্ৰস্থান)

শৰ্মা ঃ ঐ ছাৰে কি ক'লে তঁহতে শুনিলি নহয়, গতিকে কামত লাগি যা। মই আকৌ আহি আছো। (যাবলৈ লওঁতেই নিৰ্মলাই হাতত খৰি লৈ আহে, দুয়ো মুখামুখি হয়) (Direction)

নিৰ্মলা ঃ (আচৰিত হৈ) আপুনি?

শৰ্মা ঃ (মিচিকীয়া হাঁহি মাৰি) অ' তুমি; সোনকালে টালি-টোপোলা বান্ধি ইয়াৰপৰা যাবলৈ সাজু হোৱা দেই। ওপৰৰপৰা কাৰা নিৰ্দেশ আহিছে। আজি ৰাতিৰ ভিতৰতেই যাব লাগিব। অৱশ্যে মইও আজি ঘৰত অকলে আছো, ইচ্ছা

কৰিলে আহিব পাৰা। (হাঁহি এটা মাৰি শৰ্মাৰ প্ৰস্থান)

নিৰ্মলা ঃ (বাহিৰলৈ চাই) কাৰ্‌হা নিৰ্দেশ! টালি-টোপোলা বান্ধা, ঘৰত অকলে আছো!! জানো পাই কি কৈ গ'ল, একো বুজি নাপালো। (মূৰটো খজুৱাই)। নাই, বাইক কথাটো ক'ব লাগিব। ঐ বাই... বাই, ক'ত গ'লি...?

নেপথ্যত ঃ (হৰিপ্ৰিয়া) গৈছো ৰ'।

নিৰ্মলা ঃ এই বাইজনীয়েও ক'ত যে কি কৰি থাকে নহয়। বাই... (হৰিপ্ৰিয়াও কেইডালমান খৰি লৈ সোমাই আহে)

হৰিপ্ৰিয়া ঃ কি হ'ল? কিয় ইমান টেটুফালি চিঞৰি আছিলিনো?

নিৰ্মলা ঃ অ' বাই, সেইদিনা যে আমাৰ ঘৰলৈ আহিছিল মানুজন, সেইজন আজি আকৌ আহিছিল।

হৰিপ্ৰিয়া ঃ (আচৰিত হৈ) সেইজননো কোন?

নিৰ্মলা ঃ সেইজন যে শৰ্মা নে কি আছিল মানুহজনৰ উপাধিটো, তেওঁলোৰ ঘৰলৈ যোৱাৰ কথা কৈছিল।

হৰিপ্ৰিয়া ঃ অ' সেই পাষণ্ডটো। সি আকৌ আমাৰ ঘৰলৈ কিয় আহিছিল?

নিৰ্মলা ঃ নাজানো। কিন্তু তেওঁ মোক কিবা বোলে টালি-টোপোলা বান্ধি সাজু হোৱাৰ কথা ক'লে আৰু আজি ৰাতিয়েই যাবলৈ কাৰা নিৰ্দেশ দিছে বুলি ক'লে। (Direction)

হৰিপ্ৰিয়া ঃ কি?

নিৰ্মলা ঃ কি হ'ল, তই দেখোন মনটো মাৰি দিলি।

হৰিপ্ৰিয়া ঃ নাই অ', হঠাতে মা আৰু বাবালৈ মনত পৰি গ'ল।

নিৰ্মলা ঃ অ' বাই তেওঁৰ লগত আৰু কোনোবা এজন গাড়ীত উঠা দেখিছিলো। পিন্ধন-উপৰণত কোনোবা অফিচৰ ডাঙৰ মানুহ যেন লাগিল।

হৰিপ্ৰিয়া ঃ বাদ দে সেইবোৰ। তোৰ আৰু মোৰ কাপোৰবোৰ ভালকৈ বান্ধিবি যাচোন, সময়ও বহুত হ'ল।

নিৰ্মলা ঃ আজি হঠাতে কাপোৰ বন্ধাৰ কথা ক'লি যে, তোৰ কি হৈছে ক'চোন।

হৰিপ্ৰিয়া ঃ প্ৰশ্ন নকৰিবি, মই যিটো কৈছো সেইটো কৰ'।

নিৰ্মলা ঃ ঠিক আছে। (যাবলৈ লয়, পুনৰ আহে) বাই, তোক কথা এটা কওঁ বেয়া পাবি নেকি?

হৰিপ্ৰিয়া ঃ কি ক'ব বিচাৰিছ সোনকালে ক'।

নিৰ্মলা ঃ মোৰ কেতিয়াবা এনেকুৱা লাগে যেন কণটি কাকা এতিয়াও জীয়াই আছে, সি যেন আমাৰ নিচেই কাষতে আছে।

হৰিপ্ৰিয়া ঃ (খঙেৰে) কথা ক'বলৈ নাথাকিলে নক'বি। তোক মই আজি শেষবাৰৰ বাবে কৈছো ভৱিষ্যত যেন তোৰ মুখত এনে অমঙ্গলীয়া মানুহৰ নাম নুশুনো।

নিৰ্মলা ঃ ঠিক আছে নকওঁ বাৰু।

হৰিপ্ৰিয়া ঃ এতিয়া তই কামত লাগ গৈ যা, মইও খোৱা বাচনকেইটা সামৰি লওঁ। (হৰিপ্ৰিয়া আৰু নিৰ্মলাই প্ৰয়োজনীয় সামগ্ৰী বন্ধাত ব্যস্ত হয়।)

নিৰ্মলা ঃ বাই, তই সেইফালে চাগৈচোন (ভিতৰলৈ দেখুৱাই) কিবা ল'বলৈ বাকী ৰৈ গৈছে নেকি? (তীব্ৰ বেগেৰে ৰেল এখন পাৰ হৈ যোৱাৰ শব্দ হয়) (Direction) ঐ বাই, তই কি কৰিবলৈ লৈছ, মই হ'লে বুজি পোৱা নাই দেই।

হৰিপ্ৰিয়া ঃ সেই সকলোবোৰ কথা তোক পিছত বুজাই দিম, এতিয়া বস্তুবোৰ সামৰি ল' যা।

নিৰ্মলা ঃ আমি ইয়াৰ পৰা ক'লৈ যাম বাই?

হৰিপ্ৰিয়া ঃ নাজানো; হয়তো বহু দূৰলৈ। ৰ' মই সেইফালে থকা বস্তুবোৰ লৈ লওঁ। (ভিতৰলৈ যায়)

নিৰ্মলা ঃ (অলপ ভাবি) বাইয়ে ক'লৈ যাবলৈ বস্তুবোৰ বান্ধিছে একো বুজিব পৰা নাই। ক'ৰবালৈ ফুৰিবলৈ যাব চাগে, ভালেই হ'ব বহুদিন কেনিও যাবলৈ পোৱা নাই। বাই তোৰ হৈছেনে?

হৰিপ্ৰিয়া ঃ (নেপথ্যত) হৈছে ৰ'। (হৰিপ্ৰিয়াই কোবাকোবিকৈ হাতত কাপোৰ বন্ধা টোপোলা এটা লৈ আহে) সকলো লোৱা হৈ গ'ল, ব'ল এতিয়া (যাবলৈ লয়) অ' ৰ'চোন আৰু কিবা ল'বলৈ পাহৰি গৈছো নেকি? (ভাবি)

নেপথ্যত ঃ প্ৰিয়া ঐ প্ৰিয়া, আছ'নে?



নিৰ্মলা ঃ এতিয়া আকৌ কোন আহিল?

হৰিপ্ৰিয়া ঃ তই একো চিন্তা নকৰিবি মই আছো নহয়। কোন? সোমাই আগৰচোন। (নৈঋত সোমাই আহে) (Direction)

নৈঋত ঃ মই নৈঋত।

হৰিপ্ৰিয়া ঃ (আচৰিত হৈ) নৈঋত! আপোনাক চিনি নাপাও, গতিকে গুচি যাওক ইয়াৰ পৰা।

নৈঋত ঃ ঐ প্ৰিয়া, তই মোক চিনি পোৱা নাই! সৰুতে যে তই নঙলাত উঠি খেলিবলৈ নোপোৱাৰ বাবে মোক মাৰিছিলি, আমাৰ দেউতাক যে স্কুললৈ লৈ যাবলৈ কৈছিল। মনত পৰিছেনে তোৰ?

হৰিপ্ৰিয়া ঃ (অলপ সময় ভাবি) অ' ৰণ্টু নেকি?

নৈঋত ঃ ধেৎ নহয় অ', মই তহঁতৰ কণটিৰ লগৰহে।

নিৰ্মলা ঃ (উৎফুল্লিত হৈ) কি? কণটি কাকাৰ লগৰ ল'ৰা, তেতিয়াহ'লে আপুনি সি ক'ত আছে নিশ্চয় জানে। কওকনা সি ক'ত আছে, মোৰ যে তাক চাবলৈ বৰ মন গৈছে, কিমান দিন যে তাক দেখা নাই?

হৰিপ্ৰিয়া ঃ মনে মনে থাক। যিটো ল'ৰাই আমাৰ কথা এবাৰো নাভাবিলে, তেনেকুৱা মানুহৰ কথা আমিও ভাবি থকাৰ কোনো দৰকাৰ নাই।

নৈঋত ঃ (আচৰিত হৈ) প্ৰিয়া তই!

হৰিপ্ৰিয়া ঃ আৰু ভণ্টি, ক'ৰবাৰ অচিনাকী মানুহবোৰক ইয়াৰপৰা যাবলৈ কৈ দে।

হৰিপ্ৰিয়া ঃ পিছে আপুনি কিয় আহিছিল জনাব নেকি?

নৈঋত ঃ তাৰমানে তই মোক এতিয়াও চিনি পোৱা নাই, ঠিক আছে কোনো কথা নাই। কিন্তু মই তহঁতক এটা কথা জনাবলৈহে আহিছিলো।

হৰিপ্ৰিয়া ঃ এতিয়া আমাৰ কাৰোৱেই কথা শুনিবৰ সময় নাই, বহুদূৰ যাবলৈ আছে।

নিৰ্মলা ঃ বাই, তেওঁ তোক কিবা এটা ক'বলৈ ইমান ইচ্ছা কৰিছে, তই এবাৰটো কথাটো শুনি ল'।

নৈঋত ঃ বাৰু, মই যদি কওঁ এতিয়াও কণটি জীয়াই আছে।

নিৰ্মলা ঃ কি? সি জীয়াই আছে। দেখিলি বাই, মই তোক কৈছিলো নহয়; এতিয়া সি ক'ত আছে আপুনি জানে নেকি?

হৰিপ্ৰিয়া ঃ আপোনাৰ কথাবাৰ মোৰ হ'লে অলপো বিশ্বাস হোৱা নাই।

নৈঋত ঃ মোৰ মনে কৈছে, সি অতি সোনকালেই তহঁতৰ কাষলৈ আহিব।

নিৰ্মলা ঃ মোৰ যে তাক লগ পাবলৈ বৰ মন গৈছে অ'।

হৰিপ্ৰিয়া ঃ আমি বাৰু আপোনাক ক'লৈ যাবলৈ লৈছো সেই বিষয়ে ক'ম, কিন্তু তাৰ পিছত...

নৈঋত ঃ আগতে তই কথাটো কৈ ল'চোন।

নিৰ্মলা ঃ কৈ দে অ' বাই।

হৰিপ্ৰিয়া ঃ ঠিক আছে, শুনিব বিচাৰিছে যেতিয়া শুনক। এই ষ্টেচনৰ কাষত থকা মানুহবোৰক আজি ৰাতিৰ ভিতৰতেই ইয়াৰপৰা গুচি যাবলৈ কৈছে।

নৈঋত ঃ মইতো কেৱল!

নিৰ্মলা ঃ ঐ বাই, বৰ ভোক লাগিছে অ'।

হৰিপ্ৰিয়া ঃ এইজনীৰপৰা মানে উপায় নাই, ৰ'চোন মই কিবা এটা যোগাৰ কৰিম নহয়।

নৈঋত ঃ (পকেটৰপৰা চকলেট এটা উলিয়াই দি) এইটো ল', তহঁতলৈ কিবা এটা আনিবলৈও পাহৰি গ'লো নহয়। বাৰু প্ৰিয়া, তহঁতে এতিয়া ক'লৈ যাম বুলি ভাবিছ?

হৰিপ্ৰিয়া ঃ নাজানো, হয়তো বহু দূৰলৈ...।

নৈঋত ঃ মই যদি তহঁতক মোৰ লগত থাকিবলৈ কওঁ, তহঁতে থাকিবিনে?

নিৰ্মলা ঃ থাকিম, ঐ বাই থাকিম বুলি ক'না। তেতিয়া চাগে আমি কাকাকো লগ পাব পাৰিম ন'।

হৰিপ্ৰিয়া ঃ মনে মনে থাক। প্ৰয়োজন হ'লে আমি গোটেই জীৱন ফুটপাথতেই থাকিম, কিন্তু আপোনাৰ তালৈ যাব নোৱাৰিম।

নৈঋত ঃ মোৰ প্ৰতি যদি তহঁতৰ অলপমানো বিশ্বাস আছে; তেন্তে তহঁতে ক'লৈকো নাযাবি, ইয়াতে অলপ সময় ৰ'। তহঁতক ইয়াতেই ৰখাৰ বাবে কিবা ব্যৱস্থা কৰিব পাৰো নেকি চাওঁ।

হৰিপ্ৰিয়া ঃ কিন্তু যদি আপুনি একো ব্যৱস্থা কৰিব নোৱাৰে তেতিয়া...

নৈঋত ঃ তেতিয়া মই থকা ঘৰটো তহঁতক চিৰদিনৰ বাবে এৰি দিম।

হৰিপ্ৰিয়া ঃ কিন্তু আপুনি ক'ত থাকিব?

নৈঋত ঃ মোৰ বাবে চিন্তা কৰিব নালাগে। কিবা এটা ব্যৱস্থা কৰিম, এতিয়া আহোঁ। (যাবলৈ লৈ পুনৰ উভতি আহে)

নিৰ্মলা ঃ বাই, তই কি বুজিবি। মোৰ আজি এনেকুৱা লাগিছে আমাৰ কাকা যেন ঘূৰি আহিছে, এই কাকাটোও খুব ভাল ন' বাই।

হৰিপ্ৰিয়া ঃ নাজানো, কিন্তু মোৰ মনটোত কথা এটাই বৰকৈ আমনি কৰি আছে।

নিৰ্মলা ঃ কি কথা?

হৰিপ্ৰিয়া ঃ এই অচিনাকী মানুহটোৱে কণটিৰ লগৰীয়া বুলি চিনাকি দি আমাক যে সহায় কৰিবৰ বাবে ইমান আগ্ৰহী হৈছে কিয়?

নিৰ্মলা ঃ তই মানে এই কাকাক এতিয়াও বিশ্বাস কৰিব পৰা নাই।

হৰিপ্ৰিয়া ঃ কিন্তু, কেতিয়াবা এনেকুৱা লাগে সেই খোৱা-বস্তু দি যোৱা মানুহজন নহয়তো।

নিৰ্মলা ঃ হ'বওতো পাৰে।

হৰিপ্ৰিয়া ঃ নাই নহয়। ধেৎ কি যে কথাবোৰ মনলৈ আহি থাকে।

নিৰ্মলা ঃ বাই কি কৰ' এতিয়া?

হৰিপ্ৰিয়া ঃ এটা কাম কৰো (টোপোলাৰ পৰা এখন উঁৱলি যোৱা কাপোৰ উলিয়াই) এইখন ল', তই ইয়াতে শুই থাক। যাবৰ সময় হ'লে মই তোক জগাই দিম।

নিৰ্মলা ঃ আৰু তই?

হৰিপ্ৰিয়া ঃ অলপ সময় চাওঁ, কেনেবাকৈ ৰেলৱেৰ মানুহো আহিব পাৰে আৰু এই ল'ৰাজনে আকৌ কি খবৰ আনে?

নিৰ্মলা ঃ নাই, মই এতিয়া শুব নোৱাৰো।

হৰিপ্ৰিয়া ঃ কিয়?

নিৰ্মলা ঃ সেই কাকাটোৱে যে মই ভালপোৱা বস্তুটো আনিব, শুই থাকিলে দেখোন খাবলৈ নাপামেই।

হৰিপ্ৰিয়া ঃ উস্ হ'ব। (হৰিপ্ৰিয়াই কাপোৰ টোপোলাৰপৰা শৈশৱৰ ফটোখন উলিয়াই বুকুত সাৱটি লৈ দুয়োৱে শুবলৈ চেষ্টা কৰে) (কিছু সময়ৰ পিছতে মুখত কাপোৰ বন্ধা ব্যক্তি এগৰাকী সোমাই আহে আৰু ইফালে-সিফালে চাই হৰিপ্ৰিয়াৰ কাষলৈ আগবাঢ়ি যায়) (Direction)

চিনাকি ব্যক্তিঃ (পকেটৰপৰা ফোন উলিয়াই ফুচ্‌ফুচাই কয়) আপুনি আহক, চিন্তা কৰিব নালাগে। লাইন ক্লীয়াৰ হৈ আছে। (ক্ষীণ পোহৰ পৰিব আৰু ব্যক্তিজনে লাহে লাহে তেওঁৰ এখন হাত হৰিপ্ৰিয়াৰ কাষলৈ নিওঁতেই ফোনটো ৰিং কৰে, হঠাৎ হৰিপ্ৰিয়া সাৰ পাই উঠে) (Direction)

হৰিপ্ৰিয়া ঃ কোন? আপুনি কোন? ইয়ালৈ কিয় আহিছে? (অচিনাকি ব্যক্তিজনে মনে মনে থকাৰ ইংগিত দিয়ে আৰু তেওঁৰ কাষলৈ মাতে)

হৰিপ্ৰিয়া ঃ আপুনি ভালে ভালে ইয়াৰপৰা আঁতৰি যাওক মোৰ ওচৰলৈ আহিবলৈ চেষ্টা নকৰিব। (হৰিপ্ৰিয়াই ঠেলা মাৰি মানুহজনক মাটিত বগৰাই তেওঁৰ মুখ কাপোৰখন খুলি দিয়ে) তই!

ৰামকৃষ্ণ ঃ অ' মই (অট্টহাস্য)

হৰিপ্ৰিয়া ঃ তোক আজি ৰ'...

ৰামকৃষ্ণ ঃ (মনে মনে থকাৰ ইংগিত দিয়ে) নিচিএঃৰিবা। এতিয়া তোমালোকৰ বাবে মই ৰক্ষক, ময়েই ভগৱান। আঁহা কাষলৈ আঁহা।

হৰিপ্ৰিয়া ঃ চাল্লা কুকুৰ, হাৰামজাদা। তোক মই আজি কি কৰো চাই থাক। (ৰামকৃষ্ণই হৰিপ্ৰিয়াক বেয়া ব্যৱহাৰ কৰিবলৈ আপ্ৰাণ প্ৰয়াস কৰে, কিন্তু প্ৰতিবাৰেই ব্যৰ্থ হয়)। (Direction)

নিৰ্মলা ঃ (হঠাতে সাৰ পাই) বাই... বাই, তোৰ কি হৈছে, তই কিয় এনেদৰে দৌৰি ফুৰিছ? এইজন কোন? কোন আপুনি?

হৰিপ্ৰিয়া ঃ তই ইয়াৰপৰা আঁতৰি যা। আজি মই এই নৰাধমটোক শেষ কৰিহে ইয়াৰপৰা যাম।

নিৰ্মলা ঃ ঐ তই মোৰ বাইৰ ওচৰলৈ কিয় আহিছ, আঁতৰ হ। তই চিন্তা নকৰিবি বাই, তোক এৰি থৈ মই ক'লৈকো নাযাওঁ। (পুনৰ ৰামকৃষ্ণৰ অট্টহাস্য)

নিৰ্মলা ঃ ঐ কোন আছ' বচা। ই আমাৰ বাইক মাৰি পেলাব এতিয়া। ঐ বাইক বচা, আমাক ৰক্ষা কৰ। (সেই সময়তে এক অদ্ভুতৰূপী কংকণৰ প্ৰৱেশ। কংকণে সেই দৃশ্য দেখি প্ৰাণ ভৰি হাঁহে। নিৰ্মলাই পাৰ্যমানে তেওঁলোকক ৰক্ষা কৰিবলৈ উচ্চস্বৰে আহ্বান জনায়, হৰিপ্ৰিয়াই নিজৰ লগতে ভনীয়েকৰ কথমপি ৰামকৃষ্ণৰ পৰা প্ৰাণ ৰক্ষা কৰে, ব্যৰ্থ ৰামকৃষ্ণই কংকণৰ নিৰ্দেশ মৰ্মে চেষ্টা অব্যাহত ৰাখে। বাহিৰত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়, সংগীত ক্ৰমাৎ বাঢ়ি আহে) (Direction)

নিৰ্দেশনা ঃ দুয়োপক্ষৰ মাজত তুমুল সংঘৰ্ষ চলি থাকোঁতেই হঠাৎ মঞ্চৰ এচুকত থকা উঁৱলি যোৱা ফটো এখন সৰি পৰে আৰু আনন্দত উত্ৰাৱল হৈ থকা কংকণে সেই ফটোখন দেখা পায়। কংকণে আলফুলে ফটোখন লৈ এঠাইত থৈ ৰামকৃষ্ণক পাৰ্যমানে প্ৰহাৰ কৰে। হঠাৎ নৈঋতৰ প্ৰৱেশ।

নৈঋত ঃ (উপায়বিহীন হৈ) হেৰি মানুহজনক ইমানকৈ নামাৰিব, মৰিয়েই থাকিব দেখোন। (কংকণক টানি আনিবলৈ চেষ্টা কৰে) এৰি দিয়ক তেওঁক। (কংকণে শৰীৰপৰা নৈঋতৰ হাতখন এৰুৱাই দি ঘূৰোতেই) ঐ ৰ'চোন ৰ'। তই কণটি নহয় জানো।

কংকণ ঃ মই কোনো কণটিক চিনি নাপাওঁ।

নৈঋত ঃ কেলেই তই ঘন দাইটিৰ পুতেক নহয় জানো, গাঁৱত যে তোক কণপিতৌ নাম দিয়া সেই দুষ্ট ল'ৰাটো..।

কংকণ ঃ তাৰমানে তই...

নৈঋত ঃ তই দিয়া নামটো ঋতিক ৰোশন, চিনেমাৰ হিৰ' যে ... (দুয়োৱে সাৱটি ধৰে) (Direction) (কংকণ আৰু নৈঋতৰ মিলন দেখি হৰিপ্ৰিয়া, নিৰ্মলা আৰু ৰামকৃষ্ণই তধা লাগি চয়। কংকণে হঠাতে পুনৰ পৰিত্যক্ত ফটোখন বুকুৰ মাজত সাৱটি লয়। (Direction)

নিৰ্মলা ঃ বাই আমাৰ ফটোখন দেখোন মানুহটোৱে লৈ যাবলৈ লৈছে।

হৰিপ্ৰিয়া ঃ (উচ্চস্বৰে) ঐ সেইখন কিয় লৈছ? থৈ দে, মই কৈছো ফটোখন য'ত আছিলে তাত থৈ দে। (কংকণৰ পৰা ফটোখন কাঢ়ি আনিবলৈ লয়)

কংকণ ঃ ৰ'ব, আজি হেঁপাহ পলুৱাই এইখন চাবলৈ দিয়ক, মই কাবৌ কৰি কৈছো। প্ৰয়োজন হ'লে আজি... (হৰিপ্ৰিয়াৰ চৰণ স্পৰ্শ কৰিবলৈ লয়)

নৈঋত ঃ ঐ ককায়েকে ভনীয়েকৰ ভৰিত ধৰিব নাপায় অ'। ঐ কণটি তই কথাবোৰ কৈ নিদিয় কিয়?

নিৰ্মলা ঃ কণটি!! (এক আশ্চৰ্যজনক পৰিৱেশৰ সৃষ্টি হয়)

নৈঋত ঃ ই তহঁতৰ একমাত্ৰ কাকা কণটি।

নিৰ্মলা ঃ (উৎফুল্লিত হৈ কংকণক সাৱটি ধৰিবলৈ লয়) কাকা ঘূৰি আহিছ?

হৰিপ্ৰিয়া ঃ ভণ্টি তাক নুচুবি। (বাহিৰৰ হুলস্থুলীয়া পৰিৱেশ দুগুণ বাঢ়িবলৈ ধৰে)। আপুনি এই নৰপিশাচটোক এতিয়াই মোৰ চকুৰ আগৰপৰা লৈ যাওক নহ'লে ইয়াক আজি ই (ৰামকৃষ্ণক মাৰিবলৈ যায়)

নৈঋত ঃ (ৰামকৃষ্ণক উঠাই দিয়ে) অধৈৰ্য নহ'বি। (হৰিপ্ৰিয়া থমকি ৰয়) ই পাপ কৰিছে যেতিয়া শাস্তি পাবই লাগিব, কিন্তু ইয়াক লৈ যোৱাৰ আগতে এষাৰ কথা কৈ যাওঁ, আচল পৰিচয় নাপালেও হৃদয়ত থকা অলপ বিশ্বাসৰ বাবেই অন্ততঃ এসাজ হ'লেও কাৰোবাক দিবলৈ সাহস কৰিছিলো, কিন্তু আজি বিশ্বাসেই যদি মূল্যহীন তেন্তে আপোনজনকো অচিনাকি বুলি ভবাই শ্ৰেষ্ঠ। ঐ ব'ল। (ৰামকৃষ্ণক বাহিৰলৈ যায়)

নেপথ্যত ঃ ঐ নেৰিবি তাক, মাৰ মাৰ। ঐ ধৰ তাক, ই পাপী মাৰ ইয়াক।

নিৰ্মলা ঃ বাই, এতিয়াতো তই কাকাক আদৰি ল'। ইমানখিনি হৈ যোৱাৰ পিছতো...।

হৰিপ্ৰিয়া ঃ (অলপ ভাবি) (উচ্চস্বৰে) ঐ ৰ' (সংগীত স্তব্ধ হয়, বাহিৰত হুলস্থুলীয়া পৰিৱেশ ম্লান হয়) ককাইদেউ হয় মোৰ ই। বাবাৰ একমাত্ৰ মৰমৰ সন্তান; যাক সকলোৱে বহুত মৰম কৰিছিল, আজি ইমান বছৰৰ মূৰত তই উভতি আহিছ, তাকো এটা পিশাচৰ ৰূপত। যেতিয়া মই তহঁতৰ মুখত সেই নাম দুটা শুনিছিলো তেতিয়াই মই জানিছিলো, কিন্তু অলপ আগতে তোৰ যি অদ্ভুত ৰূপ দেখা পালো।

নিৰ্মলা ঃ ঐ বাই, কাকা ঘূৰি আহিল যেতিয়া সকলো ঠিক হৈ যাব। তই চিন্তা নকৰিবি।

হৰিপ্ৰিয়া ঃ একো লাভ নাই অ', আমি এতিয়া যিদৰে আছো চিৰদিন তেনেকৈয়ে থাকিব লাগিব। আমাৰ দৰে মানুহবোৰৰ জীৱনত কেতিয়া কি ঘটে কোনো ঠিক নাই, আনকি ৰজাঘৰীয়াৰো আমাৰ খবৰ ল'বলৈ অলপো সময় নাই।

নিৰ্মলা ঃ আমাৰ কণটি কাকা ভাল হ'ব বাই। ঐ কিবা এটা ক' না মুখেৰে। নেমাত কিয়? এবাৰতো ক ভাল হ'ম বুলি।

কংকণ ঃ (অতি উচ্চস্বৰে) মা.. এয়া চা আজি ধৰিত্ৰীৰ গৰ্ভত জন্ম হৈছে তোৰ এটি নতুন সন্তান। তই যে সৰুতে সদায় জিলিকি থাকিবলৈ কোৱা সেই পুৱা উদয় হোৱা সূৰ্য আজি অস্ত যাব, কিন্তু তোৰ এই ধ্ৰুৱতৰা দুটি আজিও উজ্জ্বলি আছে। চিন্তা নকৰিবি আজি সিহঁতৰ বুকুৰ মাজত সাৰটি সূৰ্যাস্তৰ সিপাৰে আমি এখন নতুন পৃথিৱী গঢ়িম।

□□□

মালিক ঃ আব্দুল! অ' আব্দুল! ৰাতি পুৱাল নে নাই বাহিৰত চাচোন।

আব্দুল ঃ টৰ্চটো দিব মালিক। ৰাতি পুৱালনে নাই ধৰিবই পৰা নাই।

☺☺☺

বেপাৰী ঃ কল লৈ লওক, কল লৈ লওক।

গ্ৰাহক ঃ কলৰ দাম কিমান?

বেপাৰী ঃ হালি পাঁচ টকা।

গ্ৰাহক ঃ ঠিয় হৈ কিমান হে?

☺☺☺

মেকানিক ঃ বাইদেউ, স্কুটিখনৰ ইঞ্জিনৰ সমস্যা আছে, ব্ৰেকডালেও ঠিকমতে কাম কৰা নাই।

সুন্দৰী ঃ এইবোৰ সৰু-সুৰা খেলিমেলি থাকেই, তুমি মাত্ৰ Mirrorখন ঠিক কৰি দিয়া।

☺☺☺

সংগ্ৰহ ঃ অঙ্কী দাস, স্নাতক, চতুৰ্থ ষাণ্মাসিক





# সাধাৰণ অসাধাৰণ



**পদ্মশ্ৰী যাদৱ পায়েং**
জন্ম ঃ ৩১ অক্টোবৰ, ১৯৫৯
স্থান ঃ ককিলামুখ, যোৰহাট, অসম
পিতৃ ঃ লক্ষীৰাম পায়েং
মাতৃ ঃ আফুলী পায়েং
পত্নী ঃ বিনিতা পায়েং
সন্তান ঃ মুনমুনী পায়েং, সঞ্জীৱ পায়েং, সঞ্জয় পায়েং



ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ চতুত্ৰিংশতিম বাৰ্ষিক আলোচনী 'সোণালী'ৰ 'সাধাৰণ-অসাধাৰণ' শীৰ্ষক সাক্ষাৎকাৰ শিতানৰ বাবে সাক্ষাৎ কৰা হৈছিল অসম মাতৃৰ সু-সন্তান, ভাৰতবৰ্ষৰ অৰণ্যমানৱখ্যাত পদ্মশ্ৰী ড° যাদৱ পায়েং ডাঙৰীয়াক। নৈপৰীয়া উদং ঠাই এখনক কিদৰে অৰণ্যলৈ সফলভাৱে ৰূপান্তৰিত কৰিছিল তাৰেই জীয়া অভিজ্ঞতা সাৱলীলভাৱে বৰ্ণনা কৰিছিল আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্জ্বল নক্ষত্ৰস্বৰূপ, সহজ-সৰল গাঁৱলীয়া পৰিৱেশত জীৱন-নিৰ্বাহ কৰা শ্ৰদ্ধাৰ যাদৱ পায়েং মহোদয়ে।

"ভাৰতবৰ্ষ এখন উন্নয়নশীল দেশ হোৱাৰ হেতুকে এই দেশৰ সামাজিক জীৱনশৈলী আৰু প্ৰকৃতিৰ মাজত এক ভাৰসাম্যতা বৰ্তি আছে"।— যাদৱ পায়েং।

এনে এক ভাৰসাম্যশীল জীৱন শৈলী বৰ্তাই ৰখাৰ স্বাৰ্থতেই 'মোলাই কাঠনি'ৰ দৰে এখন বৃহৎ অৰণ্য এককভাৱে গঢ়ি তোলা আই অসমীৰ সুযোগ্য সন্তান যাদৱ পায়েং মহোদয়ক আদৰ্শ হিচাপে লৈ মেক্সিকো, টাইৱান, গ্ৰেট ব্ৰিটেইনৰ দৰে উন্নত দেশসমূহে নিজৰ দেশতো প্ৰকৃতি সংৰক্ষণৰ ন ন পন্থা হাতত লৈছে। তেখেতক নিজ দেশলৈ আমন্ত্ৰণ জনাই সন্মান জনোৱাৰ লগতে নিজ দেশৰ নৱ-প্ৰজন্মক প্ৰকৃতিৰ সৈতে সামঞ্জস্যতা ৰক্ষা কৰি কিদৰে আধুনিক জীৱন-যাপন কৰিব পাৰি, তাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰিছে। সেই একেই উদ্দেশ্যকে আমাৰ ভাৰতবৰ্ষতো প্ৰসাৰ কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰকৃতি সংৰক্ষণৰ দিশটো সন্নিৱিষ্ট কৰিবলৈ যাদৱ পায়েং মহোদয়ে চৰকাৰক আহ্বান জনাইছে।

এখন অৰণ্য গঢ়ি তোলাৰ দৰে এক বৃহৎ প্ৰচেষ্টাক সফল ৰূপ দিয়াৰ আঁৰত তেখেতৰ জীৱনৰ নানান অভিজ্ঞতাসমূহৰ ভিত্তিত তেওঁক সোধা কেইটিমান প্ৰশ্নৰ উত্তৰ সংক্ষিপ্ত ৰূপত উল্লেখ কৰা হ'ল—


**প্ৰশ্ন ঃ আপোনাৰ 'মোলাই কাঠনি'ৰ এটি সংক্ষিপ্ত বিৱৰণ দিব নেকি?**

**যাদৱ পায়েং ঃ** মোলাই মানে আগতে মই দেখিবলৈ ৰঙা-বগা আছিলো, তাকেই মানুহবোৰে 'মুলা' বুলি কৈছিল। তাকে আৰু জনসাধাৰণে 'ই'টো লগাই 'মোলাই' কৰি পেলালে। মোৰ হাবিত লাখ লাখ গছ-গছনি আছে, লগতে ঢেকীয়াপতীয়া বাঘ আৰু শতাধিক হৰিণ আছে, গঁড় আছে, বিলুপ্তপ্ৰায় পক্ষী আছে। মাটিকালি প্ৰায় ৫৫০ হেক্টৰ। নতুনকৈ ২০০০

হেক্টৰ লৈছোঁ। ২০১১ চনৰপৰা পুলি ৰুই আছোঁ আৰু বৰ্তমান প্ৰায় ১০ লাখ ৰোপন কৰা হৈছে।

**প্ৰশ্ন ঃ ১৭ বছৰ বয়তে এখন অৰণ্য গঢ়াৰ পৰিকল্পনা আপোনাৰ মনলৈ কেনেকৈ আহিল ?**

যাঃ পাঃ দুৰ্ভাগ্যবশতঃ ১৯৬৬ চনৰপৰা ১৯৭০ চনৰ ভিতৰত ১০ কিঃমিঃ ৰাস্তা গৰাখহনীয়াই লৈ গ'ল। আমাৰ গাঁও, ৰেল লাইন, মৰগৰ সুঁতি, জাহাজ ঘাট বিলুপ্ত হৈ গ'ল। যাৰ বিনিময়ত মই যোৰহাটৰ জজ ক'ৰ্টৰ পেচকাৰ অনিল বৰঠাকুৰৰ ঘৰত থাকি তৃতীয় শ্ৰেণীৰপৰা ৯২ নং বালি গাঁও প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলো। য'ত পঢ়িছিলো তাৰ কাষতে এজন কৃষি বিজ্ঞানী আছিল। তেওঁ সৰুৰেপৰা আমাক শিকাইছিল, "গছপুলিটো ৰুলেই নহ'ব, পুলিটো প্ৰতিপালন কৰি ডাঙৰ-দীঘল কৰাৰ লগতে গছৰ গুণাগুণ আৰু নাম জানিব লাগিব"। তেওঁ হাতে-কামে কৰিও দেখুৱাইছিল। সেই সময়ত তেওঁলোকৰ গাঁৱত মোক পাণ পুলি ৰোপন কৰিবলৈ মাতিছিল; যিহেতু পাণ পুলি সকলোৰে হাতত পোখা নেমেলে। অসমীয়াত এষাৰ কথা আছে "একে আঘোনে ধান তিনি শাওনে পাণ"। কিন্তু মোৰ ক্ষেত্ৰত আকৌ একে শাওণতে পাণ চিঙি খাব পৰা হৈছিল। সেইকাৰণে তেতিয়া মোক ঘৰে ঘৰে পাণ ৰোবলৈ দিছিল আৰু তাৰ বাবদ ২৫



পইচা মাননি দিছিল। তাহানিৰ দিনত ২৫ পইচাৰে বাদাম ডেৰ কেজি মান পাইছিল। সেই কৃষি বিজ্ঞানীজনে মোৰ হাত চাই কৈছিল, "তই এইটো কামকে কৰিব, এদিন আদৰ্শৱান হ'বি; আৰু এইবোৰ কৰোঁতে চাবি অসমীয়াৰ জীৱনটো কেঁকোৰাৰ জীৱন লোৱা। কুকুৰে ভূকি থাকিব, হাতীয়ে গুৰিয়াব। তোৰ কামটোৰে তই কৰিবি"। এনেকৈয়ো এইবোৰ প্ৰেৰণা সৰুৰেপৰা পাইছো।

**প্ৰশ্ন ঃ ইমান বৃহৎ পৰিকল্পনা সন্মুখত ৰাখি আগবঢ়াৰ সময়ত কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগা হৈছিল।?**

যাঃপাঃ বহুত সমস্যা পাইছিলো। কিন্তু সেই বিজ্ঞানীজনে কোৱাৰ দৰে "কুকুৰে ভুকি থাকিব, হাতীয়ে গুৰিয়াব। তোৰ কামটোৰে তই কৰিবি"। গতিকে সেইবোৰ আদৰ্শ সৰুতেই শিকিছো। মই আৰু কোনোবাই ক'লেও বেয়া নাপাওঁ। েজোনে কাৰণে কৈছে, কওঁক দে, তেনেকৈয়ে ভাবো। বেয়া পাব লাগে বুলি নেজানোৱে আৰু।

**প্ৰশ্ন ঃ আপোনাৰ পৰিয়ালৰ বিষয়ে কিছু কথা অৱগত কৰিব নেকি ?**

যাঃপাঃ মই ৪২ বছৰ বয়সতহে বিয়া পাতিছো। হাবি গঢ়োতে গঢ়োতে পাহৰিয়েই গৈছিলো। এজন শিক্ষকে আহি ক'লে বোলে "তই হাবি বনাইয়ে থাকনে আৰু। বয়স পাৰেই হৈ যাব তোৰ। ময়েই ছোৱালী চাই দিম তোক"। সেই তেখেতেই নিজৰ খুলশালীৰ লগতে বিয়াখন কৰাই দিলে। হাবিতে থাকি বিয়া পাতিলো, ল'ৰা-ছোৱালীকেইটাৰো জন্ম তাতেই। গছ-গছনিৰ লগতে ডাঙৰ হোৱাৰ বাবে সিহঁতেও গছ-গছনি ভাল পায়। মোৰ ল'ৰা-ছোৱালী তিনিটা। ডাঙৰ ছোৱালী মুনমুনী পায়েং। তায়েই মোৰ লগত থাকি মোৰ কাম-কাজবোৰ চলাই থাকে। ল'ৰা দুটাইও পঢ়া শুনাৰ মাজতে মোক অৰণ্য গঢ়াৰ কামত সহায় কৰে।

**প্ৰশ্ন ঃ আপোনাৰ প্ৰকৃতি সংৰক্ষণৰ পদক্ষেপটিত আপোনাৰ পৰিয়ালৰপৰা কেনেধৰণৰ সহযোগিতা লাভ কৰিছিল ?**

যাঃপাঃ পৰিয়ালে মোক যথেষ্ট সহযোগিতা আগবঢ়ায়। হাজাৰ হাজাৰ গছ পুলি ৰোপন কৰিবলৈ আনিলে সিহঁত আটাইকেইটাইও লাগি ভাগি দিয়ে। সিহঁতে মোক কোনোদিনেই বাধা দিয়া নাই। বৰঞ্চ বহু সহায়হে কৰে। গছ সিঁহতেও ভাল পাই, গছৰ পৰাই সকলো পায়। আমাৰ মিছিং মানুহৰতো এটা প্ৰধান কামেই হৈছে প্ৰকৃতিৰ পৰাই লৈ প্ৰকৃতিকে দিয়ে।



**প্ৰশ্ন ঃ আপোনাৰ প্ৰকৃতি সংৰক্ষণৰ পদক্ষেপৰ বাবে আপুনি বিভিন্ন ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই স্বীকৃতিবোৰে আপোনাক কেনেকৈ উৎসাহিত কৰিছে। এইবোৰৰ প্ৰতি আপোনাৰ দৃষ্টিভংগী কি ?**

যাঃপাঃ **'দেশ কিয়া দেগা ৱ জৰুৰত নাহি হে, দেশ কেলিয়ে ক্যা কৰেংগা য়েহি মোৰ কাম হে'**। ভাৰতৰ ১৩০ কোটি মানুহৰ আশীৰ্বাদ মোৰ লগত আছে। চাবলৈ গ'লে নিজ দেশতকৈ বাহিৰৰ দেশৰ মানুহে মোক বেছিকৈ আদৰ কৰে আৰু মোক মোৰ অৰণ্য গঢ়াৰ কামত সহায়ৰ হাত আগবঢ়াইছে। এই ক্ষেত্ৰত মই ভাৰতবৰ্ষৰ ভিতৰত মহাৰাষ্ট্ৰ চৰকাৰৰ ওচৰত চিৰকৃতজ্ঞ। তেওঁলোকে মোক বহু বেছি সহযোগিতা আগবঢ়াইছে। গতিকে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ মানুহে মোক উৎসাহ-উদ্দীপনা যোগাইছে, মৰম দিছে, সেয়াই মোৰ বাবে যথেষ্ট। বিভিন্ন দেশৰ পৰা বিভিন্ন স্বীকৃতি আগবঢ়াইছে। তাত বেয়া পাবলৈনো কি আছে। মইতো খুজি যোৱা নাই। পৃথিৱীখনৰ বাবে কিবা এটা কৰিবলৈ চেষ্টা কৰিছো, ভাল লাগে।

**প্ৰশ্ন ঃ গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত পৰিৱেশলৈ যি ভাবুকি আহি পৰিছে, ইয়াৰ ক্ষেত্ৰত আপোনাৰ মন্তব্য কি ?**

যাঃ পাঃ গোলকীয় উষ্ণতা কিয় হৈছে? আমি পৃথিৱীৰ ৭৫০ কোটি মানুহে কি জানো? কেৱল এন্টাৰ্কটিকাতেই বৰফ থাকে, সুমেৰুতেই বৰফ থাকে, হিমালয়তেই বৰফ থাকে। কিন্তু সেই কথাটো নহয়। সাগৰৰ তলিতো বৰফ থাকে। যেতিয়া গোলকীয় উষ্ণতা বৃদ্ধি হ'ল, তেতিয়া সেই বৰফবোৰ ক্ৰমান্বয়ে গলিবলৈ আৰম্ভ কৰিলে। যাৰ বাবে বা-মাৰলি আহে।

পৃথিৱীৰ বিভিন্ন পৰ্বত-পাহাৰত ঠেকা খাই ঘূৰি আহোতে ধাৰাসাৰ গৰম বৰফ পৰে। ফলত মাটিত থকা বৰফবোৰ গলি যোৱাৰ ফলত নদ-নদীবোৰ বেছি খৰস্ৰোতা হ'ল। গৰাখহনীয়াই প্ৰৱল ৰূপ ধাৰণ কৰিছে, যাৰ ওপৰত কোনেও নিয়ন্ত্ৰণ কৰিব পৰা নাই। ইয়াৰ মূলতে হ'ল জন বিস্ফোৰণ, দ্ৰুত গতিত উদ্যোগীকৰণ-নগৰীকৰণ। এইবোৰে সমগ্ৰ বিশ্বলৈ কঢ়িয়াই আনিছে দুৰ্যোগ, যাৰবাবে বিশ্ববাসীক প্ৰকৃতিয়ে বাৰম্বাৰ সোঁৱৰাই দিছে। কিন্তু বিশ্ববাসীয়ে জানিও নজনাৰ ফলত covid-19ৰ দৰে মহামাৰী আহিল। ইয়াৰ অন্য একো কাৰণ নাই।

**প্ৰশ্ন ঃ বৰ্তমান সময়ত পৰিৱেশ সংৰক্ষণৰ বাবে চৰকাৰে বিভিন্ন কৰ্মপন্থা হাতত লৈছে। আপুনি এই ক্ষেত্ৰত কিমান দূৰ সহমত? আপোনাৰ কিবা পৰামৰ্শ আছে নেকি?**

যাঃপাঃ সহমত মানে, আমাৰ চৰকাখনত দোষিব নোৱাৰি। যিবোৰ আঁচনি লৈছে ভাল হৈছে। কিন্তু প্ৰকৃতি ধ্বংস কৰি সমাজৰ উন্নতি কৰিব নোৱাৰি। বেলেগ বেলেগ দেশৰ দৰে প্ৰকৃতিৰ অস্তিত্ব অক্ষুণ্ণ ৰাখি সমাজৰ উন্নতিৰ বাবে কাম কৰিব লাগে। উদাহৰণ স্বৰূপে সীমান্তৱৰ্তী চীন দেশৰ কথাই ক'ব পাৰি। গতিকে দেশখনৰ উন্নতিৰ বাবে আমাৰ সংবিধানৰ সাল-সলনি হ'ব লাগে বুলি মই ভাবো।

**প্ৰশ্ন ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা কেনেধৰণৰ?**

যাঃপাঃ মোৰ লক্ষ্য হ'ল মোৰ ইয়াৰপৰা এফালে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈকে ৬০ কিঃমিঃ সম্পূৰ্ণৰূপে বনানিকৰণ কৰিব লাগিব। আনফালে একেদৰে ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানলৈ সমগ্ৰ ঠাইখিনি গছ-গছনিৰে পূৰ কৰিব লাগিব। মোৰ কথা হ'ল গছ ৰুব নালাগে মানুহে, কিন্তু গছ কাটিবও নালাগে। মোৰ এই হাবিৰ পৰা গুটি গৈয়ে গছ হ'ব। মানুহৰ মনলৈ ইয়াৰে সজাগতা আনিব লাগে। মই গৌৰৱবোধ কৰো, মোৰ হাবিত থকা চৰাইবোৰে গছ ৰুব জানে। ইয়াত থকা হৰিণাই গছ ৰুব জানে, ইয়াত থকা গৰু, গঁড়, হাতীয়েও গছ ৰুব জানে।



**প্ৰশ্ন ঃ ইয়াৰোপৰি আপোনাৰ এনে কিবা সপোন আছে নেকি? যিটোক আপুনি সাকাৰ ৰূপ দিব বিচাৰে?**

যাঃপাঃ অসমত মাটি নাই। এদিন গাঁওবিলাকো নগৰ হ'ব। জনসংখ্যা বেছি হ'ব। মাটি অধিগ্ৰহণ কৰিব। অসমৰ মাটি ব্ৰহ্মপুত্ৰৰ বুকুত চাৰিভাগৰ তিনি অংশ আছে। সেইখিনি পৰিস্কাৰ কৰাটোৱে মোৰ নতুন পৰিকল্পনা। শদিয়াৰপৰা ধুবুৰীলৈকে প্ৰকৃতিৰ সংৰক্ষণৰ এইটো কাম কৰি আছো আৰু কৰাই আছো। চৰ অঞ্চলবিলাক সেউজীকৰণ কৰাটোৱে মোৰ সপোন।

**প্ৰশ্ন ঃ আপোনাৰ জীৱনৰ আধাৰত এখন কিতাপ ইতিমধ্যে প্ৰকাশ হৈছে। আপোনাৰ অনুভৱ কি?**

যাঃপাঃ কোনোবাই নাটক কৰিছে, কোনোবাই চিনেমা বনাইছে, কোনোবাই ডকমেণ্টৰি বনাইছে। সেইবোৰ আৰু জীয়াই থাকোতে দিয়া সান্ত্বনা। আমাৰ মানুহৰ দূৰদৰ্শিতাৰ অভাৱৰ বাবেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, ভূপেন হাজৰিকাৰ দৰে মহান ব্যক্তিসকলৰ আদৰ্শবোৰ চৰ্চাৰ অভাৱত আমাৰ সমাজৰ পৰা বহু ক্ষেত্ৰত বাদ পৰি থকা দেখা যায়। মোৰ এই কামৰ অকণমান আদৰ্শ লৈ যদি মানুহবোৰে নিজৰ মন, সমাজখন শুধৰাই মোৰ ভাল লাগিব। বেছি নালাগে প্ৰত্যেকজন মানুহে যদি নিজৰ জন্মদিনটোত একোটিকৈ গছপুলি ৰুই তাৰ প্ৰতিপালন কৰাৰ সৎ মানসিকতা গঢ়ি তোলে, মোৰ কষ্টই সাৰ্থকতা লাভ কৰিব বুলি মই ভাবো।❑





# মহৎ লোকৰ বাণী

সংগ্ৰহকাৰী ঃ **মৃন্ময় ফুকন**
স্নাতক, ষষ্ঠ ষাণ্মাসিক

১। নিভাঁজ অসমীয়া ভাষাৰে কথা লিখিবা। নিভাঁজ অসমীয়া সাজপাৰ পিন্ধিবা। অনাহকত বিদেশীক অনুকৰণ নকৰিবা।

— লক্ষ্মীনাথ বেজবৰুৱা

২। শিক্ষাই বৰ্তমান এনে এক বিপুল সংখ্যক মানুহ সৃষ্টি কৰিছে যিসকলে পঢ়িব পাৰে; কিন্তু কোনেবোৰ কিতাপ পঢ়াৰ যোগ্য সেই কথা যে ঠিক কৰিব নোৱাৰে।

— জি. এম. ট্ৰেভেলিয়ান

৩। যেতিয়ালৈকে মানুহৰ আত্মাক শক্তিশালী কৰিব নোৱাৰি, তেতিয়ালৈকে শিক্ষাও সম্পূৰ্ণ নহয়।

— মহাত্মা গান্ধী

৪। মানুহ হৈছে সপোন দিঠকত পৰিণত কৰা শিল্পী। পৃথিৱীখন হ'ল শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনীশাল।

— জ্যোতিপ্ৰসাদ আগৰৱালা

৫। যিজনে ভাষা কি বস্তু আৰু ই কেনেকৈ ৰূপ ল'লে তাক নাজানে তেওঁ শিক্ষিত বুলি ভাবিবই নোৱাৰি।

— মেক্সমূলাৰ

৬। চিন্তাশীল ব্যক্তিৰ চিন্তাই সাহিত্য। ব্যক্তিৰ সেই চিন্তাৰ যোগান ধৰে জীৱনৰ অভিজ্ঞতাই।

— কালাইল

৭। অজ্ঞানী হোৱাতকৈ মগনিয়াৰ হোৱাই শ্ৰেয়, কাৰণ মগনিয়াৰক কেৱল অৰ্থ লাগে, কিন্তু অজ্ঞানীক মানৱতাৰ প্ৰয়োজন।

— এৰিষ্টটল

৮। আন্ধাৰক শাঁওপাত দিবৰ বাবে আমি ইয়ালৈ অহা নাই। সেই আন্ধাৰৰ মাজেদি নিৰাপদে এক সুস্থ ভৱিষ্যতৰ ফালে আমাক বাট দেখুৱাই নিবপৰা চাকি এগছি জ্বলাবৰ বাবে আহিছো।

— জ্যোতিপ্ৰসাদ আগৰৱালা

৯। জ্ঞানীজনে কথা কয় তেওঁলোকৰ কথা ক'বলৈ থাকে বাবে আৰু মুৰ্খই কথা কয় একোকে ক'বলৈ নথকাৰ বাবে।

— প্লেটো

১০। পাপৰ ফল মানুহে ভোগ কৰিবলৈ নিবিচাৰে, অথচ পাপ অথবা নকৰিবলগীয়া কামবোৰ মানুহে যতনেৰে কৰে; কিন্তু পুণ্য কৰিবলৈ যত্ন নকৰি পুণ্যৰ ফল ভোগ কৰিব বিচাৰে।

— বেদব্যাস (মহাভাৰত)

# জানো আহক

সংগ্ৰহকাৰী ঃ **অম্লানদ্বীপ চাংমাই**
স্নাতক, ষষ্ঠ ষাণ্মাসিক

১। চেংগিজ খাঁনৰ সৰু ভায়েক—
ক) ইমৰান খাঁন
খ) কাজাৰ খাঁন
গ) ইমতিয়াজ খাঁন

২। ২০২২ বৰ্ষৰ দাদা চাহেব ফাল্কে ইণ্টানেচনেল ফিল্ম ফেচটিৱেল পুৰস্কাৰৰ ফিল্ম অৱ দা ইয়েৰ—
ক) পুষ্পা- দা ৰাইজ
খ) চেৰ চাহ
গ) ৮৩

৩। ২০২২ বৰ্ষৰ অস্কাৰৰ বেষ্ট ফিল্ম—
ক) CODA
খ) Drive my car
গ) Dune

৪। Coin অধ্যয়ন কৰাজনক কোৱা হয়—
ক) Numismatics
খ) Genealogy
গ) Linguistics

৫। ২০২২ বৰ্ষৰ বিশ্বকাপ ফুটবলৰ বলটোৰ নাম—
ক) অল্ ৰিহালা
খ) টেলচটাৰ
গ) ব্ৰাজোকা

৬। পৃথিৱীৰ আটাইতকৈ দ্ৰুতবেগী চৰাই—
ক) পেৰেগ্ৰিন ফলকন
খ) চুইফ্‌ট
গ) কুইড

৭। টাটা কোম্পানীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দ্বাৰা অনুপ্ৰাণিত হৈ কোনখন গাড়ীৰ এটা বিশেষ Edition উলিয়াইছিল—
ক) NEXBN
খ) HARRIER
গ) TIAGO

৮। ভাৰতবৰ্ষৰ প্ৰথম চন্দন কাঠৰ সংগ্ৰহালয়—
ক) মশীশূৰ
খ) মহাৰাষ্ট্ৰ
গ) চেন্নাই

৯। ভাৰতৰ বৰ্তমানৰ অৰ্থাৎ ২০২২ বৰ্ষৰপৰা উপ-ৰাষ্ট্ৰপতি হৈছিল—
ক) এম ভেংকিয়া নাইডু
খ) জগদীপ ধনখৰ
গ) নিৰ্মলা সীতাৰমণ

১০। অসমৰ মানচেষ্টাৰ বুলি কোৱা হয়—
ক) গুৱালকুছি
খ) যোৰহাট
গ) নগাঁও

11. Which Department under the 'Ministry of Finance' notifies changes in rates on small savings scheme?
ক) Department of Expenditure
খ) Department of Economic Affairs
গ) Department of Revenue
ঘ) Department of Financial Services

12. G Kamala Vardhana Rao has taken over the charge as the CEO of which institution?
ক) myGOVB
খ) UIDAI
গ) FSSAI
ঘ) FCI

13. What is the name of the fund to be launched by the Government of India for catalysing deep tech start-ups?
a. Digital India Innovation Fund
b. Start-Up Integration Fund
c. Deeptech Innovation Fund
d. Bharat Innovation Fund





14. Aung Suu Kyi is the former leader of which country?
a. Thailand
b. Myammar
c. Bangladesh
d. Nepal

15. In 2023, Portugal Football team captain Cristiano Ronaldo joined the club Al Nassr of which country?
a. Germany
b. Saudi Arabia
c. UAE
d. Qatar

16. India is in talks with which country to sign a Mutual Legal Assistance Treaty (MLAT)?
a. UK
b. Saudi Arabia
c. Sri Lanka
d. Australia

17. Which country has taken over the Presidency of the Council of the European Union for the first six months of 2023?
a. Finland
b. Sweden
c. Italy
d. Germany

18. 119 million year old skeleton of 'Confuciusornisshifan' bird has been found in which country?
a. India
b. Australia
c. China
d. Argentina

19. What is the name of the annual state level Youth Festival organised in Kerala?
a. Keralotsavam
b. Kerala Sahavu
c. MalayalamManorama
d. Mallu Magic

20. International Association of Chiefs of Police (IACP) recognised the 'Nijaat' Campaign of which state Police?
a. Tamil Nadu
b. Chhattisgarh
c. Kerala
d. New Delhi

21. Which institutin conducts the 'Systemic Risk Survey (SRS)' in India?
a. State Bank of India
b. Reserve Bank of India
c. Bombay Stock Exchange
d. National Stock Exchange

22. Who is the first woman officer to be operationally deployed at Kumar Post, Siachen?
a. Caption Shiva Chouhan
b. Captain Bhawana Kanth
c. Captain Avani Chaturvedi
d. Captain Mohana Singh Jitarwal

23. Which High Court has directed the city government to ensure free food and medical treatment to HIV positive persons?
a. Delhi High Court
b. Bombay High Court
c. Chennai High Court
d. Allahabad High Court

24. Which state hosted the 'National Scout and Guide Jamboree'?
a. Karnataka
b. Rajasthan
c. Tamil Nadu
d. Gujrat

25. 'Bailey Suspension Bridge' has been inaugurated in which state/UT?
a. Jammu and Kashmir
b. Arunachal Pradesh
c. Assam
d. Karnataka

26. India Started probe into dumping of which products by Chaina and Hong Kong?
a. Plastic Toys
b. Phone Display Panels
c. Printed Circuit Boards
d. Power Banks

27. Savitribai Phule, India's first woman teacher was from which state?
   a. Tamil Nadu
   b. Maharashtra
   c. Kerala
   d. Andhara Pradesh
28. The 'Brahma Kumaris' spiritual movement that originated in which state?
   a. Uttar Pradesn
   b. Andhra Pradesh
   c. Gujarat
   d. West Bengal
29. Twenty new frog species have been recently found in which country?
   a. India
   b. Madagascar
   c. China
   d. Bangladesh
30. Which state launched the 'Chief Minister's Residential Land Rights scheme'?
   a. Gujarat
   b. Madhya Pradesh
   c. Assam
   d. Odisha

## উত্তৰ (Answer)

১। খ) কাজাৰ খাঁন
২। ক) পুষ্পা - দা ৰাইজ
৩। ক) CODA
৪। ক) Numismatics
৫। ক) অল্ ৰিহালা
৬। ক) পেৰেগ্ৰিণ ফেলকন
৭। ক) NEXBN
৮। ক) মহীশূৰ
৯। খ) জগদীপ ধনখৰ
১০। ক) শুৱালকুছি
11. b. Department of Economics Affairs
12. c. FSSAI
13. a. Digital India Innovation Fund
14. b. Myanmar
15. b. Saudi Arabia
16. b. Saudi Arabia
17. b. Sweden
18. c. China
19. a. Keralotsavam
20. b. Chhattisgarh
21. b. Reverve Bank of India
22. a. Captain Shiva Chouhan
23. a. Delhi High Court
24. b. Rajasthan
25. a. Jammu and Kashmir
26. c. Printed Circuit Boards
27. b. Maharashtra
28. b. Andhra Pradesh
29. b. Madagascar
30. b. Madhya Pradesh

□□□





# কৌতুক

সংগ্ৰহকাৰী ঃ **অন্নী দাস**
স্নাতক, চতুৰ্থ ষাণ্মাসিক

অন্ধ ভিক্ষাৰী ঃ অন্ধৰ প্ৰতি দয়া কৰক মহাশয়।
বাটৰুৱা ঃ (এটকা দলিয়াই দি) এয়া লোৱা।
অন্ধ ভিক্ষাৰী ঃ হেৰি, এটকাৰে কি কৰিম? পাঁচ টকা দিয়ক। বস্তুৰ যিহে দাম।

☺😑☹

উকীল ঃ (আচামীৰ প্ৰতি) মিছা কথা ক'লে তুমি ক'লৈ যাবা?
আচামী ঃ নৰকলৈ।
উকীল ঃ আৰু সঁচা কথা ক'লে?
আচামী ঃ জে'ললৈ।

☺😑☹

যাত্ৰী ঃ ঐ ৰিক্সা যাবি?
ৰিক্সাচালক ঃ (হিন্দীত) কাঁহা?
যাত্ৰী ঃ নাকাঁহিলে নোযোৱা নেকি?

☺😑☹

এগৰাকী ৫৫ বছৰীয়া মহিলাৰ হাৰ্ট এটেক হ'ল আৰু তেওঁক হস্পিটেলত ভৰ্তি কৰোৱা হ'ল। অপাৰেচন থিয়েটাৰত তেওঁ জীৱন আৰু মৃত্যুৰ দুৱাৰদলিত উপস্থিত হ'ল। ভগৱানৰ লগত তেওঁৰ সাক্ষাৎ হ'ল।
তেওঁ ভগৱানক সুধিলে ঃ পৃথিৱীত মোৰ সময় শেষ হৈ গ'ল নেকি?
ভগৱানে ঃ নাই হোৱা। এতিয়াও তোমাৰ হাতত পৃথিৱীত জীয়াই থাকিবলৈ ৩২ বছৰ বাকী আছে।

লাহে লাহে মহিলাগৰাকী সুস্থ হৈ আহিল। তেওঁ সেইখন হস্পিটেলতে প্লাষ্টিক চাৰ্জাৰী কৰাই নিজৰ চেহেৰাটো ধুনীয়া কৰাই ল'লে। নিজৰ চৰ্বিসমূহ অপাৰেচন কৰোৱা শ্লিম হৈ ল'লে। চুলিখিনিও ৰং কৰি কিচ্‌কিচিয়া ক'লা কৰি পেলালে; যিহেতু তেওঁৰ হাতত জীয়াই থাকিবলৈ এতিয়াও বহুত সময় বাকী আছে। তাৰপিছত, তেওঁ হস্পিটেলৰপৰা ৰিলিজ ল'লে। ঘৰলৈ অহা সময়তে তেওঁৰ এটা এক্সিডেণ্ট হ'ল আৰু ট্ৰাকৰ তলত সোমাই তেওঁৰ মৃত্যু হ'ল। যেতিয়া তেওঁৰ আত্মাটো ভগৱানৰ সন্মুখত উপস্থিত হ'ল। তেতিয়া তেওঁ ভগৱানক সুধিলে

ঃ প্ৰভু, আপুনি কৈছিল মোৰ হাতত আৰু ৩২ বছৰ সময় আছে। কিন্তু আপুনি মোক এক্সিডেণ্টটোৰ পৰা নবচালে কিয়?
ভগৱানে উত্তৰ দিলে ঃ মই তোমাক চিনিয়েই নেপালো।
আৰু কৰা মেক আপ!!!

☺😑☹

আগৰ পুৰণি মানুহে নিজৰ নামবোৰ কেনেকুৱা ৰাখে আপোনালোকে নিশ্চয় জানে। ঠিক তেনে গজব নামেৰে নামাকৰণ কৰা ৪জন ককাই-ভাই মাকৰ সৈতে এটা পৰিয়াল মমীহঁতৰ ঘৰৰ ওচৰলৈ নতুনকৈ ভাড়াতীয়া হিচাপে আহিল। এজনৰ নাম ভণ্ডা, দ্বিতীয়জনৰ নাম ফটা, তৃতীয়জনৰ নাম শুকান, চতুৰ্থজনৰ নাম মৰা। মমী এদিন তেওঁলোকৰ ঘৰত আলহী ফুৰিব গ'ল। মাকে আলহীক সুধিলে, 'আপুনি চকীত বহিব নে পিৰাত?'
আলহী ঃ চকী হ'লেই হ'ব।
মাক ঃ ভণ্ডা, চকীখন লৈ আহ।
আলহী ঃ নালাগে হ'ব, পিৰা এখনকে দিব কওক।
মাক ঃ ফটা, পিৰা এখন লৈ আহ।
আলহী ঃ পিৰাও নালাগে, মই পকাতেই বহিছো, হ'ব দিয়ক।
(আলহী পকাতে বহিল)
মাকে সুধিলেঃ আপুনি চাহ খাবনে গাখীৰ খাব?
আলহী ঃ চাহ দিলেই হ'ব।
মাক ঃ শুকান, চাই লৈ আহিবি।
আলহী ঃ নাই নাই, চাহ নালাগে, গাখীৰকে দিয়ক।
মাক ঃ মৰা, গৰুৰ গাখীৰ এগিলাচ লৈ আহ।
কৃষ্ণ, কৃষ্ণ

☺😑☹

# সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়খনক জীৱন দিয়া প্ৰত্যেকজন ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো। জ্ঞানৰ মন্দিৰ হিচাপে পৰিচিত সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ ফালৰপৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বহুতো সপোন লৈ মহাবিদ্যালয়খনত ভৰি দিছিলো। সৌভাগ্য আৰু নেদেখাজনৰ কৃপাত মহাবিদ্যালয়খনৰ বাবে কাম কৰাৰ সুযোগ পালো। ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে নিজকে নিয়োগ কৰিবলৈ পাই মই নিজকে সৌভাগ্য ৱান বুলি ভাবো। সময় বোঁৱতী নৈৰ দৰে। চকুৰ পলকতে ৬টা মাহ কেতিয়া শেষ হ'ল গমেই পোৱা নগ'ল। কি কৰিলো, কিমান দিব পাৰিলো, তাৰ হিচাপ মই নিদিওঁ। সেয়া দিব আপোনালোকে। সকলোৰে আশাতথিয় দিয়াৰ প্ৰচেষ্টা আৰম্ভণিৰ পৰাই কৰা হৈছিল মোৰ মাত্ৰ এটাই লক্ষ্য মহাবিদ্যালয়খনক উন্নতিৰ পথত আগুৱাই নিয়া।

মহাবিদ্যালয়খনক লৈ দেখা সকলো সপোন পূৰ কৰিবলৈ খুব কম সময় হাতত পাইছিলো। ছাত্ৰ একতা সভাখনক এখন হাতৰ মুঠিৰ দৰে এক কৰি থ'ম বুলি লোৱা প্ৰতিজ্ঞা শেষলৈকে বৰ্তি থাকিল। তাকেই লৈ নিজৰ কাৰ্যকাল সামান্য হ'লেও সফল হ'ল বুলি মানিছো। জনা নজনাকৈ কামবোৰ আগবঢ়ালো। বিভিন্ন দিশত বিভিন্ন ভুল কৰিলো যদিও যিসকলে মোক শুদ্ধ পথ দেখুওৱাত সহায় কৰিলে, তেওঁলোকলৈ মই এই প্ৰতিবেদনৰ জৰিয়তেই সেৱা নিবেদিছো। সকলোৰে সহায়-সহযোগিতা অবিহনে একো সম্ভৱ হৈ নুঠিল হয়। অৱশেষত সকলোলৈকে এই প্ৰতিবেদনৰ জৰিয়তে অন্তৰৰ পৰা ধন্যবাদ জনাই প্ৰতিবেদনখন সামৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**অনুভৱ প্ৰকাশ গগৈ**
সভাপতি, ২০২১-২২ বৰ্ষ

□□□





# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশ আৰু নিজৰ জাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

আজি নিজকে মই সৌভাগ্যৱান বুলি জ্ঞান কৰো এই কাৰণেই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ মই এজন ছাত্ৰ আৰু লগতে ২০২১-২২ বৰ্ষত ছাত্ৰ একতা সভাৰ আনুষ্ঠানিকভাৱে এটা বছৰ মহবিদ্যালয়ৰ উন্নয়নৰ বাবে দায়িত্ব গ্ৰহণৰ সুযোগ পালো।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে শপত গ্ৰহণৰ দিনাৰেপৰা এই দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ প্ৰতিজ্ঞা কৰিছিলো। সোণাৰি মহাবিদ্যালয়ৰ উন্নতি সাফল্য আৰু গৰিমা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছিলো।

ছাত্ৰ একতা সভাৰ উপ-সভাপতি হৈ থকা সময়ত হোৱা কাৰ্যক্ৰমণিকাৰ কিছু খটিয়ান দাঙি ধৰা হ'ল—

১। ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু সদস্যাৰ বৰঙণি আগবঢ়াই পানী ফিল্টাৰকে আদি কৰি বিভিন্ন সামগ্ৰীৰ যোগান ধৰা হয়।

২। মহাবিদ্যালয়ৰ তোৰণখন ৰং আৰু নিৰ্মাণ কৰা হয়।

২০২১ আৰু ২২ বৰ্ষৰ মহাবিদ্যালয়ৰ সভাপতিৰ অনুপস্থিতিত দায়িত্বভাৰ গ্ৰহণ কৰিবলগীয়া হয়।

কৃতজ্ঞতা জ্ঞাপন

ছাত্ৰ একতা সভাক উৎসাহ আৰু প্ৰেৰণা যোগাই অহা মাননীয় অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰক সহায় কৰা আৰু পৰামৰ্শৰ বাবে শ্ৰদ্ধ জ্ঞাপন কৰিছো আৰু মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু আৰু কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**আকাশ তাচা**
উপ-সভাপতি, ২০২১-২২ বৰ্ষ

□□□

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ প্ৰাৰম্ভনিতে স্বদেশ আৰু জাতিটোৰ হকে প্ৰাণ বিসৰ্জন দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো, লগতে সেইসকল মহান মণিষীক আন্তৰিক শ্ৰদ্ধা যাচিছো যিসকলৰ অজস্ৰ শ্ৰম আৰু সাধনাৰ ফলত ঐতিহাসিক চৰাইদেউ জিলাত ঐতিহ্যমণ্ডিত জ্ঞান মন্দিৰ সোণাৰি মহাবিদ্যালয়ে জন্মলাভ কৰিলে। স্কুলীয়া জীৱনৰ পৰাই সপোন বান্ধি লৈছিলো এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰিম বুলি। নেজানো কিয় কিন্তু স্কুলীয়া দিনবোৰৰ পৰাই যথেষ্ট আকৰ্ষিত আছিলো মহাবিদ্যালয়খনৰ প্ৰতি আৰু পৰিয়ালৰ মা, বাইদেউ, ককাইদেউসকলৰপৰা মহাবিদ্যালয়খনৰ বিষয়ে যিকোনো কথা জানিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়খনত ভৰি দিয়াৰ পিছৰপৰাই জ্যেষ্ঠসকলৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা ভালপোৱা আৰু মহাবিদ্যালয়খনৰ প্ৰতি কিবা এটা কৰাৰ অদম্য বাসনাই মোকো অনুপ্ৰাণিত কৰিছিল। মহাবিদ্যালয়খনত ভৰি দিয়া প্ৰথম বৰ্ষৰ পৰাই মই মহাবিদ্যালয়খনৰ বিভিন্ন শৈক্ষিক, সামাজিক, সাংস্কৃতিক, সাহিত্যিক দিশৰ লগত জড়িত হৈ পৰিছিলো। লগতে এই প্ৰতিষ্ঠানটিৰ ছাত্ৰ একতা সভাৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিলো আৰু বিভিন্ন কাম কাজত নিজকে নিয়োজিত কৰিছিলো। মোক অগ্ৰজসকল মোৰ বাবে যথেষ্ট সদয় আছিল। সকলোৱে বিশ্বাসেৰে যিকোনা কামৰ দায়িত্ব অৰ্পণ কৰিছিল। আৰু মইও সাধ্য অনুসাৰে পালন কৰিবলৈ যত্ন কৰিছিলো। হয়তো কৰ্মস্পৃহা আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা ভালপোৱা দেখিয়ে তেওঁলোকে মোক ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰু দায়িত্ব পালন কৰিবলৈ উৎসাহিত কৰিছিল। এই ক্ষেত্ৰত বিশেষভাৱে কেইজনমান মানুহৰ ওচৰত কৃতজ্ঞ। তেওঁলোক ক্ৰমে ককাইদেউ আৰু বাইদেউ- প্ৰযোজ্য মাধৱ দত্ত, পল্লৱ কাকতি, ত্ৰিবেনী বৰগোহাঁই, মানস সন্দিকৈ, অনুপম শইকীয়া, বেদান্ত বৰঠাকুৰ,আইভি ৰাজকুমাৰী, মন্দিৰা পাল, বিষ্ণু প্ৰধান আৰু বহুতো। আৰু মোৰ বন্ধু-বান্ধৱী ক্ৰমে পূৱৰ শৰ্মা, আকাশ নাথ, হোমেন বৰুৱা, নীৰ্লভ জ্যোতি বৰ্মন। অভিজিৎ চাংমাই, পংকজ বৈদ্য, অসীম গগৈ, সৃষ্টি বৰগোহাঁই আৰু বহুতো তেওঁলোকে মোক যথেষ্ট উৎসাহিত কৰিছিল।

২০২১ চনৰ ২৭ ডিচেম্বৰ তাৰিখে মই আৰু মোৰ সতীৰ্থসকলে ভগৱন্তৰ নামত শপত লৈ ছাত্ৰ-একতা সভাৰ দৰে এক গুৰুত্বপূৰ্ণ মঞ্চৰ যোগেদি আৰম্ভ কৰিছিলো। সাধাৰণ সম্পাদকৰ পদত মোৰ এই ১০মহীয়া যাত্ৰাৰ এক সফল পৰিসমাপ্তি হ'ল বুলি ভাবিছো। মহাবিদ্যালয় পৰিয়ালটিৰ মৰম তথা সহাৰিয়ে মোক যথেষ্ট আপ্লুট কৰিলে। বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শ নতুন চিন্তাধাৰাই মোক যথেষ্ট সহায় কৰিলে আৰু নতুন নতুন অভিজ্ঞতা লাভ কৰিবলৈ সুযোগ দিলে। এই ছেগতে মহাবিদ্যালয়খনৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° বিমল ৰঞ্জন বৰুৱা ছাৰ, মোৰ তত্বাৱধায়ক শ্ৰীযুত নবীন গগৈ ছাৰৰ লগতে মহাবিদ্যালয়ক সন্মানীয় প্ৰত্যেকগৰাকী শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ কৰ্মকৰ্তালৈ আন্তৰিক শ্ৰদ্ধা আৰু অশেষ ধন্যবাদ জনালো। মোক প্ৰত্যেকটো কামতে পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ লগতে মোক বন্ধু-বান্ধৱী, অগ্ৰজ-অনুজ সকলোকে ধন্যবাদ জনালো।

২৭-১২-২১ তাৰিখ দায়িত্ব গ্ৰহণ কৰি বৰ্ষটোক কাৰ্যসূচী ৰূপায়ন আৰু পৰিয়ালৰ উদ্দেশ্য আমি ৩০-১২-২১ তাৰিখে প্ৰথমখন কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰিছিলো। এই কাৰ্যনিৰ্বাহকৰ গুৰি ধৰিছিল ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীঅনুভৱ প্ৰকাশ গগৈ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰৰ লগতে উপস্থিত আছিল সকলো বিভাগীয় শিক্ষক তত্বাৱধায়কসকল আৰু ছাত্ৰ একতা সভাক বিষয়ববীয়া, কাৰ্যনিৰ্বাহকখনত বৰ্ষটোৰ সকলো পৰিকল্পনা কৰিছিলো।

এগৰাকী সাধাৰণ সম্পাদক হিচাপে হয়তো আপোনালোকে মোৰপৰা বহুতো নতুনত্ব আশা কৰিছিল আৰু কিমান আপোনালোকৰ সেই সপোন বাস্তৱত পৰিণত কৰিব পাৰিছিলো নেজানো কিন্তু মই আপোনালোকৰ আশাবোৰ সফল ৰূপায়ন কৰাত আপ্ৰাণ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ ইতিহাসৰ পাত লুটিয়ালে দেখা পাম যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে এক নতুন খোৱাপানী যোগানৰ ব্যৱস্থা কৰিলো। মোৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যান বাহনৰ খৰচ কিছু পৰিমানে ৰেহাই কৰিবলৈ চেষ্টা কৰিলো। মোৰ কাৰ্যকালতে ছাত্ৰ একতা সভাই মহাবিদ্যালয় নামভৰ্তি ক্ষেত্ৰত মহাবিদ্যালৰ নিৰ্দ্ধাৰিত যি মাচুল সেইয়া ১০০০ টকাকৈ ৰেহাই কৰি দিয়া হৈছিল (ছাত্ৰ একতা সভাৰ বাজেটৰ পৰা কৰ্তন কৰি) ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰিয়ে আমাৰ বাবে এটি প্ৰত্যেকমান হৈ পৰিছিল অতি কম সময়ৰ ভিতৰত (প্ৰায় পাঁচ দিনৰ পিছত) মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰিছিলো। ইয়াৰবাবে আমি গৌৰৱান্বিত যে আমি কম সময়ৰ ভিতৰত হ'লেও মহাবিদ্যালয় ক্ৰীড়া সপ্তাহক সাফল্যমণ্ডিত ৰূপত অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। এই ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে পূৰ্ণ সমৰ্থন আগবঢ়াইছিল।

আমাৰ ছাত্ৰ একতা সভাখনক বাবে এক সুভাগ্যৰ বিষয় যে আমাৰ কাৰ্যকালৰ শেষৰফালে ৫২টা বছৰ অতিক্ৰম কথা সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠানটোৰ এক অংশ হিচাপে কাম কৰিবলৈ সুযোগ পাইছিলো। মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা অগ্ৰজ-অনুজ, বন্ধু-বান্ধৱী সকলোৰে পূৰ্ণ সহযোগিতাতে আমি অনুষ্ঠানটি সফল ৰূপ অনুস্থিত কৰিবলৈ আৰু অসমখনত জিলিকাই তুলিবলৈ সক্ষম হৈছিল। আমাৰ অনুৰোধ মৰ্মে বহুতো বিশিষ্ট অতিথি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত ছাত্ৰ-একতা সভাসমূহক নিমন্ত্ৰণ কৰা হৈছিল।

মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা মুখ্য অনুষ্ঠানসমূহ—

১। মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ উদ্‌যাপন
২। সৰস্বতী পূজা উদ্‌যাপন
৩। নৱাগত আদৰণি সভা
৪। বিশ্ব পৰিৱেশ দিৱস
৫। মহাবিদ্যালয়ৰ তোৰণৰ মেৰামতি আৰু ৰং কৰা হয়।
৬। নামভৰ্তি মাচুল ৰেহাই (১০০০ টকাকৈ)
৭। যাতায়তৰ মাচুল ৰেহাই
৮। অৰ্কিড ৰোপন
৯। আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাসমূহত বিজয়ী প্ৰতিযোগীসকলৰ সম্বৰ্ধনা অনুষ্ঠান।
১০। মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় অনুষ্ঠান।
১১। নতুন বিশুদ্ধ খোৱাপানী যোগান।
১২। নৱাগত ছাত্ৰ-ছাত্ৰীসকল ৰেগিং কৰাত কঠোৰ বাধা প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হয়।

১৩। প্ৰতিষ্ঠা দিৱস উদ্‌যাপন।

১৪। সোণালী জয়ন্তী সামৰণি অনুষ্ঠান উদ্‌যাপন।

১৫। ৯,১০ আৰু ১১ ছেপ্তেম্বৰ ২০২২ সোণালী জয়ন্তীৰ তিনিদিনা কাৰ্যসূচী অনুষ্ঠিত কৰা সাংস্কৃতিক সন্ধিয়াত আমাৰ অনুৰোধ মৰ্মে অচ্যুৰ্য বৰপাত্ৰ, নীল আকাশ, কুসুম কৈলাশ, বিশ্ৰুত শইকীয়াক নিয়ন্ত্ৰণ কৰা হৈছিল।

১৬। বহাগী আদৰণি আৰু আলোচনা চক্ৰ

১৭। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মহোদয় শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰৰ মহাবিদ্যালয়ৰ কাৰ্যকালৰ অন্তিমটো দিনত ছাত্ৰ একতা সভাৰ বিদায় সম্বৰ্ধনা আৰু ইয়াৰ পিছতে নতুনকৈ উপাধ্যক্ষৰ কাৰ্যভাৰ গ্ৰহণ কৰা ড° সুনীল দত্ত ছাৰক সম্বৰ্ধনা জনোৱা হয়।

পুনৰবাৰ মোক কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ আৰু সকলো শিক্ষাগুৰু, ছাত্ৰ একতা সভাখনৰ সভাপতি শ্ৰীঅনুভৱ প্ৰকাশ গগৈৰ লগতে আকাশ তাচা, ইন্দ্ৰজিৎ উৰাং, মোজাহিদ ৰহমান, উদ্দীপ্তৰাজ কলিতা, আকাংক্ষা শইকীয়া, শ্ৰুতি বৰুৱা, ৰীতাশ্ৰী গগৈকে আদি কৰি ছাত্ৰ একতা সভাখনৰ আন বিষয়ববীয়া সকলোকে আৰু সকলো দিশতে সহায় কৰা বন্ধুবৰ্গ তথা ভাইটি-ভণ্টীসকলক অশেষ ধন্যাবাদ জ্ঞাপন কৰিছো। শেষত অজানিতে যদি কিবা ভুল হৈ গৈছে তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

প্ৰতিবেদনৰ শেষ মুহূৰ্তত ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কৰ্মৰত গ্ৰন্থগাৰৰ কৰ্মচাৰী শ্ৰীযুত ৰাজীৱ মহন্ত আৰু সকলোৰে পৰিচিত আৰু প্ৰিয় চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰীযুত বসন্ত চাউলকৰা অকাল বিয়োগে শোকৰ ছাঁ পেলাই। আমি ছাত্ৰ একতা সভাই তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনাইছো আৰু আমাৰ পৰা তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলী আৰু আমাৰ মহাবিদ্যালয়ৰ বাবে তেওঁলোকে আগবঢ়োৱা কৰ্মৰাজিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনখন সামৰণি মাৰিছো।

জিলিকি উঠক মহাবিদ্যালয়খন, জিলিকি উঠক সোণাৰিয়ান

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**অভিষেক শইকীয়া**

সাধাৰণ সম্পাদক, ২০২১-২২ বৰ্ষ

□□□





# সহকাৰী সম্পাদকৰ প্ৰতিবেদন



জ্ঞানৰ মুকুতা সন্ধানী মিলনৰ থলী সোণাৰি মহাবিদ্যালয় ইতিহাসৰ বুকুত এক উজ্জ্বল মাণিক স্বৰূপ। সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত চৰাইদেউ জিলাৰ ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমান ৫২টা বসন্ত অতিক্ৰম কৰি সোণালী জয়ন্তীত উপনীত হোৱাত যিসকল ব্যক্তিয়ে ত্যাগ স্বীকাৰ কৰিলে তেওঁলোকলৈ মোৰ পৰম শ্ৰদ্ধা আৰু প্ৰণিপাত জনাইছো।

মহাবিদ্যালয়ত প্ৰথমটি খোজ দিয়াৰপৰাই এই দ্বিতীয়খন ঘৰৰ প্ৰতি কাম কৰাৰ হেঁপাহ জাগি উঠিছিল। মহাবিদ্যালয়ৰ কামসমূহত সৰু সৰু সহায় কৰিবলৈ পাই মনটোত তৃপ্তি লভিছিলো। তিনিটাকৈ বৰ্ষ এই মহাবিদ্যালয়ত অতিক্ৰম কৰাৰ পাছতে মহাবিদ্যালয়খনিৰ বাবে কাম কৰাৰ আগ্ৰহ অধিক হোৱাত এই জ্ঞান মন্দিৰখনিৰ ছাত্ৰ একতা সভাৰ অংশীদাৰ হোৱাৰ হেঁপাহ জাগিছিল। বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু মোৰ সহপাঠিসকলৰ উৎসাহ, সহায়-সহযোগিতা আৰু মৰমৰ দাবীত ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ সমাধান কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাসমূহ বিকাশৰ বাবে এটি সুযোগ পালো। মোক এজন ছাত্ৰ একতা সভাৰ সদস্য হৈ সোণ আৰু এই সোণাৰু দেশৰ বাবে মোক কৰ্মসমূহ আগবঢ়াবৰ বাবে দিয়া সুযোগটিৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে মই মোৰ শ্ৰেষ্ঠখিনি সম্পূৰ্ণভাৱে উজাৰি দিবলৈ চেষ্টা কৰিছিলো। সাধাৰণ সম্পাদকৰ লগতে সকলো বিভাগৰ সম্পাদকৰ লগতে সম্পূৰ্ণভাৱে সহায়-সহযোগিতা আগবঢ়ালো।

এই বৰ্ষৰ কাৰ্যসমূহত পৰামৰ্শ দান কৰি প্ৰতিটো কাম সহজ কৰি তোলা আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ লগতে সন্মানীয় উপাধ্যক্ষ মহোদয় আৰু প্ৰতিটো দিশত সহায় কৰি ভুলটো শুধৰাই সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলক মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা, শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰতিটো কাৰ্য সুচাৰুৰূপে আগবঢ়াই লৈ যোৱাত সহায় কৰা মোৰ দাদা-বাইদেউ, ভাইটি-ভণ্টী আৰু মোৰ সতীৰ্থসকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ সোণাৰিয়ানলৈ মোৰ হিয়া ভৰা ধন্যবাদ জ্ঞাপন কৰিছো।

এই ১০মহীয়া বৰ্ণিল যাত্ৰাত সোণাৰি মহাবিদ্যালয়ৰ হকে, সোণাৰিয়ানৰ হকে কি কৰিলো নাজানো। কিন্তু কোনোবাখিনিত নিজক পাহৰি মহাবিদ্যালয়খনিৰ বাবে কাম কৰিছিলো সেই সোণাৰিয়ানে দেখিছে। আশীৰ্বাদ কৰিব জীৱনৰ অনাকাংক্ষিত বাধা নেওচি যাতে আগুৱাই যাব পাৰো। অজ্ঞানিতে কৰা ভুলৰ বাবে সদায় ক্ষমা প্ৰাৰ্থী।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**মোজাহিদ ৰহমান**

সহকাৰী সম্পাদক, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন

# গুৰু খেল বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকল মহান মণিষীয়ে অশেষ শ্ৰম আৰু ত্যাগৰ বিনিময়ত সোণাৰি নগৰৰ মাজমজিয়াত জ্ঞানৰ বন্তি স্বৰূপ সোণাৰি মহাবিদ্যালয়ৰখন প্ৰতিষ্ঠা কৰিছিল, সেই পূণ্যাত্মসকলক নতশিৰে প্ৰণাম জনাইছো। তেখেতসকলে গঢ়ি থৈ যোৱা এই জ্ঞান মন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ সহস্ৰ শিক্ষাৰ্থীৰ ভিতৰত ময়ো এজন ছাত্ৰ হিচাপে পৰিচয় দিবলৈ পাই আনন্দিত হৈছো।

সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক প্ৰণাম জ্ঞাপন কৰিছো।

মই এজন ক্ৰীড়ানুৰাগী ব্যক্তি হোৱাৰ হেতুকে ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছিলো। মহাবিদ্যালয়ৰ যিসকল অগ্ৰজ আৰু অনুজ শিক্ষাৰ্থী বন্ধু-বান্ধৱীয়ে বিজয় হোৱাত সহায় কৰিছিল, তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি ভাবিছিলো আগ্ৰহী খেলুৱৈৰ সহযোগত মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰি ৰাজ্যৰ উচ্চ স্থানত বহুৱাম, দুৰ্ভাগ্য সেয়া হৈ নুঠিল। যদিও অনাগত দিনবোৰত সপোন সাৰ্থক হোৱাৰ কামনা কৰিলো। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিশেষকৈ 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ'ত দৌৰ, জাম্প, কাবাডী, ভলীবল, ফুটবল, ক্ৰিকেট আদি খেলসমূহ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ যত্ন কৰিছিলো। এই ক্ষেত্ৰত অধ্যাপক সৰ্বশ্ৰীযুত ফনীন্দ্ৰ কুমাৰ বৰুৱা, দিব্যজ্যোতি কোঁৱৰ, বিনোদ ৰাজখনিকৰ, জ্যোতিপ্ৰসাদ ফুকন, অধ্যাপিকা শ্ৰীযুক্তা সুমন গগৈ, আদিসকলে প্ৰৰ্যাপ্ত পৰিমানে সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱাত তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ প্ৰতিটো কাৰ্যতে সহায়-সহযোগ আৰু উৎসাহ দিয়াত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, বাবাদা, দুদুলদা, বসন্ত দা, বন্ধু চৌভিকজ্যোতি বড়া, অনুৰাগ গগৈ, বান্ধৱী উপাসনা সন্দিকৈ, লীজা ধাদুমীয়া, ভাইটি শচীন গগৈ আদিসকললৈ মোৰ হিচাভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। সদৌ শেষত মোৰ অজানিতে হৈ যোৱা ভুল ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনা। সোণাৰি মহাবিদ্যালয় দীৰ্ঘজীৱি হওক।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**ৰাজনিকৰ মগৰ**
সম্পাদক
গুৰু ক্ৰীড়া বিভাগ, ২০২১-২২ বৰ্ষ

□□□



প্ৰতিবেদন

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেই মহান ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো আৰু শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকল নিস্বাৰ্থ সেৱা আৰু পৰিশ্ৰমৰ দ্বাৰা এই জ্ঞানৰ মন্দিৰটো প্ৰতিষ্ঠা হৈছে। লগতে সোণাৰি মহাবিদ্যালয়ত বৰ্তমান কৰ্মৰত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ তৰফৰপৰা অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

মই লঘু ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰেপৰা মহাবিদ্যালয়ৰ উন্নতিৰ অৰ্থে ছাত্ৰ একতা সভাৰ সকলো কাম কাজতে সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াইছিলো। মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ দিশত কিমানদূৰ আগবঢ়াই নিব পাৰিলো, সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মই দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই মোৰ প্ৰথম আৰু প্ৰধান কাম আছিল মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অধীনত সকলোবিলাক খেল সুচাৰুৰূপে অনুষ্ঠিত কৰা। এই ক্ষেত্ৰত মই মোৰ কৰ্তব্যত কেতিয়াও অৱহেলা কৰা নাছিলো।

মহাবিদ্যালয় সপ্তাহত মই মোৰ বিভাগৰ অধীনৰ সকলোবোৰ খেল অনুষ্ঠিত কৰিছিলো। মোৰ কাৰ্যকালত বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশ গ্ৰহণো আগৰ বছৰৰ তুলনাত যথেষ্ট বেছি আছিল। সেই কাৰণে মই এই আপাহতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছো।

আন্তঃমহবিদ্যালয় প্ৰতিযোগিতাসমূহৰ ভিতৰত কাৰাটে, টাইকোৱাণ্ডো আৰু বক্সিঙৰ খেলুৱৈসকলক খেলত অংশ গ্ৰহণ কৰিবলৈ সুবিধা কৰি দিছিলো। আৰু তেওঁলোকে মহাবিদ্যালয়ৰ হকে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে ৰাণা কোঁৱৰ ছাৰ, দ্বীপজ্যোতি বড়া ছাৰক প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক বিভিন্ন সময়ত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে দিহা-পৰামৰ্শ আৰু সহায় আগবঢ়োৱা বেদান্ত দা, চহীদ দা আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো লগতে আগন্তুক বৰ্ষকেইটিত যাতে লঘু ক্ৰীড়া বিভাগটো অধিক বলিষ্ঠতাৰে কাৰ্যক্ষম হৈ উঠে আৰু সোণাৰি মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল হোৱাৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**গৌতম গগৈ**
সম্পাদক
লঘু ক্ৰীড়া বিভাগ, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন

# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান আৰু চিৰনমস্য ব্যক্তিক শ্ৰদ্ধা আৰু প্ৰণাম জনাইছো যিসকলৰ দূৰদৰ্শী চিন্তা, পোহৰ পিয়াসী পদক্ষেপ, আপ্ৰাণ প্ৰচেষ্টা, অশেষ কষ্ট, ত্যাগ আৰু মহানুভৱতাৰ বাবে আমাৰ সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা হ'ল। বহু স্বৰ্ণময় ইতিহাসে সোণাৰি সমৃদ্ধ হৈ আছে। ইতিহাসৰ পাতত জিলিকা সোণাৰিৰ চৌপাশে চাহ-বাগিচাৰ সেউজীয়াৰে আবৃত্ত। এই সোণাৰি দাঁতি-কাষৰীয়া বিভিন্ন অঞ্চলৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। সত্তৰ দশকতে সেয়ে উচ্চ শিক্ষাৰ পোহৰে ঠাইখনক উজ্জ্বলাই তুলিবলৈ বহুজন মহতোমহীয়ানে প্ৰতিষ্ঠা কৰা আমাৰ সোণাৰি মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। অসমৰ বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰতে সোণাৰি মহাবিদ্যালয় এখনি আগশাৰীৰ শিক্ষানুষ্ঠান।

সকলো ছাত্ৰ-ছাত্ৰীৰে নিজৰ জীৱনৰ বহু আশা, সপোন আৰু লক্ষ্য থাকে। সেইদৰে মোৰো এটা সপোন আছে। সেই সপোন বাস্তৱত ৰূপায়িত কৰাৰ মানসেৰে মই সোণাৰুৰ সোণ হালধীয়া আৰু আৰু তেজাল কৃষ্ণচূড়াৰ দেশ 'সোণাৰি মহাবিদ্যালয়'ৰ পৰিয়ালৰ সদস্য হ'লোহি। ২০২১ চনত সোণাৰি কণিষ্ঠ মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ সোণাৰি মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ১ম ষাণ্মাসিকত (অসমীয়া বিভাগ) নামভৰ্তি কৰো। মই মনতে সপোন পুহি ৰাখিছিলো যে সোণাৰি মহাবিদ্যালয়ত অধ্যয়ন কৰি জীৱন গঢ়াৰ লগতে মহাবিদ্যালয়খনৰ বাবে কিবা এটা কৰি নিজৰ পৰিচয় দাঙি ধৰিম।

জীৱনটো জানিব আৰু বুজিবপৰা হোৱাৰ পৰাই মই সাহিত্য জগতৰ লগত নজনাকৈয়ে জড়িত হৈ পৰো। লেখা-মেলা কৰি ভালপাওঁ বাবে সোণাৰি মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে কাম কৰি যাবলৈ আগবাঢ়ি আহিলো। যাতে মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ বিকাশৰ সমান্তৰালভাৱে সাহিত্যৰ বিভিন্ন দিশবোৰৰ বিকাশ সাধন হয়। যিহেতু সাহিত্য এটা জাতিৰ দাপোন স্বৰূপ। সাহিত্যৰ জৰিয়তে মানৱ জাতিৰ মানসিক বিকাশ, অতীত-বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ ৰূপৰেখা অংকিত হয়। সাহিত্যৰ যোগেদি এটা জাতিৰ সামগ্ৰিক দিশ প্ৰতিবিম্বিত হয়। এটা জাতি মানসিক, বৌদ্ধিক আৰু সাংস্কৃতিকভাৱে কিমান উন্নত সেই জাতিৰ সাহিত্যই তাক প্ৰতিফলিত কৰে।

বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। জনা নজনাৰ মাজেৰে মই মোৰ বিভাগৰ অন্তৰ্গত সাহিত্যৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাসমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। যদিও যিমান সংখ্যক প্ৰতিযোগীৰ অংশ গ্ৰহণৰ আশা কৰিছিলো তাৰ তুলনাত প্ৰতিযোগীৰ সংখ্য বহু কম হৈছিল। সেয়ে এই প্ৰতিবেদনৰ জৰিয়তে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰিছো যে তেওঁলোকে যাতে মহাবিদ্যালয়ত অনুষ্ঠিত সাহিত্যৰ বিভিন্ন প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰে। কাৰণ মই আমাৰ কাৰ্যকালত



দেখিবলৈ পাইছিলো যে আন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত অনুষ্ঠিত সাহিত্যৰ প্ৰতিযোগিতাসমূহত কম সংখ্যকেহে অংশ গ্ৰহণ কৰে। যাৰ বাবে আমি মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ সাহিত্যিক' বঁটাৰ বাবে কোনোধৰণৰ প্ৰতিযোগীক নিৰ্বাচন কৰি উলিয়াব নোৱাৰিলো।

আমাৰ অতি সৌভাগ্য যে আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰা হৈছিল। য'ত ৫০গৰাকী বৰেণ্য ব্যক্তিৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হৈছিল। আৰু এই মনোৰম পৰিৱেশে সকলোকে মুগ্ধ কৰিছিল। অতি উৎসাহ আৰু হেঁপাহেৰে সোণালী জয়ন্তী সামৰণি অনুষ্ঠান আৰম্ভ হোৱাৰ আগৰেপৰা বিভিন্ন কাম-কাজত জড়িত হৈছিলো। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হিচাপে মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজৰ লগতে বিভিন্ন বৰেণ্য ব্যক্তি, সোণাৰি অঞ্চল আৰু বিভিন্ন শিক্ষানুষ্ঠানত নিমন্ত্ৰণী শৰাই আগবঢ়াইছিলো। মহাবিদ্যালয়খনৰ ৫০ বছৰীয়া ইতিহাস উন্মোচিত হোৱাৰ এই যোগাত্মক কৰ্মই আমাক বেছি উৎসাহিত কৰিছিল। এয়া আমাৰ জীৱনৰো এক সোণালী স্মৃতি হৈ ৰ'ব।

শেষত সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক প্ৰণিপাত যাঁচিলো। বিভাগীয় কাম-কাজবোৰ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মোক সকলো সময়তে দিহা-পৰামৰ্শ, উৎসাহ-প্ৰেৰণা যোগোৱা মোৰ তত্বাৱধায়ক মৃদুস্মিতা পাটোৱাৰী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাঁচিলো। তদুপৰি মোৰ সতীৰ্থ সাধাৰণ সম্পাদক অভিষেক শইকীয়া, সহকাৰী সাধাৰণ সম্পাদক মুজাহিদ ৰহমান ককাইদেউ, উপ-সভাপতি আকাশ তাছা ককাইদেউ, তৰ্ক বিভাগৰ সম্পাদক উদ্দীপ্তৰাজ কলিতা ককাইদেউ, আলোচনী সম্পাদিকা আকাংক্ষা শইকীয়া বাইদেউ, সাংস্কৃতিক সম্পাদিকা শ্ৰুতি বৰুৱা বাইদেউৰ লগতে বিগত বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পল্লৱ কাকতি ককাইদেউ, গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক বেদান্ত বৰঠাকুৰ ককাইদেউহঁতৰ সহায়-সহযোগিতা, সু দিহা-পৰামৰ্শ কেতিয়াও পাহৰিব নোৱাৰিম। প্ৰতিটো কাৰ্যসূচী সফলভাৱে আগবঢ়াই নৈ যোৱাত সহায়-সহযোগ কৰা মহাবিদ্যালয়ৰ অগ্ৰজ-অনুজৰ লগতে সতীৰ্থসকললৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

এই সময়ছোৱাত নিজৰ অজানিতে বৈ যোৱা ভুল ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। অনাগত দিনত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**নীলম নয়না বৰগোহাঁই**
সম্পাদিকা
সাহিত্য বিভাগ, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

*সুন্দৰে যে ফুলাৰ মন্ত্ৰ*
*অহোৰাত্ৰি মাতে*
*সেয়েহে আজি ইমান ফুল*
*প্ৰভাতে প্ৰভাতে....*



১৯৭০ চনত স্থাপিত হৈ বৰ্তমানে ৫২টা বছৰ অতিক্ৰম কৰি সোণালী বৰ্ষ গৰকা এই সোণ আৰু সোণাৰু দেশখনেই হৈছে ঐতিহ্যমণ্ডিত চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ গৌৰৱৰ প্ৰতীক সোণাৰি মহাবিদ্যালয়।

নমস্কাৰ ঃ সৰ্ব প্ৰথমে মই সেইসকল মহান ব্যক্তিক সোঁৱৰিব বিচাৰিছো যিসকল মহা মণিষীৰ শ্ৰম, ত্যাগ আৰু অশেষ চেষ্টাৰ ফলত এই জ্ঞান মন্দিৰত একো একোজন প্ৰকৃত মানৱ গঢ়ি তোলাত অৰিহণা আগবঢ়াই আহিছে।

সোণাৰি মহাবিদ্যালয় সৰুৰেপৰা বুজিবপৰা হোৱা লৈ মনত এক সপোন পুহি ৰাখিছিলো সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে নিজকে পৰিচয় দিয়া আৰু এই সপোন বাস্তৱায়িত হৈছিল ২০২০ বৰ্ষত যেতিয়া এই মহাবিদ্যালয়ত মই সন্মানীয় শিক্ষাতত্ব বিভাগৰ এগৰাকী ছাত্ৰী হিচাপে নিজৰ পৰিচয় দাঙি ধৰিছিলো। ঠিক তেনেদৰেই দাদা-বাইদেউসকলক ছাত্ৰ একতা সভাৰ সদস্য হিচাপে ছাত্ৰ-ছাত্ৰীৰ হৈ মহাবিদ্যালয়ৰ বাবে কাম কৰা দেখি মনতে আন এক সপোন পুহিছিলো এই মহাবিদ্যালয়ৰ হকে কাম কৰাৰ আৰু মোৰ এই সপোন পুৰণ হৈছিল ২০২১ বৰ্ষৰ ডিচেম্বৰ মাহত।

২০২১-২২ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ জয় লাভ কৰিছিলো। সাংস্কৃতিক ক্ষেত্ৰত খনৰ বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াটোৱেই মোৰ মুল লক্ষ্য আছিল। মোৰ কাৰ্যকালত যিখিনি কৰ্তব্য আছিল মই সেইখিনি কৰিবলৈ যত্ন কৰিছিলো যদিও আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱত সু ফলাফল আনিবলৈ সক্ষম নহ'লো যাৰবাবে মই ক্ষমাপ্ৰাৰ্থী। কিন্তু ২০২২ বৰ্ষৰ ছেপ্তেম্বৰ মাহত ৯, ১০, ১১ তাৰিখে হৈ যোৱা এই মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত মোৰ নেতৃত্বত ২৬জনীয়া এটা বিহু দল প্ৰস্তুত কৰি এক সুন্দৰ অনুষ্ঠান কৰিবলৈ সক্ষম হৈছিলো, যাৰবাবে দলটিৰ সকলো সদস্যকেই মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

বিশেষ কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত সহায় কৰাৰ লগতে বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিলীপ ৰঞ্জন বৰুৱা ছাৰ, শিক্ষাগুৰু দীপজ্যোতি বড়া ছাৰ, দিব্যজ্যোতি কোঁৱৰ ছাৰ, গিতিকা তালুকদাৰ মেম, ড° ৰীতা দত্ত মেম, বিকাশ কুমাৰ শৰ্মা ছাৰ, পল্লৱী ফুকন মেম, কাব্যশ্ৰী মেমকে ধৰি শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

কৃতজ্ঞতা ঃ ছাত্ৰ একতা সভাৰ প্ৰতিটো অনুষ্ঠানতে সহায় সহযোগ আগবঢ়োৱা সমূহ বিষয়ববীয়াৰ লগতে সাতসৰী ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ বিকল্প কোঁৱৰ দাদা, প্ৰযোজ্য মাধৱ দত্ত দাদা, মানসজ্যোতি সন্দিকৈ দাদা, পল্লৱ কাকতি দাদাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০২১-২২ বৰ্ষৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ পদত থকা সময়চোৱাত মোৰ অজানিতে যদি কিবা ভুল হৈছিল তাৰবাবে মই ক্ষমাপ্ৰাৰ্থী। শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**শ্ৰুতি বৰুৱা**
সম্পাদিকা
সাংস্কৃতিক বিভাগ, ২০২১-২২ বৰ্ষ

□□□



প্ৰতিবেদন

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ক্ষণত মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা যাঁচিছো, যিসকলৰ অশেষ কষ্টৰ ফলত সোণাৰি মহাবিদ্যালয়ে প্ৰাণ পাইছিল। লগতে মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় তথা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ লগৰ সমনীয়া সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকাৰ হিচাপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী।

বিভাগীয় সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলো আৰু প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এই ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা সকলোলৈ মই মোৰ ফালৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত সংগীত বিভাগৰ সম্পাদিকা হিচাপে মই মোৰ সমূহ কাম নিয়াৰিকৈ পালন কৰিলো বুলি মোৰ বিশ্বাস।

সদৌ শেষত সংগীত বিভাগৰ সম্পাদিকা হিচাপে অজানিতে হৈ যোৱা ভুলৰ বাবে মোক ক্ষমা কৰে যেন। সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**ৰীতাশ্ৰী গগৈ**
সম্পাদিকা
সংগীত বিভাগ, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন ১০

# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ মুখবন্ধনিত মই সেইসকল মহান ব্যক্তিৰ চৰণত মোৰ অন্তৰৰ পৰা একাজঁলি শ্ৰদ্ধাৰ পুষ্পাঞ্জলি অৰ্পণ কৰিছো। যিসকল মহান ব্যক্তিৰ আহোপুৰুযাৰ্থ প্ৰচেষ্টাৰ জৰিয়তে সোণাৰি মহাবিদ্যালয়ৰ দৰে এটা সুন্দৰ অনুষ্ঠানে জন্ম লাভ কৰিলে।

ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ মহোদয় উপাধ্যক্ষ মহোদয় ড° সুনীল দত্ত মহোদয় প্ৰমুখ্য সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক শ্ৰদ্ধা, অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০২১-২২ বৰ্ষৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ লৈ মই প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিলো। তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, লগতে আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাৰ দৰে বিভিন্ন প্ৰতিযোগিতাসমূহ আয়োজন কৰিছিলো। মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰী আৰু অনুষ্ঠানসমূহত গুৰি ধৰোতা সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল ক্ৰটীবোৰৰ সকলোৰে আগত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**উদীপ্ত ৰাজ কলিতা**

সম্পাদক

তৰ্ক বিভাগ, ২০২১-২২ বৰ্ষ

□□□



প্ৰতিবেদন

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক সোঁৱৰিব বিচাৰিছো, যিসকল ব্যক্তিৰ অহোপুৰুষাৰ্থ কষ্ট, নিঃস্বাৰ্থ ত্যাগৰ ফলশ্ৰুতিত আজি এই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠা লাভ কৰি আজি ৫২টা বৰ্ষ অতিক্ৰম কৰিছেহি সেই মহান ব্যক্তিসকললৈ মই মোৰ শ্ৰদ্ধা আৰু সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। লগতে সোণাৰি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু সমূহ কৰ্মচাৰী তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰপৰা আন্তৰিক শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই ২০২১ বৰ্ষত সোণাৰি মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰথম যাণ্মাসিকত নামভৰ্ত্তি কৰিছিলো। প্ৰথম ষণ্মাসিকত থকা অৱস্থাতেই মই ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰিছিলো। মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ সুযোগ পাই মই বহু আনন্দিত আৰু এই মহাবিদ্যালয়ৰ হকে কাম কৰি যোৱাৰ সুবিধা প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

এই সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই ক্ৰীড়া সপ্তাহত চাফাই অভিযানৰ প্ৰতিযোগিতা হিচাপে খেলপথাৰ, মহাবিদ্যালয়ৰ চৌহদ আৰু প্ৰেক্ষাগৃহ চাফা কৰিছিলো। তাৰ পিছত কেইবাটাও বৃক্ষৰোপন কাৰ্যসূচী হাতত লৈছিলো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সকলো কাৰ্যসূচীত সহযোগিতা আগবঢ়াইছিলো।

মোৰ কাৰ্যকালত মই কিমানদূৰ সফল হ'লো নাজানো, কিন্তু কাৰ্যকালটো মোৰ বাবে স্মৃতি হৈ ৰৈ যাব।

আচলতে ছাত্ৰ একতা সভাখন ১ বছৰৰ বাবে গঠন হয়, কিন্তু আমি এই ছাত্ৰ একতা সভাখন মাত্ৰ ৮ মাহৰ বাবেহে পাইছিলো। তথাপিও এই ৮ মাহ আমাৰ বাবে সোঁৱৰণি হৈ পৰিছিল। কাৰ্যকালৰ শেষৰ সময়ত আমি সুভাগ্যৱান যে মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটো পাইছিলো। আৰু এই অনুষ্ঠানটোত এজন সম্পাদক হিচাপে কাম কৰিবলৈ পাই মই খুবেই সুখী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ সহযোগত এই সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটো সুকলমে অনুষ্ঠিত কৰিবলৈ সক্ষম হ'লো।

মোৰ এই কাৰ্যকালত যিসকলে মোক সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'ম। শেষত মোৰ এই কাৰ্যকালত যদি কিবা ভুল ত্ৰুটি বৈ গৈছে তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো। লগতে মই মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**ইন্দ্ৰজিৎ উৰাং**

সম্পাদক

সমাজসেৱা বিভাগ, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন

# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে পোহৰৰ বন্তি জ্বলাই সোণাৰি মহাবিদ্যালয়খনক জন্ম লাভ কৰা আৰু জ্ঞানৰ পোহৰ সঞ্চাৰিত কৰা। প্ৰত্যেকজন ব্যক্তিলৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° বিমলচন্দ্ৰ গগৈ মহোদয়, উপাধ্যক্ষ ড° সুনীল দত্ত মহোদয়, শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰী তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোক আন্তৰিক মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে সোণাৰি মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থ ধন্যবাদ জ্ঞাপন কৰিলো।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে বিগত বৰ্ষসমূহৰ দৰে সকলোৰে অতি হেঁপাহৰ বৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰয়োজনীয় কিছু সামগ্ৰী মহাবিদ্যালয়ত নথকাৰ বাবে সীমিত সামগ্ৰীৰেই মহাবিদ্যায়ৰ সপ্তাহৰ লগত সংগতি ৰাখি শক্তি উত্তোলন, ভাৰ উত্তোলন, পাঞ্জা, দেহশ্ৰী আদিৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো।

মহাবিদ্যালয়ৰ এই বাৰ্ষিক ক্ৰীড়াত যিসকল ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুওৱাব পাৰিছিল, তেওঁলোকে যাতে মহাবিদ্যালয়ৰ বাহিৰে আন ঠাইত অনুষ্ঠিত হোৱা ক্ৰীড়াত অংশ গ্ৰহণ কৰি ইয়াতকৈ ভাল প্ৰদৰ্শন কৰিব পাৰে তাৰে কামনা কৰিলো আৰু এই সুযোগতে সমূহ ক্ৰীড়া প্ৰতিযোগিতালৈ মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলো। সম্পাদকৰ গুৰু দ্বায়িত্ব চলাই নিওতে মোৰ বিভন্ন ভুল ভ্ৰান্তি দেখুৱাই দেখুৱাই সু-পৰামৰ্শ তথা প্ৰত্যক্ষ সহায়েৰে এই দ্বায়িত্ব চলাই নিয়াৰ বাট দেখুৱাই দিয়া সতীৰ্থ তপন, ৰাজু আৰু ভাতৃ প্ৰীতম তেহিদ তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু বিভাগীয় উপদেষ্টা শ্ৰীযুত চক্ৰপানী পাটিৰ ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল ক্ৰটীৰ বাবে ক্ষমা বিচাৰি চৰাইদেউ জিলাৰ ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খনৰ সৰ্বাংগিন উন্নতিৰ লগতে উত্তৰোত্তৰ কামন কৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**ৰাজ সিং**
সম্পাদক
শৰীৰ চৰ্চা বিভাগ, ২০২১-২২ বৰ্ষ

□□□



প্ৰতিবেদন

# ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ, শ্ৰম, নিঃস্বাৰ্থ সেৱা আৰু সৎপ্ৰচেষ্টাৰ ফলত এই জ্ঞানৰ মন্দিৰ প্ৰতিষ্ঠা হ'ল সেই মহান ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে মই মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত নিজকে খুবেই সুখী আৰু সৌভাগ্যৱান বুলি ভাবো। ১৯৭০ চনত স্থাপিত হোৱাৰ পৰা ৫২টা বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া সোণাৰি মহাবিদ্যালয়ে যোৱা ২০২২ চনৰ ৯,১০ আৰু ১১ ছেপ্তেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে সফলভাৱে সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰে। এনে এটি বৃহৎ কাৰ্যসূচীত ওতঃপ্ৰোতভাৱে জড়িত হৈ গৌৰৱান্বিত অনুভৱ কৰিছো।

বিভিন্ন ক্ষেত্ৰত বিভিন্ন সময়ত আপোনালোকৰপৰা পোৱা পৰামৰ্শ, নতুন চিন্তাধাৰাৰে সহায়-সহাযোগিতাই মোক মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাত বহু অনুপ্ৰেৰণা যোগালে। এই নতুন অভিজ্ঞতাবোৰে মোক জীৱনত আগবাঢ়ি যোৱাত বহুত অৰিহণা যোগাব। এই মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ ছাৰ, সন্মানীয় উপাধ্যক্ষ ড° সুনীল দত্ত ছাৰ, সন্মানীয় প্ৰাক্তন উপাধ্যক্ষ ড° দিলীপ ৰঞ্জন বৰুৱা ছাৰৰ লগতে মোক সকলো দিশত সু-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰে বিকাশ শৰ্মা ছাৰ আৰু দ্বীপজ্যোতি বৰা ছাৰৰ লগতে প্ৰত্যেকজন শিক্ষাগুৰুলৈ তথা মহাবিদ্যালয়ৰ সকলো কৰ্ম কৰ্তা, ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা, প্ৰণাম আৰু অশেষ ধন্যবাদ জনালো। মোৰ প্ৰত্যেকটো কামতে পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক আন্তৰিক ধন্যবাদ জনালো।

শেষত এই ১০মহীয়া কাৰ্যকালত দায়িত্ববোৰ পালন কৰোতে বৈ যোৱা ভুল ক্ৰটীবোৰৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। কাৰ্যভাৰ ত্যাগ কৰিলেও মহাবিদ্যালয়খনৰ চিৰদিন উন্নতিৰ বাবে সদায় কাম কৰি যাম, এয়া মোৰ প্ৰতিজ্ঞা। সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ লগতে সমগ্ৰ অঞ্চলটোৰ উজ্জ্বল ভৱিষ্যতৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনালো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**উৎপলা চেতিয়া**
সম্পাদিকা
ছাত্ৰী জিৰণি চ'ৰা, ২০২১-২২ বৰ্ষ

□□□

প্ৰতিবেদন

# ছাত্ৰ জিৰণী চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ, শ্ৰম, নিঃস্বাৰ্থ সেৱা আৰু সৎ প্ৰচেষ্টাৰ ফলত এই জ্ঞানৰ মন্দিৰ প্ৰতিষ্ঠা হ'ল সেই মহান ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে মই মোৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। কিন্তু বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মই মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত নিজকে খুবেই সুখী আৰু সৌভাগ্যৱান বুলি ভাবো। ১৯৭০ চনত স্থাপিত হোৱাৰ পৰা ৫২টা বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া সোণাৰি মহাবিদ্যালয়ে যোৱা ২০২২ চনৰ ৯, ১০ আৰু ১১ ছেপ্তেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে সফলভাৱে সোণালী জয়ন্তী বৰ্ষৰ সমাৰণি অনুষ্ঠান উদ্‌যাপন কৰে। এনে এটি বৃহৎ কাৰ্যসূচীত ওতঃপ্ৰোতঃভাৱে জড়িত হোৱাৰ সুযোগ পাই মই গৌৰৱান্বিত অনুভৱ কৰিছো।

বিভিন্ন ক্ষেত্ৰত বিভিন্ন সময়ত আপোনালোকৰ পৰা পোৱা পৰামৰ্শ, নতুন চিন্তাধাৰা, সহায়-সহযোগিতাই মোক মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাত বহু অনুপ্ৰেৰণা যোগালে। এই নতুন অভিজ্ঞতাবোৰে মোক জীৱনত আগবাঢ়ি যোৱাত বহু অৰিহণা যোগাব। এই মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ ছাৰ, সন্মানীয় উপাধ্যক্ষ ড° সুনীল দত্ত ছাৰ, সন্মানীয় প্ৰাক্তন উপাধ্যক্ষ ড° দিলীপ ৰঞ্জন বৰুৱা ছাৰৰ লগতে মোক সকলো দিশত সু-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ বিকাশ শৰ্মা ছাৰ আৰু দ্বীপজ্যোতি বৰা ছাৰৰ লগতে প্ৰত্যেকজন শিক্ষাগুৰুলৈ তথা মহাবিদ্যালয়ৰ সকলো কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা, প্ৰণাম আৰু অশেষ ধন্যবাদ জনালো। মোক প্ৰত্যেকটো কামতে পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক আন্তৰিক ধন্যবাদ জনালো।

শেষত এই দহমহীয়া কাৰ্যকালত দায়িত্ববোৰ পালন কৰোতে হৈ যোৱা ভুল ক্ৰটিবোৰৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী। কাৰ্যভাৰ ত্যাগ কৰিলেও মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে সদায় কাম কৰি যাম, এয়া মোৰ প্ৰতিজ্ঞা। সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ লগতে সমগ্ৰ অঞ্চলটোৰ উজ্জ্বল ভৱিষ্যতৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনালো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**চন্দন চাহু**
সম্পাদক
ছাত্ৰ জিৰণি চ'ৰা, ২০২১-২২ বৰ্ষ



# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল.. ২০২১-২২





অনুভৱ প্ৰকাশ গগৈ
সভাপতি



অভিষেক শইকীয়া
সাধাৰণ সম্পাদক



আকাশ তাছা
উপ-সভাপতি



মুজাহিদ ৰহমান
সহ-সম্পাদক



ৰাজনিক মগৰ
গুৰু ক্ৰীড়া সম্পাদক



গৌতম গগৈ
লঘু ক্ৰীড়া সম্পাদক



নীলম নয়না বৰগোহাঁই
সাহিত্য সম্পাদিকা



আকাংক্ষা শইকীয়া
আলোচনী সম্পাদিকা



শ্ৰুতি বৰুৱা
সাংস্কৃতিক সম্পাদিকা



ৰীতাশ্ৰী গগৈ
সংগীত সম্পাদিকা



উদ্দিপ্ত কলিতা
তৰ্ক সম্পাদক



ইন্দ্ৰজিৎ ওৰাং
সমাজসেৱা সম্পাদক



ৰাজ সিং
শৰীৰ চৰ্চা সম্পাদক



উৎপলা চেতিয়া
ছাত্ৰীজিৰণি চ'ৰাৰ সম্পাদিকা



চন্দন চাহু
ছাত্ৰজিৰণি চ'ৰাৰ সম্পাদক

# সোণালীৰ স্বৰ্ণময় যাত্ৰা..

(নিৰ্বাচিত সংখ্যা)

